www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অসম বাৰ্তা

□ প্ৰথম বছৰ □ সংখ্যা- ২০৬ □ মঙ্গলবাৰ □ ২ জুন, ২০২৬ চন □ Volume/Year- I □ Issue- 206 □ Tuesday □ 2nd June, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

তুমি তোমাৰ প্ৰতিপক্ষৰ লগত যিমান পাৰা সিমান সোনকালে একমত হোৱা। — যীশু খ্ৰীষ্ট

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ৰাষ্ট্ৰপতি হিচাপে প্ৰথমটো ভাৰত ভ্ৰমণ; তিনিদিনীয়া ভ্ৰমণত উচ্চস্তৰীয় বৈঠক

প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বৈঠকত মিলিত ম্যানমাৰৰ ৰাষ্ট্ৰপতি মিন আং হ্লাইং

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ জুন ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমবাৰে ম্যানমাৰৰ ৰাষ্ট্ৰপতি য়ু মিন আং হ্লাইঙক সাক্ষাৎ কৰে। ৰাষ্ট্ৰীয় ৰাজধানীৰ হায়দৰাবাদ হাউছত অনুষ্ঠিত এই বৈঠকখন প্ৰধানমন্ত্ৰী মোদীৰ আমন্ত্ৰণক্ৰমে ৩০ মে'ৰ পৰা ২ জুনলৈ ভাৰত ভ্ৰমণ কৰি থকা ম্যানমাৰৰ ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ এক গুৰুত্বপূৰ্ণ অংগ। ৰাষ্ট্ৰপতি হিচাপে মিন আং হ্লাইঙৰ এইটোৱেই প্ৰথম ভাৰত ভ্ৰমণ। তেওঁৰ সৈতে ম্যানমাৰৰ কেবিনেট মন্ত্ৰী, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু বিশিষ্ট ব্যৱসায়িক নেতাসকলৰ এটা উচ্চস্তৰীয় প্ৰতিনিধি দল আছে। ইয়াৰ পূৰ্বে দেওবাৰে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা (এন এছ এ) অজিত ডোভালে মিন □ ৬ পৃষ্ঠাত

উচ্চতম ন্যায়ালয়ত পাঁচগৰাকী নতুন ন্যায়াধীশ নিযুক্তি ৰাষ্ট্ৰপতিৰ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ জুন ঃ ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সংবিধানৰ ১২৪ নং অনুচ্ছেদৰ দফা (২)ৰ অধীনত প্ৰদান কৰা ক্ষমতা ব্যৱহাৰ কৰি দেশৰ উচ্চতম ন্যায়ালয়ৰ বাবে পাঁচগৰাকী নতুন ন্যায়াধীশ নিযুক্তি প্ৰদান কৰিছে। ৰাষ্ট্ৰপতিয়ে ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে বিস্তাৰিত আলোচনা কৰিহে এই নিযুক্তি সম্পন্ন কৰে। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সামাজিক মাধ্যম 'এ''ৰ জৰিয়তে এই তথ্য সদৰি কৰি কয় যে নিযুক্তিপ্ৰাপ্তসকল হৈছে—শীল নগু, শ্ৰী চন্দ্ৰশেখৰ, সঞ্জীৱ সচদেৱ, অৰুণ পল্লী আৰু জ্যেষ্ঠ অধিবক্তা ভি মোহনা। উল্লেখ্য যে, যোৱা ২৭ মে'ত ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ নেতৃত্বত উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে এই পাঁচগৰাকীৰ নাম চৰকাৰৰ বিবেচনালৈ পৰামৰ্শ দিছিল। কলেজিয়ামৰ সেই পৰামৰ্শ ৰাষ্ট্ৰপতিয়ে অনুমোদন জনাই আজি নিযুক্তি প্ৰদান কৰে। মঙলবাৰে (আগন্তুক ২ জুন) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। শপত □ ৬ পৃষ্ঠাত

আজিৰ কলম

শ্ৰীশ্ৰীমাধৱদেৱৰ সাহিত্য কৰ্মৰ সন্দৰ্ভত কিছু আলোকপাত



শৰৎ চন্দ্ৰ চিৰিংফুকন

এটি কথা প্ৰণিধানযোগ্য যে, অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰচাৰক আৰু প্ৰসাৰক শ্ৰীশ্ৰীশংকৰদেৱৰ অনুগত প্ৰিয় শিষ্য মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ। মহামানৱ অথবা মহাপুৰুষ হ'বলৈ মানুহৰ গাত কেতবোৰ মহৎ গুণৰ সমাৱেশ ঘটিবই লাগিব, যিবোৰ গুণ-গৰিমা সচৰাচৰ সাধাৰণ মানুহৰ গাত পৰিলক্ষিত নহয়। মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ যে স্বৰূপতেই এজনা অৱতাৰী পুৰুষ এই কথা গুৰুজনাৰ শিশুকালৰ পৰা □ ৬ পৃষ্ঠাত

■ লাভ জেহাদৰ পৰিণতিত নলবাৰীত ভয়ংকৰ হত্যাকাণ্ড; মৃত্যুৰ সৈতে যুঁজিছে মৃদুমুদ্ৰাই ■

গংগাপুৰৰ হত্যাকাণ্ডৰ অভিযুক্তক এনকাউণ্টাৰ

□ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া; গংগাপুৰ কালাকুছিত চেপা উত্তেজনা; শোকত ম্ৰিয়মাণ চামতা □

অসম বাৰ্তা, নলবাৰী, ১ জুন ঃ মানৱতাক চৰম ভ্ৰূকুটি দেখুৱাই নলবাৰীৰ গংগাপুৰত সংঘটিত এটা লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাই সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ উপৰি নলবাৰী জিলাত ঘটনাটোক লৈ বিৰাজ কৰিছে চেপা উত্তেজনা। ফুট গধূলিতে জনপথ তেজেৰে ৰাঙলী কৰি দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰে কৰা আক্ৰমণত এগৰাকী আছু কৰ্মীৰ অকাল বিয়োগ ঘটাৰ উপৰি তেওঁৰ সম্পৰ্কীয় ভনীয়েকে সংকটজনক অৱস্থাত মৃত্যুৰ সৈতে যুঁজিবলগীয়া হোৱাৰ ঘটনাই জোকাৰি গৈছে সমগ্ৰ ৰাজ্য। জানিব পৰা মতে নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ গংগাপুৰত দেওবাৰে সন্ধিয়া সংঘটিত এক নৃশংস আক্ৰমণৰ ঘটনাত চামতা নিবাসী মাধুৰ্য বৰ্মন নামৰ সৰবৰহী যুৱক তথা আছু নেতা এগৰাকীৰ মৃত্যু হোৱাৰ উপৰি তেওঁৰ সম্পৰ্কীয় ভনীয়েকে, গংগাপুৰ নিবাসী মৃদুমুদ্ৰা ডেকা সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

■ ৰাজপথত তেজেৰে ৰাঙলী মাধুৰ্যৰ নিথৰ দেহ

অযুত সপোন বুকুত বান্ধি আগবাঢ়ি যোৱা এজন মেধাৱী যুৱক, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া মাধুৰ্য বৰ্মনৰ উশাহ দেওবাৰে সন্ধিয়া স্তব্ধ হৈ পৰিল ৰাজপথতে। প্ৰাপ্ত তথ্য অনুসৰি দেওবাৰে সন্ধিয়া মাহীয়েকৰ ছোৱালী মৃদুমুদ্ৰা ডেকাক ঘৰলৈ আগবঢ়াই দিবলৈ গৈছিল মাধুৰ্য বৰ্মন। কিন্তু সেই যাত্ৰাই যে তেওঁৰ জীৱনৰ অন্তিম যাত্ৰালৈ ৰূপ ল'ব, সেয়া কোনোৱেই কল্পনাও কৰা নাছিল। গংগাপুৰ অঞ্চলত পথ আগচি ধৰি দুৰ্বৃত্তই দুয়োৰে ওপৰত আক্ৰমণ চলাই বুলি অভিযোগ উত্থাপিত হৈছে। মুহূৰ্তৰ ভিতৰতে শান্ত পৰিৱেশ ৰক্তাক্ত বিভীষিকাত পৰিণত হয়। চোকা

৬ জুনত যন্তৰ মন্তৰত শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্যসূচী 'ককৰোচ জনতা পাৰ্টি'ৰ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ জুন ঃ নিট (NEET) পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল আৰু অন্যান্য পৰীক্ষাসমূহত সংঘটিত অনিয়মৰ প্ৰতিবাদত শেহতীয়াকৈ চৰ্চালৈ অহা ব্যংগাত্মক ৰাজনৈতিক অভিযান 'ককৰোচ জনতা পাৰ্টি'ৰ প্ৰতিষ্ঠাপক □ ৬ পৃষ্ঠাত

'টীম শুভেন্দু' সম্পূৰ্ণ ৰূপ; ৩৫ গৰাকী মন্ত্ৰীৰ শপত গ্ৰহণ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ জুন ঃ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ মন্ত্ৰীসভাই সম্পূৰ্ণ ৰূপ লাভ কৰিলে। সোমবাৰে ৰাজ্যপাল আৰ এন ৰবিৰ উপস্থিতিত ৩৫ গৰাকী বিজেপি বিধায়কে মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। লোকভৱনত পুৱা ১১ বজাত অনুষ্ঠিত এই শপতগ্ৰহণ অনুষ্ঠানৰ জৰিয়তে মুখ্যমন্ত্ৰী □ ৮ পৃষ্ঠাত

কলকাতাত ৫৩.৫০ টকা, গুৱাহাটীত ৫৪ টকাকৈ বৃদ্ধি

পুনৰ বৃদ্ধি বাণিজ্যিক ৰন্ধন গেছৰ দাম

নিউজ ডেস্ক, অসম বাৰ্তা, ১ জুন ঃ পশ্চিম এছিয়াৰ সংঘাতৰ মাজতে সোমবাৰে (১ জুন) পৰা ৰন্ধন গেছৰ মূল্য পুনৰ বৃদ্ধি কৰা হৈছে। দেশজুৰি ১৯ কিলোগ্ৰাম ওজনৰ বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য বৃদ্ধি কৰা হয়। ৰাজধানী দিল্লীত এই চিলিণ্ডাৰৰ দাম ৪২ টকা বৃদ্ধি পোৱাৰ বিপৰীতে কলকাতাত ইয়াৰ মূল্য বাঢ়িছে ৫৩.৫০ টকা। অৱশ্যে, পেট্ৰ'ল, ডিজেল আৰু ঘৰুৱা ৰন্ধন গেছৰ দাম এইবাৰ অপৰিৱৰ্তিত হৈ আছে। গ্ৰাহকে ১৪.২ কিলোগ্ৰাম ওজনৰ ঘৰুৱা চিলিণ্ডাৰ একেখন দৰতেই ক্ৰয় কৰিব। নতুন নিৰ্ধাৰিত নিৰিখ অনুসৰি, ১৯ কিলোগ্ৰামৰ বাণিজ্যিক চিলিণ্ডাৰৰ দাম দেশৰ ৰাজধানী দিল্লীত এতিয়া হৈছে ৩, ১১৩.৫০ টকা। কলকাতাত এই চিলিণ্ডাৰৰ দাম ৩, ২৫৫.৫০ টকালৈ উন্নীত হৈছে। আনহাতে, ঘৰুৱা কামত ব্যৱহৃত ১৪.২ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ গ্ৰাহকে ৯১৩ টকাত ক্ৰয় কৰি আছে। ইফালে, গুৱাহাটী চহৰত বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য ৫৪ টকাকৈ বৃদ্ধি পাইছে। বৰ্তমান গুৱাহাটীত এই চিলিণ্ডাৰৰ দাম হৈছে ৩, ৩৪৭ টকা। ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম ইয়াত ৯৬২ টকা ৰখা হৈছে। ৰাজধানী দিল্লীত ৫ কিলোগ্ৰাম ওজনৰ এলপিজি □ ৮ পৃষ্ঠাত

'মচুৰ দাইল, চেনি আৰু নিমখ'ৰ সুলভ যোগান আঁচনি সাময়িকভাৱে স্থগিত কৰিলে অসম চৰকাৰে

■ 'ভোট-অন-একাউণ্ট' বাজেটৰ সীমাবদ্ধতাৰ বাবে জুন মাহৰ পৰা স্থগিত ■

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুন ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে ঘোষণা কৰে যে অসম চৰকাৰে 'ভোট-অন-একাউণ্ট' বাজেট ব্যৱস্থাৰ বাবে 'মচুৰ দাইল, চেনি আৰু নিমখ'ৰ সুলভ যোগান আঁচনি জুন মাহৰ পৰা সাময়িকভাৱে স্থগিত কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ এক আপডেটত চৰকাৰে স্পষ্ট কৰে যে নতুনকৈ গঠন কৰা চৰকাৰে সম্পূৰ্ণ ৰাজ্যিক বাজেট অনুমোদন নকৰা পৰ্যন্ত এই আঁচনি স্থগিত থাকিব। সোমবাৰে প্ৰকাশিত ঘোষণা অনুসৰি, ৰাজসাহায্যযুক্ত □ ৬ পৃষ্ঠাত

অসমক আগশাৰীৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি

কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডব্যক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুন ঃ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে কেন্দ্ৰীয় ক্ৰীড়া আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী মনসুখ মাণ্ডব্যক সাক্ষাৎ কৰি তেওঁৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। লগতে অসমৰ ক্ৰীড়া আন্তঃগাঁথনি অধিক শক্তিশালীকৰণ আৰু ৰাজ্যখনৰ শ্ৰমিক ভাই-ভনীসকলৰ বাবে অধিক অনুকূল পৰিৱেশ গঢ়ি তোলাৰ বিভিন্ন দিশৰ ওপৰত বিস্তাৰিত আলোচনা কৰে। বৈঠকখনত অসমত ক্ৰীড়া সুবিধাসমূহ আৰু শ্ৰমিক কল্যাণমূলক ব্যৱস্থা অধিক উন্নত কৰাৰ লগতে এই ক্ষেত্ৰসমূহৰ আগতীয়া প্ৰগতিৰ □ ৬ পৃষ্ঠাত

ঢেকীয়াখোৱা বৰনামঘৰত মাধৱদেৱৰ গুৰুজনাৰ তিথি পালন

ধুতি-চোলা পিন্ধি ভকতৰ শাৰীত বহিল গৌৰৱ গগৈ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ জুন ঃ লোকসভাৰ বিৰোধী উপদলপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈক সোমবাৰে এক সম্পূৰ্ণ ভিন্ন আৰু ব্যতিক্ৰমী ৰূপত দেখা □ ৬ পৃষ্ঠাত

■ নিৰাপত্তাজনিত উদ্বেগত গড়কাপ্তানি বিভাগৰ নিৰ্দেশ ■

কলকাতাৰ লেক টাউনৰ পৰা আঁতৰালে এছিয়াৰ সৰ্বোচ্চ লিঅ'নেল মেছিৰ প্ৰতিমূৰ্তি

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ জুন ঃ এছিয়াৰ সৰ্বোচ্চ বুলি বিবেচিত লিঅ'নেল মেছিৰ ৭০ ফুট উচ্চতাৰ বিশাল প্ৰতিমূৰ্তিটো সোমবাৰে জৰুৰীকালীনভাৱে আঁতৰোৱা হয়। কলকাতাৰ লেক টাউন অঞ্চলত স্থাপিত এই প্ৰতিমূৰ্তিটো স্থানীয় ৰাইজে উত্থাপন কৰা নিৰাপত্তাজনিত উদ্বেগৰ প্ৰতি লক্ষ্য ৰাখি গড়কাপ্তানি বিভাগৰ বিষয়াসকলে স্থানান্তৰৰ নিৰ্দেশ প্ৰদান কৰে। অত্যধিক ব্যস্ত আৰু যান-বাহনৰ চলাচল থকা অঞ্চলত অৱস্থিত এই বিশাল গাঁথনিটোৱে ৰাইজৰ নিৰাপত্তাৰ প্ৰতি এক সম্ভাব্য ভাবুকি কঢ়িয়াই আছিল। স্থানীয় লোকসকলে এই সন্দৰ্ভত প্ৰশাসনক অৱগত কৰাৰ পিছতেই দিনৰ ভাগত মূৰ্তিটো স্থানান্তৰৰ কাম আৰম্ভ কৰা হয়। চৰকাৰী ক্ৰেন আৰু অন্যান্য গধুৰ □ ৬ পৃষ্ঠাত

Application Submission Deadline
15 June 2026

Nālandā UNIVERSITY
An Avant-Garde International University under the aegis of the Ministry of External Affairs, Govt. of India.
(Established by an Act of Parliament of India)

Admissions Open 2026

PROGRAMMES: MA/MSc/MBA
- Hindu Studies (Sanātana Dharma)
- Ecology and Environment Studies
- Historical Studies
- Buddhist Studies, Philosophy and Comparative Religions
- Sustainable Development and Management
- Archaeology
- World Literature in English
- Mathematics
- International Relations and Peace Studies
- Philosophy
- Economics
- Hindi

Scholarships
- ASEAN
- BHUTAN
- BIMSTEC
- ICCR
- THAILAND
- NU Academic Excellence and more...

Scan here to apply

HIGHLIGHTS
• Net - Zero Sustainable Campus • Interdisciplinary Programmes • Cafeteria Model of Courses • Extra Credit Courses • Experiential Learning • International Visiting Faculty • State of the Art Library • Residential Campus. • Smart Classrooms • Wi-Fi Campus • Sports, Yoga, Gym and Athletic Facilities • Medical Centre • Shopping Arcade • Gender Inclusivity • Cross Civilizational Learning

NALANDA UNIVERSITY
PARTICIPATING COUNTRIES
India, Australia, Bangladesh, Bhutan, Brunei Darussalam, Cambodia, China, Indonesia, Mauritius, Myanmar, Lao-PDR, New Zealand, Portugal, Singapore, South Korea, Sri Lanka, Thailand, Vietnam

Admission Help line
+91-6112-255330/+91-9031027489/+91-7033291552
For more details visit us: www.nalandauniv.edu.in
admission@nalandauniv.edu.in

বেংক একাউণ্ট হেক কৰি পাঁচ লক্ষাধিক টকা লুটিলে বজালবাৰীৰ আৰব আলীৰ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰূপথাৰ, ১ জুন ঃ কিমান সুৰক্ষিত আপোনাৰ বেংক একাউণ্ট? আপুনি স্মাৰ্ট ফোন ব্যৱহাৰ কৰে নেকি? যদিহে কৰে তেন্তে সাৱধান হওক। অন্যথা মুহূৰ্ততে উদং হব পাৰে আপোনাৰ কষ্টোপাৰ্জিত ধন। কাৰণ প্ৰবঞ্চকে অনলাইন যোগে আপোনাৰ একাউণ্ট নতুবা মোবাইল ফোন হেক কৰি ধন লুটিবলৈ বিভিন্ন জাল পাতিছে। তেনে এক দুষ্ট চক্ৰৰ চক্ৰান্তৰ বলি হ'ল সৰূপথাৰৰ এজন লোক। সৰূপথাৰ সমজিলাৰ উৰিয়ামঘাট আৰক্ষী থানাৰ অন্তৰ্গত বজালবাৰী অঞ্চলৰ মহম্মদ আৰব আলী নামৰ এজন যুৱকৰ একাউণ্টৰ পৰা প্ৰবঞ্চকে লুটিলে পাঁচ লক্ষাধিক টকা। জানিব পৰা তথ্য মতে আৰব আলী এজন তামোল-পাণৰ সাধাৰণ বেপাৰ কৰি চলি ফুৰা যুৱক। আৰবে সৰূপথাৰ নগৰ স্থিত আই.চি.আই.চি.আই. বেংকৰ পৰা যোৱা জানুৱাৰী মাহত ১লাখ ৯০হাজাৰ টকাৰ এটি পাৰ্ছনেল লোণ লৈছিল। কিন্তু লোণ লৈ মাত্ৰ চাৰিটা কিস্তি পৰিশোধ কৰাৰ পিছতেই কোনো প্ৰবঞ্চকে অনলাইন যোগে তেওঁৰ একাউণ্টটো হেক কৰি মুঠ ৯৪হাজাৰ টকা লৈ যায়। পিছত তেওঁ উক্ত ঘটনা সন্দৰ্ভত ২৪ঘণ্টাৰ ভিতৰত গোলাঘাটৰ চাইবাৰ ক্ৰাইম ব্ৰাঞ্চত অভিযোগ দাখিল কৰে। আৰবৰ সেই দুখ মাৰ নৌযাওঁতেই পুনৰ এক প্ৰবঞ্চনাৰ বলি হ'ল তেওঁ। তেওঁৰ অভিযোগ মতে সৰূপথাৰ নগৰৰ আই.চি.আই.চি.আই. বেংকে আৰবক পুনৰ এক চিচি লোণৰ অফাৰ আগবঢ়ালে। সৰূপথাৰ নগৰৰ আই.চি.আই.চি.আই. বেংক শাখাৰ পৰা আৰবক ফোন কৰি ঘৰৰ পৰা মাতি নি এই চিচি লোণৰ অফাৰৰ বিষয়ে অৱগত কৰে। আৰবে প্ৰথমে সেই লোণ লবলৈ অমান্য হৈছিল যদিও পিছত বেংকৰ ফালৰ পৰা এটি নতুন একাউণ্ট খুলি যোৱা এপ্ৰিল মাহৰ ২৮তাৰিখে উল্লিখিত চিচি লোণৰ নামত তেওঁক মুঠ ৪লাখ ৭০হাজাৰ টকা আগবঢ়ালে। কিন্তু আৰবৰ ভাগ্যত সেই ধনৰাশি ব্যৱহাৰ কৰাৰ সুযোগ নাছিল। তেওঁৰ অভিযোগ মতে পুনৰ তেওঁৰ একাউণ্টৰ পৰা কোনো প্ৰবঞ্চকে অনলাইন যোগে মুঠ ৪লাখ ২১হাজাৰ টকা হৰলুকি কৰি নিলে। এজন সাধাৰণ তামোল-পাণৰ বেপাৰ কৰি চলা যুৱকৰ বাবে এতিয়া লোণৰ মোটা অংক ধনৰ এটকাও ব্যৱহাৰ কৰিবলৈ নোপোৱাকৈ তেওঁ কিদৰে লোণৰ কিস্তি পৰিশোধ কৰিব আৰু চিচি লোণৰ ধনৰাশি একাউণ্টত ভৰাব তাকে লৈ গভীৰ ভাৱে চিন্তিত হৈ পৰিছে। আৰবে যিকেইটা পইছা উপাৰ্জন কৰে সেইয়া নিজে চলিবলৈকে নোযোৰে। তেনেস্থলত তেওঁৰ সৰগ ভাঙি মূৰত পৰাৰ দৰে অৱস্থা হৈছে। ঘটনা সংঘটিত হোৱাৰ পিছত তেওঁ বেংক আৰু আৰক্ষী থানাৰ দুৱাৰে দুৱাৰে দৌৰি দৌৰি সদোত্তৰ নোপোৱাত শেষত উক্ত ঘটনা সন্দৰ্ভত পুনৰ গোলাঘাট চাইবাৰ ক্ৰাইম শাখাত গোচৰ দিয়ে। আৰবে জনোৱা মতে চাইবাৰ ক্ৰাইম শাখাই উক্ত ঘটনা অনুসন্ধান কৰি অভিজিত দাস নামৰ এজন প্ৰবঞ্চকে উজ্জীৱন ফাইনেঞ্চ বেংকৰ একাউণ্টত সেই ধনৰাশি অনলাইনযোগে ট্ৰেন্সফাৰ কৰিছে বুলি তেওঁক তথ্য দিয়ে। কিন্তু ঘটনা হোৱাৰ কেইবাটাও দিন বাগৰাৰ পিছতো আজি পৰ্যন্ত আৰবে হৰলুকি হোৱা সেই ধন ঘূৰাই নাপালে। শেষত আৰবে এই ঘটনা সন্দৰ্ভত বেংকৰ ওপৰতে সন্দেহ উপজিছে বুলি অভিযোগ দাঙি ধৰে। তেওঁ কয়- আই.চি.আই.চি.আই. বেংকে মোৰ সৈতে এটা প্ৰবঞ্চকৰ ঘটনা হৈ যোৱাৰ সকলো কথা গম পোৱাৰ পিছতো কিয় বেংক কৰ্তৃপক্ষই মোকযোৰ কৰি পুনৰ এক বৃহৎ ধনৰ চিচি লোণ প্ৰদান কৰে বুলি বেংকটোৰ ওপৰত গুৰুতৰ অভিযোগ তোলে। শেষত উপায়ন্তৰ হৈ আৰব আলী নামৰ দৰিদ্ৰ যুৱকজনে সংবাদ মাধ্যমক ঘটনাটোৰ বিষয়ে সবিশেষ অৱগত কৰে। ইফালে সৰূপথাৰ আই.চি.আই.চি.আই বেংকৰ শাখা পৰিচালকে এইটো ঘটনাৰ বেংকৰ লগত কোনো সম্বন্ধ নাই, এইটো প্ৰবঞ্চকে সম্পূৰ্ণ অনলাইন যোগে মোবাইল ফোন আৰু একাউণ্ট হেক কৰি ধন আত্মসাৎ কৰা ঘটনা বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। এতিয়া প্ৰশ্ন হয় আই.চি.আই.চি.আই. বেংকে তামোল-পাণৰ বেপাৰ কৰি চলা এজন সাধাৰণ যুৱকক কিহৰ ওপৰত ভিত্তি কৰি পূৰ্বতে থকা লোণৰ কিস্তি শেষ নহওঁতেই তথা তেওঁৰ একাউণ্টত থকা লোণৰ ধন প্ৰবঞ্চকে লুটি নিয়া কথা জনাৰ পিছতো ইমান এটা মোটা অংকৰ চিচি লোণ প্ৰদান কৰিলে? নে এই ক্ষেত্ৰত বেংকে কিবা ষড়যন্ত্ৰ ৰচিছে নেকি? অৱশ্যে এই সকলোবিলাক প্ৰশ্ন আৰু ৰহস্য সন্দৰ্ভত চাইবাৰ ক্ৰাইম বিভাগে সঠিক তদন্ত কৰিলেহে প্ৰকৃত সত্য পোহৰলৈ আহিব।

ধেমাজি মাছখোৱাত ‘প্ৰেৰণাৰ এপযেক’ কাৰ্যসূচী

হোমেন বৰগোহাঞিৰ মৃত্যু বাৰ্ষিকী উদ্‌যাপন

অসম বাৰ্তা, ধেমাজি, ১ জুন ঃ বিশিষ্ট কথাশিল্পী, সাংবাদিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অসমৰ সংবাদ জগতৰ মহীৰূহস্বৰূপ হোমেন বৰগোহাঞিৰ মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি তেওঁৰ জন্মস্থান ঢকুৱাখনাত হোমেন বৰগোহাঞি ন্যাসৰ উদ্যোগত ‘প্ৰেৰণাৰ এপযেক’ নামকৰণেৰে এলানি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিশিষ্ট সাংবাদিকগৰাকীৰ সৃষ্টিৰাজি আৰু আদৰ্শ নতুন প্ৰজন্মক পৰিচিত কৰি ৰখাৰ মানসেৰে গঠন কৰা হোমেন বৰগোহাঞি ন্যাস আৰু প্ৰেছ গীল্ড, ঢকুৱাখনাৰ যৌথ উদ্যোগত ১২ মে'ত হোমেন বৰগোহাঞিয়ে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা ঢকুৱাখনা চৰকাৰী মজলীয়া (বৰ্তমান উচ্চ মাধ্যমিক) বিদ্যালয়ত আৰম্ভ কৰা ২০২৬ বৰ্ষৰ ‘প্ৰেৰণাৰ এপযেক’ ২৯ মে'ত মাছখোৱা টাউন হাইস্কুলত সামৰণি পৰে। হোমেন বৰগোহাঞিৰ জীৱিত কালতে ২০১২ চনত প্ৰতিষ্ঠা কৰা ন্যাসৰ উদ্যোগত ২০২২ চনৰ পৰা কথাশিল্পীগৰাকীৰ মৃত্যু তিথিৰ পৰা এই ‘প্ৰেৰণাৰ এপযেক’ পালন কৰি অহা হৈছে। এইবেলিৰ কাৰ্যসূচীৰ প্ৰথম দিনটো ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ত পালন কৰাৰ পিচত ক্ৰমে ১২ মে'ত পি. এম শ্ৰী গোবিন্দপুৰ মজলীয়া বিদ্যালয়, ১৪ মে'ত মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়, ১৫ মে'ত পশ্চিম ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ১৮ মে'ত ঢকুৱাখনা বালিকা জ্যেষ্ঠ উচ্চ মাধ্যমিক বিদ্যালয়, ২১ মে'ত ঢকুৱাখনা টাউন হাইস্কুলত, ২২ মে'ত সৰ্বোদয় হাইস্কুলত, ২৫ মে'ত কেঁকুৰি বিল্লাম হাইস্কুলত, ২৬ মে'ত ভোমা জাৰণি হাইস্কুলত অনুষ্ঠিত কৰাৰ পিচত ২৯ মে'ত মাছখোৱা টাউন হাইস্কুলত কাৰ্যসূচীৰ অন্ত পেলোৱা হয়। হোমেন বৰগোহাঞি ন্যাসৰ সাহিত্য সম্পাদক হেমন্ত কুমাৰ বৰুৱাই আঁত ধৰা অনুষ্ঠানত হোমেন বৰগোহাঞি ন্যাসৰ সচিব সেৱক চন্দ্ৰ চুতীয়া, সমন্বয়ক দুলেন চমুৱা, প্ৰেছ গীল্ডৰ সভাপতি তথা সাংবাদিক তোলন চন্দ্ৰ দত্ত, সম্পাদক পুলকজ্যোতি বৰা, সাহিত্য সচিব তথা প্ৰেছ গীল্ডৰ জ্যেষ্ঠ সদস্য হেমন্ত কুমাৰ বৰুৱাই হোমেন বৰগোহাঞিৰ জীৱন আৰু কৰ্মৰ বিভিন্ন দিশৰ ওপৰত আলোচনা আগবঢ়ায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অমল প্ৰেৰণাৰ উৎস হিচাপে হোমেন বৰগোহাঞিৰ লেখাসমূহৰ ওপৰত বক্তাসকলে অৱলোকন কৰে। মাছখোৱা টাউন হাইস্কুলত অনুষ্ঠিত ‘প্ৰেৰণাৰ এপযেক'ৰ অন্তিমটো অনুষ্ঠান শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষক গোবিন দত্তই আদৰণী ভাষণেৰে আৰম্ভ কৰে। হেমন্ত কুমাৰ বৰুৱাই আঁত ধৰা সভাখনত উপস্থিত থাকি ন্যাসৰ সচিব সেৱক চন্দ্ৰ চুতীয়াই জীৱন সম্পৰ্কে হোমেন বৰগোহাঞিৰ দৰ্শন আৰু তেওঁ কিদৰে জীৱনৰ প্ৰতিটো ক্ষণ উদ্যাপন কৰিবলৈ প্ৰেৰণা যোগাইছিল তাক দাঙি ধৰাৰ লগতে ত্যাগৰ আদৰ্শৰে কিদৰে হোমেন বৰগোহাঞিয়ে অসমীয়া জাতিৰ প্ৰতি অমূল্য অৰিহণা যোগাই ছিল সেই সম্পৰ্কে আলোকপাত কৰে। চুতীয়াই লগতে ছাত্ৰ-ছাত্ৰীসকলক সৰ্বদা শিক্ষক আৰু জ্যেষ্ঠসকলৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ আহ্বান জনায়। সভাখনত ঢকুৱাখনা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা কল্পনা গগৈয়ে জ্ঞান অৰ্জনৰ বাবে অধ্যয়নৰ বিকল্প নাই বুলি মন্তব্য কৰি ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। সভাখনত ন্যাসৰ সমন্বয়ক দুলেন চমুৱাই হোমেন বৰগোহাঞিৰ লেখাৰ উদ্ধৃতিৰে ছাত্ৰ-ছাত্ৰীসকলক পঢ়ি মনত ৰখাৰ কৌশলব বিষয়ে কয়। অনুষ্ঠানটোত বিদ্যালয়খনৰ প্ৰধান শিক্ষক গোবিন দত্তয়ো বক্তব্য আগবঢ়ায়। দুই শতাধিক ছাত্ৰ-ছাত্ৰী, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু বহুসংখ্যক অভিভাৱকৰ লগতে অনুষ্ঠানত ন্যাসৰ সদস্য অৰূপ বৰুৱা উপস্থিত থাকে।

বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে মৰিগাঁৱৰ শিক্ষানুষ্ঠানৰ সমীপৰ ব্যৱসায় প্ৰতিষ্ঠানত অভিযান; জব্দ বৃহৎ পৰিমাণৰ ধঁপাতজাতীয় সামগ্ৰী

শিক্ষানুষ্ঠান-চিকিৎসালয়ত ধঁপাত বিৰোধী দিৱস পালন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১ জুন ঃ বিশ্ব ধঁপাত বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি আৰু চিগাৰেট আৰু অন্যান্য ধঁপাতজাতীয় সামগ্ৰী আইন ২০০৩-ৰ বিধি অনুসৰি আজি মৰিগাঁও মহাবিদ্যালয়ৰ লগতে নগৰখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ১০০ গজৰ ভিতৰত ধঁপাতজাতীয় সামগ্ৰী বিক্ৰীৰ বিৰুদ্ধে অভিযান চলোৱা হয়। অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) নিতিশা বৰাৰ নেতৃত্বত সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁই আৰু মৰিগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কংকন জ্যোতি শইকীয়াৰ লগতে স্থানীয় আৰক্ষীয়ে এই অভিযানত অংশগ্ৰহণ কৰে। অভিযানকাৰী দলে শিক্ষানুষ্ঠানৰ ১০০ গজ ব্যাসাৰ্ধৰ ভিতৰত থকা দোকান আৰু ব্যৱসায় প্ৰতিষ্ঠানসমূহ পৰিদৰ্শন কৰে। অভিযানকালত কটপা ২০০৩-ৰ বিধি উলংঘা কৰি বৃহৎ পৰিমাণৰ ধঁপাতজাতীয় সামগ্ৰী বিক্ৰী হৈ থকাটো ধৰা পৰে। আইন ভংগকাৰীসকলৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আইন কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ প্ৰদান কৰা হয়। অভিযানকালত বিষয়াসকলে ব্যৱসায়ী আৰু ৰাইজৰ সৈতেও মত বিনিময় কৰি ধঁপাত সেৱনৰ কুফল আৰু শিক্ষানুষ্ঠানৰ কাষত ধঁপাতজাতীয় সামগ্ৰী বিক্ৰীৰ ওপৰত থকা আইনগত নিষেধাজ্ঞাৰ বিষয়ে সজাগতাৰ সৃষ্টিৰ প্ৰয়াস কৰে। উল্লেখযোগ্য যে অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) নিতিশা বৰাই ইতিমধ্যে জিলাখনৰ সকলো চক্ৰ বিষয়াক নিজ নিজ এলেকাত নিয়মীয়াকৈ আৰু কঠোৰভাৱে এনে অভিযান চলাবলৈ নিৰ্দেশ দিছে, যাতে চিগাৰেট আৰু অন্যান্য ধঁপাতজাতীয় সামগ্ৰী আইন ২০০৩-ৰ বিধিসমূহৰ সঠিক পালন নিশ্চিত কৰিব পৰা যায়। ইফালে, বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে মৰিগাঁও জিলা ধঁপাত নিয়ন্ত্ৰণ কোষে ৩০ মে'ৰ পৰা ৫ জুনলৈকে জনসাধাৰণ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ধঁপাত সেৱনৰ ফলত স্বাস্থ্য আৰু পৰিৱেশৰ ওপৰত হোৱা ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে সপ্তাহজোৱা বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি জিলাখনৰ বিভিন্ন স্থানত শিক্ষানুষ্ঠানৰ ১০০ গজ ব্যাসাৰ্ধৰ ভিতৰত কতপা ২০০৩-ৰ ধাৰা ৬(বি) উলংঘা কৰি ধঁপাতজাতীয় সামগ্ৰী বিক্ৰীৰ বিৰুদ্ধে এক অভিযান চলোৱা হয়। ৩১ মে' দেওবাৰ হোৱা বাবে মৰিগাঁও জিলাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু চিকিৎসালয়ত আগতীয়াকৈ বিশ্ব ধঁপাত বিৰোধী দিৱস পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়সমূহত “ধঁপাত সেৱনৰ ফলত স্বাস্থ্যৰ ওপৰত কুপ্ৰভাৱ” বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতা আৰু “ধঁপাত আৰু যুৱ সমাজ” বিষয়ক শ্লোগান লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে জিলাখনৰ সকলো বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে ধঁপাতমুক্ত সমাজ গঠনৰ লক্ষ্যৰে ধঁপাত বিৰোধী পণ গ্ৰহণ কৰে। জিলা ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ ন'ডেল বিষয়া ডাঃ জয়া প্ৰভা বড়োৱে জানিবলৈ দিয়ে যে, বিশ্ব ধঁপাত নিষিদ্ধ দিৱস উপলক্ষে কাইলৈ পুৱা ৯:৩০ বজাত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ পৰা এক সজাগতা সমদল উলিওৱা হ'ব। ইয়াৰ উপৰি পুৱা ১১ বজাত পবিতৰা হাটত এখনি সজাগতা সভা অনুষ্ঠিত হ'ব। উক্ত সমদল আৰু সভাত অংশগ্ৰহণ কৰিবলৈ সকলোকে আন্তৰিকভাৱে আমন্ত্ৰণ জনোৱা হৈছে।

নগাঁৱৰ বিশিষ্ট লেখিকা, অৱসৰপ্ৰাপ্ত অধ্যক্ষা দীপ্তি বৰাৰ দুখন গ্ৰন্থ উন্মোচন

দীপ্তি বৰাৰ গল্পত জীৱনৰ, সমাজৰ স্পন্দন আৰু মনোজগতৰ সূক্ষ্ম অনুৰণন ঘটিছেঃ ড° শৰৎ বৰকটকী

অসম বাৰ্তা, পুৰণিগুদাম, ১ জুন ঃ গল্পকাৰ দীপ্তি বৰাৰ নতুন গল্পপুথিৰ উন্মোচন কেৱল এখন গ্ৰন্থৰ আত্মপ্ৰকাশ নহয়, ই এক সৃষ্টিশীল মনৰ অনুভৱ, অভিজ্ঞতা, সমাজ-বাস্তৱতা আৰু জীৱনবোধৰ নতুন দিগন্ত উন্মোচনৰ ক্ষণ। গল্প হৈছে জীৱনৰেই প্ৰতিচ্ছবি। মানুহৰ সুখ—দুখ, আশা—নৈৰাশ্য, দ্বন্দ্ব—সংঘাত, প্ৰেম—বিৰহ, সমাজৰ সৰু সৰু ঘটনাৰ মাজতেই গল্পৰ জন্ম হয়। এগৰাকী গল্পকাৰ চিন্তাৰ স্থপতি, সত্যৰ বুৰঞ্জী লেখক। এজন সংবেদনশীল লেখকে সেই অভিজ্ঞতাক নিজৰ অন্তৰৰ জৰিয়তে, কৌতূহল অন্তৰ্দৃষ্টিৰে শিল্পৰ ৰূপ দিয়ে। দীপ্তি বৰাৰ লেখনিতো আমি জীৱনৰ নানা অনুচ্চাৰিত কাহিনী, সমাজৰ স্পন্দন আৰু মানুহৰ মনোজগতৰ সূক্ষ্ম অনুৰণন অনুভৱ কৰিবলৈ পাওঁ। নগাঁৱৰ উজৰাগাঁৱৰ শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি বিশিষ্ট লেখিকা দীপ্তি বৰাৰ “দেউতাৰ পদূলিত ফুলিছে শেৱালি” নামৰ গল্প সংকলনখনি উন্মোচন কৰি এই মন্তব্য কৰে নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ডঃ শৰৎ বৰকটকীয়ে। তেওঁ আৰু কয়, এজন লেখকৰ সৃষ্টিৰ আঁৰত থাকে অধ্যৱসায়, গভীৰ পৰ্যবেক্ষণ আৰু সমাজ-মানৱৰ প্ৰতি এক আন্তৰিক দায়বদ্ধতা। সাহিত্য কেৱল মনোৰঞ্জনৰ উপকৰণ নহয়, সাহিত্য হৈছে সময়ৰ দলিল, সমাজৰ দাপোণ আৰু মানুহৰ বিবেকৰ কণ্ঠস্বৰ। এই বিশ্বাসক বুকুত লৈ দীপ্তি বৰাই সাহিত্য সাধনাৰ যি পথ বাছি লৈছে, সেয়া নিঃসন্দেহে প্ৰশংসনীয়। এগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত বিশিষ্ট শিক্ষাবিদ ড° বৰকটকীয়ে প্ৰসঙ্গক্ৰমে কয় যে, আজিৰ এই উন্মোচিত গল্পপুথিখনে পাঠক সমাজত নতুন চিন্তাৰ খোৰাক যোগাব, সাহিত্য ৰসিকসকলৰ হৃদয় স্পৰ্শ কৰিব আৰু অসমীয়া গল্প সাহিত্যৰ ভঁৰাল অধিক সমৃদ্ধ কৰিব বুলি মোৰ বিশ্বাস। অনুষ্ঠানত লেখিকাৰ আনখন কবিতা সংকলন “ধূলিয়ৰী বাটত” উন্মোচন কৰি অৱসৰপ্ৰাপ্ত প্ৰৱক্তা, লেখক আব্দুল চালেমে কয়, এই কবিতা পুথিখনৰ বেছি সংখ্যক কবিতা মূলতঃ গ্ৰাম্যজীৱনৰ পটভূমিত ৰচনা কৰা হৈছে। ইয়াৰ মাজেদি একো একোখন গ্ৰাম্য সমাজৰ দৃশ্যপট পৰিস্ফুট হৈ পৰিছে। লেখিকাৰ পূৰ্ব প্ৰকাশিত দুখন গ্ৰন্থৰ প্ৰসঙ্গ উত্থাপন কৰি তেওঁ কয় যে, আগৰ কেইখনৰ দৰে আজি উন্মোচিত গ্ৰন্থ দুখনিয়েও পাঠকক বাৰুকৈয়ে সন্মোহিত কৰিব। অনুষ্ঠানত হোজাই কলেজৰ প্ৰৱক্তা ড° দীপক বৰা, শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৰামেশ্বৰ বৰা, বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মাধৱ শইকীয়া, কবি নীলকমল বৰা আদিয়েও গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। অনুষ্ঠানটোত লেখিকাইও মনৰ ভাব ব্যক্ত কৰি তেওঁ শৈশৱৰে পৰা গ্ৰাম্য সমাজত কটাই লাভ কৰা ভিন্ন অভিজ্ঞতাখিনি লেখাৰ মাজেৰে সঞ্চিত কৰি ৰাখিবলৈ চেষ্টা কৰা বুলি মন্তব্য কৰে। শিক্ষক যজ্ঞেশ্বৰ ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানটোত অধ্যক্ষা দেৱশ্ৰী বৰ্মন, অৱসৰপ্ৰাপ্ত অধ্যক্ষা দীপিকা লস্কৰ, সাহিত্যকৰ্মী উপেন বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক বদন বৰা, নোমল বৰা, নিত্যানন্দ বৰা, সাহিত্যকৰ্মী যতীন সূত, উৎপল কুমাৰ বৰা, নবীন বৰা, সমাজসেৱক কুলেন বৰা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

খন্দকাৰ পাৰা-কাজীৰমেল সংযোগী পথ জৰাজীৰ্ণ; শীঘ্ৰে মেৰামতিৰ দাবী ৰাইজৰ

অসম বাৰ্তা, কুমুল্লী পৰা, ১ জুন ঃ বৰপেটা জিলাৰ ২৫ নং পাকাবেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত খন্দকাৰ পাৰা বজাৰৰ পূবফালে অৱস্থিত চাৰিআলিৰ পৰা কাজীৰমেলৈ যোৱা আনুমানিক ছয়ৰ পৰা সাত কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৰুত্বপূৰ্ণ সংযোগী পথটো বিগত কেইবাবছৰ ধৰি অতি জৰাজীৰ্ণ অৱস্থাত থকাৰ ফলত স্থানীয় ৰাইজে নানান দুৰ্ভোগৰ সন্মুখীন হ'বলগীয়া হৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, প্ৰায় চাৰি-পাঁচ বছৰৰ পৰা পথটোৰ কোনো উল্লেখযোগ্য মেৰামতিৰ কাম সম্পন্ন কৰা হোৱা নাই। ফলস্বৰূপে পথটোৰ বিভিন্ন অংশত ডাঙৰ-ডাঙৰ গাঁতৰ সৃষ্টি হৈছে আৰু সামান্য বৰষুণতে পথটো অধিক বিপজ্জনক ৰূপ ধাৰণ কৰে। প্ৰতিদিনে এই পথেদি যাতায়াত কৰা ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, চাকৰিয়াল, চিকিৎসালৈ অহা-যোৱা কৰা বেমাৰী আৰু সাধাৰণ পথচাৰীয়ে বিশেষ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। ৰাইজে জনোৱা মতে, সমষ্টি পুনৰ নিৰ্ধাৰণ (Delimitation) হোৱাৰ পূৰ্বে পথটো বৰপেটা সদৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত আছিল। সেই সময়ছোৱাতো পূৰ্বৰ বিধায়ক আব্দুৰ ৰহিম আহমেদে পথটোৰ উন্নয়নৰ ক্ষেত্ৰত কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰা নাছিল। বৰ্তমান পথটো পাকাবেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত হোৱাত স্থানীয় ৰাইজে নৱনিৰ্বাচিত বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ দৃষ্টি আকৰ্ষণ কৰি পথটো অতি শীঘ্ৰে মেৰামতি আৰু পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ৰাইজৰ মতে, অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়ন আৰু দৈনন্দিন যাতায়াত ব্যৱস্থা সুগম কৰাৰ স্বাৰ্থত পথটোৰ উন্নয়ন এতিয়া সময়ৰ দাবীত পৰিণত হৈছে। সংশ্লিষ্ট বিভাগ আৰু জনপ্ৰতিনিধিসকলে বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি স্থানীয় লোকসকলে আশা প্ৰকাশ কৰিছে।

আমচৈত পুষ্প বৃষ্টিৰে বিদায় সম্বৰ্ধনা শিক্ষক প্ৰমোদ দাস

অসম বাৰ্তা, ৰহা, ১ জুন ঃ ঐতিহ্যমণ্ডিত আমচৈ চহৰী প্ৰাথমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰমোদ দাসক আজি ৰাজহুৱাকৈ সম্বৰ্দ্ধনা জনোৱা হয়। এই উপলক্ষে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। দিনৰ প্ৰায় ১২ মান বজাৰ পৰা অনুষ্ঠিত হোৱা সভালৈ পুষ্প বৃষ্টি, খোল-তাল আৰু হৰি-নামৰ ধ্বনিৰে আদৰি অনা হয়। আমচৈ অঞ্চলৰ বিশিষ্ট সমাজ সেৱক সুৰেন্দ্ৰ নাথ কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক দিপজ্যোতি শইকীয়াই। চহৰী যুৱ সংঘৰ ৰাজহুৱা মঞ্চত অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাখনত অঞ্চলটোৰ ৰাইজ ছাত্ৰ ছাত্ৰীৰ লগতে বিভিন্ন দল সংগঠনে সম্বৰ্ধনা জনাই। ১৯৯৬ চনৰে পৰা নিজ চহৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰি ২০০৭ চনৰে পৰা প্ৰধান শিক্ষক হিচাপে সেৱা আগবঢ়াই অহা প্ৰমোদ দাসৰ বিদায়ী সভাত কণ কণ ছাত্ৰ ছাত্ৰীৰ লগতে বিভিন্ন জনে গামোচা, চেলেং, শৰাই, ধৰ্ম গ্ৰন্থ সহ বিভিন্ন সামগ্ৰীৰে সম্বৰ্দ্ধনা জনাই। আজি বিদায়ী সভাত অঞ্চলটোৰ বিশিষ্ট সমাজ সেৱক দুলাল ডেকা, আমচৈ পূব আৰু উত্তৰ খণ্ডৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক হীৰেন ডেকা, অবসৰ প্ৰাপ্ত শিক্ষক প্ৰদীপ বৰদলৈ, শিক্ষক মুনিন্দ্ৰ বৰদলৈ, দীপক দাস সহ বহুকেইজন ব্যক্তিয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। সভাৰ শেষত অঞ্চলটোৰ পুৰুষ মহিলা সকলে শিক্ষক গৰাকীক লৈ এক শোভাযাত্ৰা বাহিৰ কৰে।

মৰিয়নিৰ নিলাচল হোটেলত ৰহস্যজনকভাৱে কৰ্মচাৰীৰ মৃতদেহ উদ্ধাৰ

অসম বাৰ্তা, মৰিয়নি, ১ জুন ঃ মৰিয়নি নগৰৰ নিলাচল হোটেলত পুনৰ এক চাঞ্চল্যকৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দেওবাৰে হোটেলখনৰ পিছফালে ৰহস্যজনক অৱস্থাত এগৰাকী যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো হোটেলখনৰ কৰ্মচাৰী প্ৰশান্ত দাসৰ বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, প্ৰশান্ত দাসৰ ঘৰ গোলাঘাট জিলাৰ দেৰগাঁৱত। স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি খবৰ দিয়াৰ পিছতে ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পোৱাৰ পিছত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, কেইমাহমান পূৰ্বেও নিলাচল হোটেলত কৰ্মৰত এগৰাকী ৰান্ধনীৰ ৰহস্যজনক মৃত্যু সংঘটিত হৈছিল। তদুপৰি, প্ৰায় এক সপ্তাহ পূৰ্বে হোটেলখনত বিক্ৰী হোৱা এটা কেকৰ ভিতৰত মামৰে ধৰা ব্লেড উদ্ধাৰ হোৱাৰ ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। একেখন হোটেলতে ধাৰাবাহিকভাৱে সংঘটিত এনে ঘটনাসমূহে স্থানীয় ৰাইজৰ মাজত উদ্বেগ বৃদ্ধি কৰিছে। প্ৰশান্ত দাসৰ মৃত্যুৰ প্ৰকৃত কাৰণ আৰক্ষীৰ তদন্তৰ অন্ততহে পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে।

চিৰাজুলিত অভিযান চলাই ১১ কেজি গাঞ্জাসহ যুৱক আটক; মাদকবিৰোধী অভিযান অব্যাহত আৰক্ষীৰ

ঢেকীয়াজুলিত আৰক্ষীৰ বৃহৎ সফলতা

অসম বাৰ্তা, ঢেকীয়াজুলি, ১ জুন ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষীয়ে পুনৰ এবাৰ মাদকবিৰোধী অভিযানত উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। গোপন সূত্ৰৰ ভিত্তিত চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে চিৰাজুলি অঞ্চলৰ পৰা প্ৰায় ১১ কিলোগ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে এজন যুৱকক আটক কৰে। জানিব পৰা মতে ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসৰ নিৰ্দেশত উপ-পৰিদৰ্শক ইন্দ্ৰেশ্বৰ হাতী বৰুৱাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে চিৰাজুলি অঞ্চলত এক বিশেষ অভিযান চলায়। আৰক্ষীৰ ওচৰত আগতীয়াকৈ লাভ কৰা এক গোপন তথ্যৰ ভিত্তিত এই অভিযান পৰিচালনা কৰা হৈছিল। অভিযানৰ সময়ত আৰক্ষীয়ে সন্দেহজনকভাৱে মজুত কৰি ৰখা প্ৰায় ১১ কেজি গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। লগতে ঘটনাস্থলীৰ পৰাই লক্ষ্মণ গড় (১৮) নামৰ এজন যুৱকক আটক কৰা হয়। আৰক্ষীৰ প্ৰাথমিক তদন্ত অনুসৰি আটকাধীন যুৱকজনৰ ঘৰ মাজবাট অঞ্চলত বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জব্দ কৰা গাঞ্জাখিনিৰ বজাৰ মূল্য যথেষ্ট হ'ব বুলি অনুমান কৰা হৈছে। ইতিমধ্যে জব্দকৃত সামগ্ৰীসমূহ আৰক্ষীয়ে নিজৰ জিম্মাত লৈ আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই ঘটনাৰ সৈতে জড়িত আন কোনো ব্যক্তি বা মাদক সৰবৰাহ চক্ৰ জড়িত আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। সূত্ৰৰ মতে শেহতীয়াকৈ ঢেকীয়াজুলি আৰক্ষীয়ে মাদকদ্ৰব্য, অবৈধ সৰবৰাহ আৰু সমাজবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। ফলস্বৰূপে এটাৰ পিছত এটা অভিযানত আৰক্ষীয়ে সফলতা লাভ কৰি আহিছে। এই সফলতাই স্থানীয় ৰাইজৰ মাজতো সন্তুষ্টিৰ সৃষ্টি কৰিছে। ইফালে, মাদকমুক্ত সমাজ গঠনৰ লক্ষ্যৰে আৰক্ষীয়ে আগন্তুক দিনতো এনে অভিযান অধিক জোৰদাৰভাৱে চলাই যাব বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। ইপিনে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ সভাপতি মোহন তাঁতী, সনাতনী বীৰ হিন্দু সেনাৰ ৰাজ্যিক নেতা মণিকণ দাসৰ লগতে স্থানীয় সচেতন মহলেও আৰক্ষীৰ এই তৎপৰতা আৰু সফলতাক আদৰণি জনাইছে। উল্লেখ্য যে, ৰাজ্যজুৰি মাদকবিৰোধী অভিযান তীব্ৰতৰ হৈ থকাৰ সময়তে ঢেকীয়াজুলি আৰক্ষীৰ এই সফলতাক এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে। আৰক্ষীয়ে আটকাধীন যুৱকজনক সোধ-পোছ অব্যাহত ৰাখিছে আৰু ঘটনাটোৰ সৈতে জড়িত অধিক তথ্য উদঘাটনৰ চেষ্টা চলাই আছে।

ৰূপহীত পথ দুৰ্ঘটনা; আহত ১

অসম বাৰ্তা, ৰূপহীহাট, ১ জুন ঃ ৰূপহী চাৰিআলিত আজি আবেলি এক পথ দুৰ্ঘটনা সংঘটিত হয়। এএছ-০১-কে-৯৯১১ নম্বৰৰ এখন মালবাহী ট্ৰাকে নিয়ন্ত্ৰণ হেৰুৱাই এজন বৃদ্ধ পথচাৰীক খুন্দা মাৰে। ফলত পথচাৰীজন গুৰুতৰভাৱে আহত হয়। ৰাইজৰ তৎপৰতাত আহত হোৱা লোকজনক অতি সংকটজনক অৱস্থাত ৰূপহী মডেল হস্পিটেলত ভৰ্তি কৰোৱা হয়। আহত হোৱা লোকজনৰ পৰিচয় জানিব পৰা হোৱা নাই। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ ট্ৰাকখন জব্দ কৰি তদন্ত আৰম্ভ কৰিছে।

দৰং জিলা সাহিত্য সভাৰ অতুলনীয় আৰু মহৎ কাৰ্য ঃ ড° বসন্তকুমাৰ গোস্বামী

শিক্ষাবিদ ফুলেন্দ্ৰনাথ চহৰীয়াক দৰঙৰ সৰ্বোচ্চ সন্মান ‘দৰং ৰত্ন’ প্ৰদান

অসম বাৰ্তা, সোণাপুৰ, ১ জুন ঃ “দৰং জিলা সাহিত্য সভাৰ এই সন্মান অতুলনীয়। আজি ইমান পৱিত্ৰ আৰু গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ফুলেন্দ্ৰনাথ চহৰীয়াক শ্ৰদ্ধা আৰু মৰম সহকাৰে ‘দৰং ৰত্ন’ সন্মান প্ৰদান কৰা দৃশ্য দেখি মই বাৰুকৈয়ে অভিভূত। এনেকৈ অসম সাহিত্য সভাৰ শাখা আৰু জিলা সভা সমূহে অসমৰ গুণৱন্ত আৰু যশস্বী লোকসকলক এইদৰে জীৱন কালতে স্বীকৃতি প্ৰদান কৰি গুণানুকীৰ্তন আৰু সন্মানিত কৰি আহিছে। দৰং সাহিত্য সভাও এইক্ষেত্ৰত অন্যতম বাটকটীয়া। যিগৰাকী মহান ব্যক্তিক এই সন্মান দৰং জিলা সাহিত্য সভাই সন্মানিত কৰিছে তেওঁৰ নামটোতেই নিহিত আছে তেওঁৰ জীৱনৰ মহত্ত। ফুলেন্দ্ৰ মানেই ফুল আৰু ইন্দ্ৰ। ফুল কেনে ঈশ্বৰৰ অপূৰ্ব সৃষ্টি আপোনালোক সকলোৱে জানে আৰু ইন্দ্ৰ মানে শ্ৰেষ্ঠ। ‘ফুলেন্দ্ৰ’ অৰ্থাৎ তেওঁ ফুলৰ মাজতো শ্ৰেষ্ঠ। তেওঁ নীৰৱে কাম কৰি ভাল পোৱা এগৰাকী মহতী মহান ব্যক্তি। দৰং জিলা সাহিত্য সভাই এই গৰাকী অতুলনীয় ব্যক্তিত্বৰ অধিকাৰী মহীৰূহ ফুলেন্দ্ৰনাথ চহৰীয়াক জিলাখনৰ সৰ্বোচ্চ সন্মানেৰে বিভূষিত কৰাটো আপোনালোকৰ শ্ৰেষ্ঠতম কৰ্ম বুলি বিবেচিত হৈছে।” দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত ২০২৫-২৭ বৰ্ষৰ দৰং জিলা সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান ‘দৰং ৰত্ন’ এইবেলি জিলাখনৰ ৯৩ বৰ্ষীয় শিক্ষাবিদ, সাহিত্যিক, ক্ৰীড়া সংগঠক, সমাজ হিতৈষী মহীৰূহ ফুলেন্দ্ৰনাথ চহৰীয়াক প্ৰদান কৰা অনুষ্ঠানত ভাষণ দি অনুষ্ঠানৰ মুখ্য অতিথি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। জিলা সভাৰ উপ-সভাপতি কুঞ্জ দেৱীয়ে আদৰণি ভাষণ দিয়া আৰু সম্পাদক মৃণাল কুমাৰ ৰাজবংশীয়ে আঁত ধৰা অনুষ্ঠানৰ লগত সংগতি সঙ্গতি ৰাখি ফুলেন্দ্ৰনাথ চহৰীয়াৰ জীৱন পঞ্জী সম্বলিত এখন স্মাৰক পত্ৰ উন্মোচন কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয়, মোৰ পঞ্চাচ বছৰীয়া জীৱন পৰিক্ৰমাত দেখা দৰং জিলা সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান দৰং ৰত্ন প্ৰদানৰ দৰে এই অতুলনীয় আৰু মহৎ কাৰ্য সূচী সঁচাকৈয়ে অপূৰ্ব। গুণীৰ গুণক যিদৰে ব্যতিক্ৰমীৰূপে আপোনালোকে স্বীকৃতি দিছে ই নিসন্দেহে প্ৰশংসাৰ যোগ্য। এই সন্মানৰ লগত জিলা সাহিত্য সভাই ফুলাম জাতীয় গামোচা, পিতলৰ জাপি, পাটৰ চেলেং, গ্ৰন্থৰ টোপোলা, সন্মান স্মাৰক, সন্মান প্ৰাপকৰ আলোক চিত্ৰ প্ৰদান কৰে। উল্লেখ্য যে দৰং জিলা সাহিত্য সাহিত্য ২০১৫-২০১৮ বৰ্ষৰ কাৰ্যকালত সূচনা কৰা এই সৰ্বোচ্চ সন্মান ইতিপূৰ্বে সাহিত্য অকাডেমি অনুবাদ বঁটা প্ৰাপক প্ৰয়াত প্ৰভাত শৰ্মা শাস্ত্ৰী, বিশিষ্ট লোকসংস্কৃতি গৱেষক ড° নবীন চন্দ্ৰ শৰ্মা, সাহিত্যাচাৰ্য অধ্যাপক ইদ্ৰিছ আলি আৰু পণ্ডিত গৱেষক ড° নগেন্দ্ৰ নাথ শৰ্মাই লাভ কৰিছিল। দৰং জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙলা নগৰ সাহিত্য সভাৰ আতিথ্যত আয়োজিত আজিৰ এই অনুষ্ঠানৰ পূৰ্বে মহীৰূহ ফুলেন্দ্ৰনাথ চহৰীয়াক তেওঁৰ মঙলদৈ ভেবাৰঘাটস্থিত বাসভৱন, ‘বিদ্যা-সিন্দুৰী’ৰ পৰা দেৰকুৰিৰো অধিক ‘কাৰ ৰেলী’ সহ গায়নে বায়নে সভাস্থলি পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ সভাগৃহলৈ আদৰি অনা হয়। এই বৰ্ণিল শোভাযাত্ৰাত তেওঁৰে সৈতে অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, প্ৰধান সম্পাদক দেৱজিৎ বৰা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, পৃথুৰাম বৰুৱা, চহিৰ ভূএগ প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট লোকে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ পূৰ্বে পুৱা ৮.৫৫ বজাত দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথে সভাস্থলিত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে আৰু অনুষ্ঠানৰ উদ্যোক্তা মঙলানগৰ সাহিত্য সভাৰ সভাপতি চক্ৰধৰ নাথে স্মৃতি তৰ্পণ কৰে। অসম সাহিত্য সভাৰ সঙ্গীত ‘চিৰ চেনেহী মোৰ ভাষা জননী’ গীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মঙলা নগৰ সাহিত্য সভাৰ উপ-সভাপতি জয়চন্দ্ৰ শৰ্মাই। অনুষ্ঠানত ভাষণ প্ৰদান কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি দৰং ৰত্ন, সাহিত্যাচাৰ্য অধ্যাপক ইদ্ৰিছ আলি, প্ৰাক্তন মন্ত্ৰী তথা দৰং জিলা সাহিত্য সভাৰ প্ৰকল্প ভৱন নিৰ্মাণ সমিতিৰ সভাপতি বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভবেন বৰ্মন, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে শশীধৰ নাথ, ড° অমৰেন্দ্ৰ নাৰায়ণ দেৱ, পৃথুৰাম বৰুৱা, চহিৰ ভূএগ, জনীকান্ত নাথ, বৰদা শইকীয়া শইকীয়াই। অনুষ্ঠানত অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়া, সাংগঠনিক সম্পাদক দুলাল নাথ, প্ৰচাৰ উপশমিতিৰ কাৰ্যকৰী সভাপতি মহেন্দ্ৰ নাথ, সাংস্কৃতিক উপশমিৰ কাৰ্যকৰী সভাপতি ডাঃ মৃণ্ময় কুমাৰ নাথ, ৰাজ্যভাষা মাতৃভাষা উপ সমিতিৰ আহ্বায়ক ৰাণা আলম, কবি সন্মিলন উপ সমিতিৰ আহ্বায়ক নৱৰাজন, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য মুকুট চন্দ্ৰ হাজৰিকা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বৰা, নতুন দ্যৌৰঙ্গ কাকতৰ সম্পাদক জ্যেষ্ঠ সাংবাদিক শঙ্কৰ কাকতি, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি জিতেন ভাগৱতী, সূৰ্য কুমাৰ শৰ্মা প্ৰমুখ্যে তিনি শতাধিক লোকে অংশগ্ৰহণ কৰে। জাতীয় সঙ্গীত ‘অ’ মোৰ আপোনাৰ দেশ’ শীৰ্ষক অসম সঙ্গীতেৰে অনুষ্ঠানৰ সামৰণি পৰাৰ পূৰ্বে সদৌটিকে শলাগ জ্ঞাপন কৰে মঙলা নগৰ সাহিত্য সভাৰ সম্পাদক জিতেন কলিতা আৰু জিলা সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশীয়ে।

মুখ্য সম্পাদক প্ৰয়াত হৰি নাৰায়ণ চহৰীয়াৰ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত

অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন ১০৬ সংখ্যক দেওধনীঘাট অধিৱেশন

অসম বাৰ্তা, খৈৰাবাৰী, ১ জুন ঃ দৰং জিলাৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ নামখলা গাঁও পঞ্চায়ৰ অন্তগত শালৈপাৰা গাৱঁৰ প্ৰয়াত হৰি নাৰায়ন চহৰীয়াৰ বাসগৃহত যোৱা কালি অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন দেওধনীঘাট শাখাৰ উদ্যোগত প্ৰয়াত হৰি নাৰায়ন চহৰীয়াৰ নিজা বাসগৃহত খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক অতুল বৰুৱাৰ সঞ্চালনাত শ্ৰদ্ধাঞ্জলি আৰু স্মৃতি চাৰণ সভাখন অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিত অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ নামখলাৰ স্থায়ী কাৰ্য্যালয় প্ৰয়াত হৰি নাৰায়ণ চহৰীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰে অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ দেওধনীঘাট শাখাৰ সভাপতি কনক কলিতাই। ভাগৱত পাঠ কৰে ওদালগুৰিত জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ খৈৰাবাৰী আঞ্চলিক সমিতিৰ কাৰ্য্যকৰী সভাপতি জল্টি ৰাম বৰুৱাই। ইয়াৰ পিছতে কাৰ্য্যালয়ৰ পৰা পোনে পোনে গৈ তেখেতৰ বাসগৃহত অনুষ্ঠিত কৰে শ্ৰদ্ধাঞ্জলি আৰু স্মৃতি চাৰণ অনুষ্ঠান। অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন দেওধনীঘাট শাখাৰ সম্পাদক পংকজ কলিতাই আত ধৰা অনুষ্ঠানত নামখলাৰ বিশিষ্ট ব্যবসায়ী মনিমোহন শৰ্মাই প্ৰয়াত হৰি নাৰায়ন চহৰীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। অন্যহাতে মাল্যাৰ্পন কৰে দেওধনীঘাট শাখাৰ সভাপতি অমৃত কুমাৰ কলিতাই। ইয়াৰ পিছতে অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ প্ৰাক্তন সভাপতি ৰামচন্দ্ৰ চহৰীয়া, দেওধনী শাখাৰ সভাপতি কনক কলিতা, প্ৰাক্তন সভাপতি বসন্ত কলিতা, নামখলা চ’ক ব্যৱসায়ী সন্থাৰ বিশিষ্ট ব্যবসায়ী ফণিধৰ বৰুৱাৰ উপৰিও খটৰা শাখাৰ প্ৰাক্তন সভাপতি, দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ বিষয়ববীয়া সকলে প্ৰয়াত হৰি নাৰায়ন চহৰীয়াৰ প্ৰতিচ্চবিত মাল্যাৰ্পন কৰে। স্মৃতিচাৰণ সভাত প্ৰয়াত হৰি নাৰায়ন চহৰীয়াৰ জীৱনৰ ৰূপ ৰেখাৰ ওপৰত বহুকেইগৰাকীমান স্মাৰক বক্তাই অতিতৰ স্মৃতি চাৰণ কৰি কয় হৰি নাৰায়ণ চহৰীয়া এজন নিৰ্ভীক নিৰপক্ষ আৰু অতি স্পষ্ট বাদী লোক আছিল তেখেতে অতি নিখুঁতভাবে সমাজখনৰ লগতে নিজৰ ঘৰখন পৰিচালনা কৰি আহিছিল আৰু তেখেতৰ মৃত্যুত দৰং জিলাৰ বাবে এক বৃহৎ ক্ষতি হোৱা বুলি বক্তব্য প্ৰদান কৰি কয় হৰি আৰু নাৰায়নৰ কেতিয়াও মৃত্যু নহয় আমাৰ প্ৰত্যেকৰে হৃদয়ত প্ৰয়াত হৰি নাৰায়ন চহৰীয়া জীয়াই থাকিব আৰু তেওঁক জীয়াই ৰাখিব লাগিব বুলি বক্তব্য প্ৰদান কৰে। অন্যহাতে ওদালগুৰিত জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক তথা অৱসৰী অধ্যাপক পুনুৰাম কলিতাই প্ৰয়াত হৰি নাৰায়ণ চহৰীয়াৰ স্মৃতিত কবিতা পাঠ কৰি আবেগিক হৈ পৰা পৰিলক্ষিত হোৱা দেখা যায়। শ্ৰদ্ধাঞ্জলি আৰু স্মৃতি চাৰণ সভাত ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী, অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি কৰুণা সিন্ধু ডেকা, অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ প্ৰাক্তন জিলা সম্পাদক ভাৰত ভূষণ মহন্ত, ৰাজ্যিক সভাপতি চক্ৰধৰ বৰুৱা, নামখলা প্ৰেছ ক্লাৱৰ কোষাধ্যক্ষ চিণ্টু কলিতা, নামখলা পঞ্চায়তৰ সভানেত্ৰী নিকুমণি শইকীয়া, ওদালগুৰি জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সম্পাদক বসন্ত চহৰীয়া, ওদালগুৰি জিলাৰ কলিতা জনগোষ্ঠী সন্মিলনৰ খৈৰাবাৰী আঞ্চলিক সমিতিৰ সভাপতি অৰুণ ডেকা, কাৰ্য্যকৰী সভাপতি জল্টি ৰাম বৰুৱাৰ, উপৰিও দেওধনীঘাট শাখাৰ প্ৰতিটো খেলৰ বিষয়ববীয়াৰ লগতে প্ৰায় তিনি শতাধিক গুণমুগ্ধ উপস্থিত থাকে।

তিনিচুকীয়াৰ বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ নৰেশ্বৰ দত্ত দেহাৱসান

অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ১ জুন ঃ তিনিচুকীয়াৰ বিশিষ্ট চকু ৰোগ বিশেষজ্ঞ তথা সমাজকৰ্মী ডাঃ নৰেশ্বৰ দত্তৰ শনিবাৰে বিয়লি তিনিচুকীয়াৰ বৰদলৈ নগৰস্থিত নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। ১৯৩৫ চনত চাবুৱাত জন্মগ্ৰহণ কৰা ডাঃ দত্ত আছিল গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰথমটো বেটচৰ এম.বি.বি.এছ. (MBBS) ছাত্ৰ। তদুপৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰথমজন সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ গৌৰৱো তেওঁ অৰ্জন কৰিছিল। ১৯৬৫ চনত এম.বি.বি.এছ. আৰু ১৯৬৭ চনত ডি.অ’.এম.এছ. (DOMS) ডিগ্ৰী লাভ কৰাৰ পিছত তেওঁ ১৯৭২ চনত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা এম.এছ. (MS) ডিগ্ৰী লাভ কৰে। ডাঃ দত্তই উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ চিকিৎসা বিষয়া হিচাপে নিজৰ বৃত্তিগত যাত্ৰা আৰম্ভ কৰিছিল। ইয়াৰ পিছত তেওঁ দুলীয়াজানৰ অইল ইণ্ডিয়া হাস্পতালত যোগদান কৰে আৰু ১৯৭৮ চনলৈকে তাতেই সেৱা আগবঢ়ায়। পৰৱৰ্তী সময়ত তেওঁ তিনিচুকীয়াত স্থায়ীভাৱে বসবাস কৰিবলৈ লয় আৰু সুপৰিচিত ‘দত্ত আই ক্লিনিক’ (Dutta Eye Clinic) প্ৰতিষ্ঠা কৰে। এই ক্লিনিকখনৰ জৰিয়তে তেখেতে কেইবাটাও প্ৰজন্মৰ ৰোগীক চিকিৎসা সেৱা আগবঢ়াইছিল। নিজৰ ব্যস্ততাপূৰ্ণ চিকিৎসক জীৱনৰ উপৰি ডাঃ দত্তই মৃত্যুৰ আগলৈকে তিনিচুকীয়াৰ কেইবাটাও সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক সংগঠনৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আছিল। অসম সাহিত্য সভা, অল ইণ্ডিয়া অফথালম’লজিকেল ছ’চাইটি (All India Ophthalmological Society) আৰু ইণ্ডিয়ান মেডিকেল এছ’চিয়েশ্যন (IMA) আদিকে ধৰি বিভিন্ন পেচাদাৰী আৰু সাহিত্যিক সংস্থাৰ আজীৱন সদস্য আছিল তেওঁ। তেওঁ ধাৰাবাহিকভাৱে আঠ বছৰ ধৰি আই.এম.এ.-ৰ (IMA) তিনিচুকীয়া শাখাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু একেৰাহে দুটা কাৰ্যকালৰ বাবে এই সংস্থাৰ ৰাজ্যিক সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। মৃত্যুৰ সময়ত ড° দত্তই পত্নী তথা স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালিকা ডাঃ মায়াৰাণী দত্ত, পুত্ৰ তথা শদিয়া ইক’ কেম্পৰ স্বত্বাধিকাৰী প্ৰাঞ্জল প্ৰতিম দত্ত, দুগৰাকী কন্যা, নাতি-নাতিনী আৰু অলেখ গুণমুগ্ধ তথা শুভাকাংক্ষীক ইহসংসাৰত এৰি থৈ গৈছে। তেওঁৰ বিয়োগত সমগ্ৰ তিনিচুকীয়াতে শোকৰ ছাঁ পৰিছে। সমাজসেৱাৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত হৈ থকা এগৰাকী নিষ্ঠাৱান চিকিৎসকৰ মৃত্যুত বিভিন্ন সংগঠন আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।



সম দেৱানী সংহিতা সন্দৰ্ভত বৰপেটাত বিজেপিৰ সংবাদমেল

অসম বাৰ্ত বৰপেটাসদৰ, ১ জুন ঃ অসম বিধান সভাত শেহতীয়াকৈ গৃহীত কৰা সম দেৱানী সংহিতা বিধেয়ক গৃহীত হোৱাৰ পিছত আজি বৰপেটা বিজেপিৰ জিলা কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত হয়। শেহতীয়াকৈ অসম বিধানসভাত এই বিধেয়কখন গৃহীত হোৱাত ব্যক্তিগত আইনত থকা ধৰ্মীয় বৈষম্য দূৰ কৰি সম মৰ্যাদা সকলো নাগৰিককে প্ৰদান কৰিব পাৰিব বুলি সংবাদমেলত. উল্লেখ কৰে বিজেপিৰ ৰাজ্যিক মিডিয়া কোষৰ অন্যতম নেতা দিলীপ কুমাৰ শৰ্মাই। ৰাজ্যৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি তৰকাৰে বিধানসভাত এই বিধেয়ক গৃহীত কৰাত উত্তৰ পূবৰ প্ৰথম ৰাজ্য হিচাপে বিবেচিত হোৱা বুলি উল্লেখ কৰি সংবাদমেলত উল্লেখ কৰে। এক দেশ এক আইন প্ৰণয়ণ কৰাটো বিজেপিৰ নীতি বুলি কৈ সংবাদ মেলত বিজেপি চৰকাৰে ৰাজ্যৰ উন্নয়নৰ বাবে কাম কৰিব বুলি উল্লেখ কৰে। আজিৰ সংবাদ মেলত বৰপেটা জিলা বিজেপিৰ সাধাৰণ সম্পাদক হেমন্ত কুমাৰ দেউৰী, কপিল ভূএগ, মিডিয়া কোষৰ জিলা আহ্বায়ক মুকুট ৰঞ্জন দাস আৰু সম্পাদক নীলোৎপল দাস উপস্থিত থাকে।

খন্দকাৰ পৰাৰ ছ’চিয়েল ওৱেলফেয়াৰ এছ’চিয়েছনৰ বিস্তৃত সমাজমুখী কাৰ্যসূচী

অসম বাৰ্তা, কুমুল্লী পৰা, ১ জুন ঃ বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত খন্দকাৰ পৰাত অৱস্থিত অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন “ছ’চিয়েল ওৱেলফেয়াৰ এছ’চিয়েছন”-এ সুদীৰ্ঘ চাৰি দশক ধৰি ক্ৰীড়া, শিক্ষা, সাহিত্য, সংস্কৃতি আৰু সমাজসেৱাৰ ক্ষেত্ৰত আগবঢ়াই অহা উল্লেখযোগ্য অৱদানৰ ধাৰাবাহিকতা অব্যাহত ৰাখি আগন্তুক বৰ্ষৰ বাবে একাধিক জনকল্যাণমূলক আৰু সজাগতামূলক কাৰ্যসূচী গ্ৰহণৰ সিদ্ধান্ত লৈছে। সংগঠনটোৰ শেহতীয়া এখন সাধাৰণ সভাত এই সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়। সভাত উল্লেখ কৰা হয় যে, প্ৰায় ৪০ বছৰ ধৰি অঞ্চলটোৰ সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত সংগঠনটোৱে নিৰালস্যভাৱে কাম কৰি আহিছে। সমাজ উন্নয়নমূলক বিভিন্ন কাৰ্যসূচীৰ সফল ৰূপায়ণে সংগঠনটোক জনসাধাৰণৰ আস্থাভাজন প্ৰতিষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। সভাৰ সিদ্ধান্ত অনুসৰি, ব্যক্তিৰ সৰ্বাংগীণ প্ৰতিভা বিকাশৰ লক্ষ্যৰে এইবেলিও তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰা হ’ব। লগতে আন্তৰ্জাতিক যোগ দিৱস, শিক্ষক দিৱস আৰু গণতন্ত্ৰ দিৱস বিশেষ জাকজমকতাৰে উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ উপৰিও, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশ, অনৈতিক আৰু অসামাজিক কাৰ্যকলাপ, দুৰ্নীতি, ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্যৰ কু-প্ৰভাৱ আদি বিষয়ত জনসচেতনতা সৃষ্টিৰ লক্ষ্যৰে নিয়মিতভাৱে “সজাগতা সভা” আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হয়। সংগঠনটোৰ মতে, সামাজিক অৱক্ষয় ৰোধ আৰু সুস্থ সমাজ গঠনৰ ক্ষেত্ৰত সচেতনতাই আটাইতকৈ ফলপ্ৰসূ মাধ্যম। আগন্তুক বাৰ্ষিক অধিৱেশন উপলক্ষে সংগঠনটোৰ কৰ্মযজ্ঞ, ইতিহাস, সমাজ-সংস্কৃতি আৰু বিভিন্ন সৃষ্টিশীল বিষয় সন্নিবিষ্ট কৰি এখন আকৰ্ষণীয় স্মৃতিগ্ৰন্থ প্ৰকাশৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। এই উদ্দেশ্যে এখন সম্পাদনা সমিতি গঠন কৰা হৈছে। সভাত সংগঠনটোৰ সকলো কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে সৰ্বস্তৰৰ ৰাইজ, শুভানুধ্যায়ী আৰু সমাজপ্ৰেমী ব্যক্তিসকলৰ সহযোগিতা কামনা কৰা হয়। পৰিশেষত, পুণেত অনুষ্ঠিত ৮ম ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছ প্ৰতিযোগিতা—২০২৬ত পদক অৰ্জন কৰি সংগঠন তথা অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা ছ’চিয়েল ওৱেলফেয়াৰ এছ’চিয়েছনৰ তিনিগৰাকী কৃতী সদস্য ক্ৰমে হজৰত আলী আহমেদ, মহিৰ উদ্দিন ভূএগ আৰু আতিকুৰ ৰহমানক উষ্ম সম্বৰ্ধনা জনোৱা হয়। উপস্থিত সদস্যসকলে তেওঁলোকৰ এই সাফল্যক সংগঠনটোৰ ক্ৰীড়া চেতনাৰ এক উজ্জ্বল নিদৰ্শন বুলি উল্লেখ কৰি ভৱিষ্যতেও এনে কৃতিত্ব অব্যাহত থাকিব বুলি আশা ব্যক্ত কৰে। উল্লেখ্য যে, সংগঠনটোৰ এই সিদ্ধান্তসমূহে সামাজিক দায়বদ্ধতা, জনকল্যাণমূলক চিন্তাধাৰা আৰু এখন সচেতন, সুস্থ তথা প্ৰগতিশীল সমাজ গঠনৰ প্ৰতি ইয়াৰ অংগীকাৰ পুনৰ এবাৰ স্পষ্টভাৱে প্ৰতিফলিত কৰিছে।

উদণ্ড চালকৰ বাইকৰ খুন্দাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত চাৰিজন

লাহৰীঘাটত ভয়ংকৰ পথ দুৰ্ঘটনা

অসম বাৰ্তা, লাহৰীঘাট, ১ জুন ঃ শনিবাৰে নিশা লাহৰীঘাটত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। পথ দুৰ্ঘটনাটোত গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয় চাৰিজনকৈ লোক। এই দুৰ্ঘটনাটো সংঘটিত হয় লাহৰীঘাটৰ ধূপগুৰিত। যোৱা নিশা প্ৰায় ৯ মান বজাত উদণ্ড বাইক চালকৰ খুন্দাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত এগৰাকী পথচাৰীৰ লগতে চাৰি বাইক আৰোহী। উল্লেখ্য যে, লাহৰীঘাটৰ ধূপগুৰিত AS 21 Q 0857 নম্বৰৰ এখন বাইকেৰে চাৰি গৰাকী যুৱকে দ্ৰুত গতিত আহি পথৰ কাষেৰে খোজকাঢ়ি গৈ থকা এজন পথচাৰীক প্ৰচণ্ড জোৰে খুন্দা মৰাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় পথচাৰীৰ লগতে তিনি বাইক আৰোহী। স্থানীয় ৰাইজে আঘাতপ্ৰাপ্ত সকলোকে ততাতৈয়াকৈ লাহৰীঘাট আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও উন্নত চিকিৎসাৰ বাবে চিকিৎসকে দুজনক নগাঁৱলৈ প্ৰেৰণ কৰে।

বকোৰ ঐতিহাসিক মাঁ বিষহৰি থানৰ ডাঙৰ মাৰে পূজাৰ সামৰণি

দীঙা আৰু মজু বিসৰ্জনেৰে মাৰে সমাপন

অসম বাৰ্তা, বকো, ১ জুন ঃ বহু শতিকাযোৱা ইতিহাস প্ৰসিদ্ধ শক্তিপীঠ স্থান কামৰূপ জিলাৰ বনগাঁও বকো মৌজা পৰিষদৰ ঐতিহাসিক ডাঙৰ মাৰে পূজা ২৭ মে’ ৰ পৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ হৈছে। কামৰূপ জিলাৰ বকোৰ খাটলপাৰাত ১৮১৮ ইংৰাজী চনতে স্থাপন কৰা শ্ৰী শ্ৰী মাঁ বিষহৰি থানত আনুষ্ঠানিক ভাৱে পৌৰাণিক ৰীতি-নীতিৰে আয়োজন কৰা হৈছে বনগাঁও বকো মৌজা পৰিষদৰ উপাস্য দেৱী শক্তিপীঠ শ্ৰীশ্ৰী মাঁ বিষহৰি দেৱীৰ বাৰ্ষিক পূজা। বিগত বছৰবোৰৰ দৰে এই বছৰো বিষহৰি থানত ২৭ মে’ৰ পৰা ৩০ মে’লৈ অসমীয়া মাহৰ ১২ জেঠৰ পৰা ১৫ জেঠলৈ সম্পুৰ্ণ পৌৰাণিক ৰীতি-নীতি আৰু পৰম্পৰাৰে আয়োজন কৰা হৈছে ডাঙৰ মাৰে পূজাৰ। ইফালে বনগাঁও বকো মৌজা পৰিষদৰ সভাপতি অমুল্য ৰাভা; উপ সভাপতি সুৰেশ ৰাভা; নিৰঞ্জন চৌধুৰী আৰু দুলাল ৰাভাৰ লগতে সম্পাদক দয়াল ৰাভাই জনোৱা মতে; পৰম আৰাধ্য দেৱী মাঁ বিষহৰি থানৰ ডাঙৰ মাৰে পূজা বিগত বছৰবোৰৰ দৰে এই বৰ্ষও চাৰি দিনীয়া বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। পূজা ভাগি সম্পূৰ্ণ মাংগলিক ৰীতি-নীতিৰে পালন কৰা হয়। ইফালে ডাঙৰ মাৰে পূজাৰ কাৰ্য্যসূচী অনুসৰি প্ৰথম দিনা অৰ্থাৎ ২৭ মে’ৰ দিনা পুৱাৰ ভাগত দূৰৰী পূজা; জলকুঁৱৰী পূজা অৰ্চনা কৰাৰ পিছত সভাপতি অমুল্য ৰাভাৰ জৰিয়তে কাৰ্য্যালয় মুকলি; প্ৰাক্তন সভাপতি যোগেন ৰাভাৰ জৰিয়তে স্মৃতি তৰ্পণ; প্ৰাক্তন সভাপতি নৃপেন চন্দ্ৰ ৰাভাৰ জৰিয়তে অতিথি শালা উন্মোচন; বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতাৰ জৰিয়তে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিছতে নাম প্ৰসংগ আৰু হৰগৌৰী পূজাৰে মাৰে পূজা আৰম্ভ কৰা হয়। দ্বিতীয় দিনা ঘট বৰণ; গোপীনাথ গোঁসাই স্থাপন; বৰ চান্দৰা স্থাপন; মজু বৰণ; বাৰ সাৰা বা মুৰীয়া সাৰাৰ দ্বাৰা মজু স্থাপন; মজু উন্মোচন; মালেয়া পূজা আৰম্ভ আৰু মাৰে গীতেৰে বৰ মাৰে পূজা আৰম্ভ হ’ব। ইফালে তৃতীয় দিনা নিচিনা গোঁসাই স্থাপন; চান্দ সদাগৰৰ গীতৰ পূজা আৰম্ভ; দীঙা ঘূৰোৱা আৰম্ভ; ছয় (৬) কুমাৰৰ গীত আৰম্ভ; চায়াদগ আৰু বৰদগ পূজা পালন; নাৰায়ণী ৰথ স্থাপন আৰু গীতেৰে লক্ষ্মী বৰণ কৰা হয়। আনহাতে ডাঙৰ মাৰেৰ শেষৰ দিনা অৰ্থাৎ ৩০ মে’ৰ দিনা নিচিনা পূজা; বৰদগ উঠোৱা; ছয় কুমাৰক জীয়াই উঠোৱা; দীঙা টনা আৰু দীঙা বিসৰ্জন; দেৱীৰ বলি বিধানৰ শক্তিপূজাৰ পাছত সমূহীয়াভাৱে মজু সেৱা কৰাৰ পিছত মজু বিসৰ্জন দি ডাঙৰ মাৰে পূজাৰ সামৰণি পেলোৱা হয়। ইফালে মাৰে পূজাৰ দিন কেইটাত গায়ন বায়নৰ উপৰিও নাম প্ৰসংগ চলি থাকে। পূজাৰ সময়ত সামাজিক; ৰাজনৈতিক আৰু ধাৰ্মীক লোকৰ উপস্থিতিৰ লগতে সহায় সহযোগে মাৰে পূজাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বকোৰ এই শ্ৰীশ্ৰী মাঁ বিষহৰি দেৱীৰ বাৰ্ষিক মাৰে পূজাত আদিম যুগৰ পৌৰাণিক প্ৰথাৰ প্ৰচলন কৰা হয় বুলি জানিব দিয়ে উপদেষ্টা সত্যজিৎ ৰাভাই। ইফালে আজি নিজম পৰে মাৰে পূজাস্থলী। মাৰেত বৃহত্তৰ অঞ্চলটোৰ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সহযোগ আগবঢ়ায়।

মঙলদৈত ৰেচম কৰ্মচাৰী নৱ শৰ্মাৰ বিদায় সম্বৰ্ধনা; কবিতা পুথি উন্মোচন

অসম বাৰ্তা, মঙলদৈ, ১ জুন ঃ দৰং জিলা ৰেচম বিভাগৰ কৰ্মচাৰী নব কুমাৰ শৰ্মাই কাইলৈ ৩১ মে’ত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ বাবে আজি মাহৰ অন্তিমটো কাৰ্য দিনত কৰ্মচাৰী গৰাকীক বিভাগীয় বিষয়া কৰ্মচাৰীবৃন্দই উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে আজি জিলা ৰেচম কাৰ্যালয়ত ভাৰপ্ৰাপ্ত ৰেচম সহকাৰী অধিকৰ্তা ছুমিয়া নেওগৰ সঞ্চালনাত অনুষ্ঠিত হোৱা বিদায় আৰু সম্বৰ্ধনা সভাত বিদায়ী ৰেচম প্ৰদৰ্শক নৱ কুমাৰ শৰ্মাক গামোচা, শৰাই, গ্ৰন্থৰ টোপোলা, সম্বৰ্ধনা পত্ৰৰে বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়। আনহাতে আবেলি বিদায়ী কৰ্মচাৰী গৰাকীক সহকৰ্মী সকলে তেওঁৰ গেৰিমাৰী জয়ানগৰৰ বাসগৃহলৈ আগবঢ়াই লৈ যায়। তেখেতৰ বাসগৃহতো পৰিয়াল আৰু সমজুৱা ৰাইজে অনুৰূপ ধৰণে এখন সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰে। যুৱ সাংবাদিক পংকজ শৰ্মাই আত ধৰা সভাখনত নব কুমাৰ শৰ্মাৰ বাল্যকালৰ বন্ধু, সহপাঠী তথা সমজুৱা ৰাইজে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানতে নব কুমাৰ শৰ্মাৰ ৰচিত কবিতা সংকলন ‘অনুভৱৰ বৰষুণ’ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, লেখক, চিকিৎসক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে। ভাষণ প্ৰসঙ্গত ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে নব কুমাৰ শৰ্মাৰ ৰুচি সম্পন্ন ব্যক্তিত্ব, সাহিত্য সংস্কৃতিৰ প্ৰতি বিশেষ অনুৰাগ, সামাজিক সচেতনতা, ধনাত্মক চিন্তাধাৰা আদি বিভিন্ন দিশৰ মূল্যায়ন আৰু প্ৰশংসা কৰে। অনুষ্ঠানত দৰঙৰ ভাৰপ্ৰাপ্ত ৰেচম সহকাৰী অধিকৰ্তা ছুমিয়া নেওগ, প্ৰফুল্ল নগৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তিলক শৰ্মা, দিনেশ গোস্বামী, কৌতুক শিল্পী বাপন শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰৱক্তা প্ৰতাপ চন্দ্ৰ শৰ্মা, দৰং জিলা ৰেচম বিষয়া সন্থাৰ সভাপতি জিয়াউৰ ৰছুল, সম্পাদক নাৰায়ণ ডেকা, দিলীপ মালাকাৰ (মৰিগাঁও), ধ্ৰুৱকান্ত শৰ্মা, নৰমী নাথ, আছাদ আলী, সুনীল কুমাৰ নাথ, টংকেশ্বৰ ডেকা, ব্ৰাহ্মণ সভাৰ লক্ষ্মীমপুৰ শাখাৰ সভাপতি লাবন্য শৰ্মা যোগেন চহৰীয়া, আদিও উপস্থিত থাকে।

চাওঁতাল সমাজৰ চাৰি ভাতৃ সংগঠনৰ উদ্যোগত কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

অসম বাৰ্তা, মাকুম, ১ জুন ঃ অসমৰ অন্যতম এটা বৃহৎ জনগোষ্ঠী হৈছে আদিবাসী চাহ জনগোষ্ঠী সকল। তাৰে এক বিশেষ এখন সমাজ হৈছে চাওঁতাল সমাজ। জনগোষ্ঠীটোৰ উত্তৰণৰ ক্ষেত্ৰত চাওঁতাল সমাজৰ বিশেষ অৱদান আছে। এই চাওঁতাল সমাজৰ পুৰোধা ব্যক্তি সকলৰ পৰা আদি কৰি ছাত্ৰ-ছাত্ৰী সকলৰলৈকে সমাজ গঢ়াৰ ক্ষেত্ৰত হওক বা শিক্ষাৰ ক্ষেত্ৰত হওক যথেষ্ট সু-নাম কঢ়িয়াই আনিছে, ঠিক তেনেদৰে চাওঁতালী সাহিত্য পৰিষদ, অসম চাওঁতাল মাঝি মণ্ডল, সদৌ চাওঁতাল ছাত্ৰ সন্থা আৰু সদৌ অসম চাওঁতাল উন্নয়ন সংস্থা তিনিচুকীয়া জিলা সমিতিৰ যুটীয়া উদ্যোগত শৈক্ষিক উৎকৰ্ষ সাধন আৰু অনুপ্ৰেৰণা যোগাবলৈ প্ৰতি বছৰে আয়োজন কৰি অহা “কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান” এই বৰ্ষতো বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। মাকুম মহাবিদ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানত উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৫-২৬ত সুখ্যাতিৰে অৰ্জন কৰা কৃতি শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। দিনজোৰা কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ শুভাৰম্ভ কৰে চাওঁতালী সাহিত্য পৰিষদৰ সভাপতি নিপেন চাৰণে। অনুষ্ঠানৰ আৰম্ভণিতে সমল ব্যক্তি হিচাপে নিমন্ত্ৰণ কৰা কাকপথাৰ শংকৰদেৱ শিশু বিদ্যা নিকেটনৰ প্ৰধান আচাৰ্য্য প্ৰশান্ত কুমাৰ বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে নিজৰ সফলতাৰ অভিজ্ঞতা, লক্ষ্য আৰু ভৱিষ্যৎ পৰিকল্পনাৰ সম্পৰ্কে মত বিনিময় কৰাৰ লগতে সঠিক পথ প্ৰদৰ্শন লাভ কৰে। আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, দক্ষতা আৰু লক্ষ্যৰ ওপৰত ভিত্তি কৰি ভৱিষ্যৎ কৰ্মজীৱন আৰু কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। অভিনন্দন অনুষ্ঠানত প্ৰায় ৭৫ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। উক্ত চাওঁতাল সমাজৰ চাৰি ভাতৃ সংগঠনৰ বিষয়ববীয়া যেনে সদৌ চাওঁতাল ছাত্ৰ সন্থা সভাপতি অজয় মুৰ্মু, সম্পাদক আচাম মাঝি, চাওঁতালী সাহিত্য পৰিষদৰ সভাপতি নিপেন চৰেণ, সম্পাদক তিলক মুৰ্মু, অসম চাওঁতাল মাঝি মণ্ডল সভাপতি দেৱনাথ মাঝি, সম্পাদক পৰেশ হাচদা, সদৌ অসম চাওঁতাল উন্নয়ন সংস্থা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সুৰেশ মুৰ্মু, সম্পাদক শিৱা কিস্কু উপস্থিত থাকে। আজিৰ অনুষ্ঠানত বহু সংখ্যক কৃতি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাৰ উপস্থিতিয়ে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

গোলকগঞ্জৰ লক্ষ্মীমাৰীত বিদ্যুৎপৃষ্ঠ হৈ এজনৰ মৃত্যু

অসম বাৰ্তা, গোলকগঞ্জ, ১ জুন ঃ ভাৰত-বাংলাদেশ সীমান্তবৰ্তী গোলকগঞ্জৰ লক্ষ্মীমাৰী গাঁৱত এক শোকাৱহ ঘটনাত বিদ্যুতপৃষ্ঠ হৈ এজন ব্যক্তিৰ মৃত্যু হৈছে। মৃত ব্যক্তিজন হৈছে ৪৫ বছৰীয়া নবৰুদ্দিন সেখ। জানিব পৰা মতে, আজি সন্ধিয়া প্ৰায় ৭ বজাত নিজ বাসগৃহত ইনভাৰ্টাৰৰ তাৰৰ সংস্পৰ্শলৈ আহি তেওঁ বিদ্যুতপৃষ্ঠ হয়। ঘটনাত গুৰুতৰভাৱে আহত হৈ অচেতন হৈ পৰা নবৰুদ্দিন সেখক পৰিয়ালৰ লোকে ততাতৈয়াকৈ গোলকগঞ্জ চিকিৎসালয়লৈ যায়। কিন্তু চিকিৎসকে পৰীক্ষা কৰি তেওঁক মৃত বুলি ঘোষণা কৰে। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ লক্ষ্মীমাৰী গাঁৱত শোকৰ ছাঁ পৰিছে। ইফালে গোলকগঞ্জ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে।

সম্পাদকীয়

ভাৰত-নেপাল সীমান্ত বিবাদ

নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে দেশৰ সংসদত আগবঢ়োৱা এক অভূতপূৰ্ব দাবীৰ পিছতে ভাৰত-নেপাল সম্পৰ্ক পুনৰ উত্তপ্ত হৈ পৰিছে। কেৱল ভাৰতে নেপালৰ মাটি দখল কৰা নাই, বৰং নেপালেও ভাৰতৰ কিছু ভূখণ্ড নিজৰ দখলত ৰাখিছে বুলি কৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে এই বিবাদৰ যৌথ তদন্তৰ আহ্বান জনাইছে। কালাপানী, লিপুলেখ আৰু লিম্পিয়াধুৰা অঞ্চলক কেন্দ্ৰ কৰি চলি থকা দীৰ্ঘদিনীয়া সীমান্ত সমস্যাই নতুন মাত্ৰা লাভ কৰিলে।

প্ৰধানমন্ত্ৰী শ্বাহৰ মন্তব্য অতি গুৰুত্বপূৰ্ণ। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ মাত্ৰ দুমাহৰ পাছতে তেওঁ এই স্পৰ্শকাতৰ বিষয়টো সন্মুখলৈ অনা সাহসী পদক্ষেপ বুলিয়ে গণ্য কৰিব পাৰি। কিন্তু একে সময়তে তেওঁ স্পষ্ট কৰিছে যে কূটনৈতিক আলোচনাৰ যোগেদিয়েই সমাধান বিচৰা হ'ব। যৌথ দল গঠন কৰি জৰীপ বিশেষজ্ঞ আৰু অঞ্চলটোৰ জ্ঞাত লোকসকলৰ দ্বাৰা তদন্ত কৰিবলৈ তেওঁ দিয়া প্ৰস্তাৱ যুক্তিপূৰ্ণ।

ঐতিহাসিক পটভূমিলৈ চালে দেখা যায় যে ব্ৰিটিছ শাসনৰ অন্ত পৰাৰ পাছতে এই অঞ্চলসমূহক লৈ বিভ্ৰান্তিৰ সৃষ্টি হয়। সুগৌলি সন্ধি (১৮১৬) অনুসৰি কিছু অঞ্চল নেপালে ভাৰতক হস্তান্তৰ কৰিলেও বাস্তৱ সীমাৰেখাৰ বিষয়টো স্পষ্ট নাছিল। ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ পাছত এই অঞ্চলত ভাৰতীয় সেনাৰ উপস্থিতি বৃদ্ধি পায়, যাক নেপালে নিজৰ ভূখণ্ড দখল বুলি গণ্য কৰি আহিছে। ২০২০ চনত নেপালৰ সংসদে এখন নতুন মানচিত্ৰ অনুমোদন কৰি এই তিনিওখন অঞ্চল নেপালৰ অংশ দাবী কৰিলে, যাক ভাৰতে সম্পূৰ্ণৰূপে নাকচ কৰে। প্ৰধানমন্ত্ৰী শ্বাহে সংসদত জনোৱা মতে, তেওঁ কেৱল ভাৰত নহয়, চীন আৰু ব্ৰিটেইন চৰকাৰৰ সৈতেও এই সন্দৰ্ভত আলোচনা চলাই আছে। ব্ৰিটিছসকলৰ সময়ত সীমা নিৰ্ধাৰণত ভুল হৈছিল বুলি নেপালে যুক্তি দাঙি ধৰাৰ লগতে সেই ভুলৰ দায়িত্ব ব্ৰিটেইনে লোৱা উচিত বুলিও দাবী কৰে। অৱশ্যে ভাৰতৰ স্থিতি স্পষ্ট— ভাৰতে কোনো কাৰণতে নেপালৰ একপক্ষীয় দাবীক মান্যতা নিদিয়ে।

এই পৰিস্থিতিত কেৱল বাকযুদ্ধই উত্তেজনাক লেহুকাব নোৱাৰে। দুয়োখন দেশেই অপৰিসীম কূটনৈতিক আৰু অৰ্থনৈতিক মিত্ৰতাৰ বান্ধোনত আবদ্ধ। খোলা সীমান্ত, নিয়মীয়া লোকাচাৰ, বাণিজ্য আৰু শক্তি ক্ষেত্ৰত সহযোগিতাই ভাৰত-নেপাল সম্পৰ্কক এক অনন্য স্থিতি প্ৰদান কৰিছে। গতিকে সীমান্ত বিবাদৰ অমীমাংসিত সমস্যাই সেই সম্পৰ্কত হেঁচা দিয়া উচিত নহয়।

প্ৰধানমন্ত্ৰী শ্বাহৰ যৌথ তদন্তৰ আহ্বান অতি সময়োপযোগী। প্ৰয়োজন ইচ্ছাশক্তিৰ। ভাৰতে এই প্ৰস্তাৱক ইতিবাচক দৃষ্টিভংগীৰে চোৱা উচিত। দুয়োপক্ষৰ বিশেষজ্ঞ, মানচিত্ৰবিদ আৰু প্ৰশাসনিক বিষয়াৰ সৈতে এখন যৌথ জৰীপ দল গঠন কৰি বিতৰ্কিত অঞ্চলসমূহৰ বাস্তৱ অৱস্থান বুজি লোৱাটো প্ৰথম পদক্ষেপ হ'ব পাৰে। লগতে, আন্তঃৰাষ্ট্ৰীয় মধ্যস্থতা নোহোৱাকৈয়ে দ্বিপাক্ষিক আলোচনাৰ যোগেদি সমাধান বিচৰাটোৱেই সমীচীন।

নেপালৰ ভিতৰুৱা ৰাজনীতিও এই বিষয়টোত প্ৰভাৱশীল। প্ৰধানমন্ত্ৰী হিচাপে শ্বাহে সদ্যহতে ক্ষমতা লোৱাৰ পাছত দেশত এক প্ৰতিক্ৰিয়া সৃষ্টি কৰিবলৈ এই সমস্যাটো তুলি ধৰাটো সম্ভৱ। কিন্তু তেওঁ কৈছে যে আলোচনাই একমাত্ৰ পথ, সেই কথাটোৱে আশাৰ সৃষ্টি কৰে। সকলো পক্ষৰ মতামতক গুৰুত্ব দি, সংযত আৰু জবাবদিহিতাপূৰ্ণ কূটনীতিৰ জৰিয়তে এই সমস্যাৰ সমাধান হ'ব পাৰে। ভাৰত চৰকাৰেও এই প্ৰস্তাৱক উপেক্ষা কৰাৰ পৰিবৰ্তে আলোচনাত বহি যুক্তিসংগত সমাধান বিচৰা উচিত। কিয়নো এনে স্পৰ্শকাতৰ সমস্যাত দীৰ্ঘসময় মৌন থকাতকৈ যৌথ উদ্যোগে সদ্ভাৱহে বৃদ্ধি কৰে। আশা কৰোঁ, দুয়ো দেশৰ জ্ঞানী নেতৃত্বই অহংকাৰ পৰিহাৰ কৰি জনসাধাৰণৰ শান্তি আৰু অঞ্চলটোৰ স্থিৰতাৰ হকে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব।

মাধৱদেৱৰ বৰগীতত দাস্যভক্তি ঃ এক আলোচনা

দিলীপ কুমাৰ ৰয়

পৰম-পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ গুণগান আৰু মহিমা, ‘আধ্যাত্মিকভাৱ, বেদান্তৰ মমাৰ্থ, ঐকান্তিকা ভক্তি আৰু শ্ৰীকৃষ্ণৰ বাল্যকালৰ বিভিন্ন কাৰ্যাৱলীৰ’-বৰ্ণনাই হ'ল বৰগীতৰ বিষয়বস্তু। বৰগীতবোৰ দৰাচলতে শ্ৰীকৃষ্ণৰ পৰম-পুৰুষত্ব আৰু মানৱী লীলাৰ অপূৰ্ব প্ৰকাশ। অসমীয়া গীতি-সাহিত্যৰ বেদীত মাধৱদেৱৰ বৰগীতৰ ভূমিকা অতুলনীয়। তেওঁৰ বৰগীতৰ মাজত এহাতে পৰমাৰ্থ তত্ত্বৰ গভীৰ আৱেদন য'ত দাস্য ভক্তিৰ সুন্দৰ প্ৰতিফলন দেখা গৈছে। ঈশ্বৰলৈ গভীৰ ভক্তি আৰু সমৰ্পণ, ঈশ্বৰ আৰু ভক্তৰ মাজত এক গভীৰ প্ৰেমৰ অনুভৱ আৰু আত্মাৰ মুক্তি আৰু আধ্যাত্মিক উন্নতিৰ বাবে প্ৰেৰণা আদি তাত্ত্বিক ভাৱৰ প্ৰকাশ ঘটিছে মাধৱ গুৰুজনাৰ বৰগীতসমূহত। এই ভাৱসমূহ মাধৱদেৱৰ গীতসমূহৰ মূল বিষয়বস্তু। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ বৰগীতসমূহৰ মূল বিষয়বস্তু হৈছে শিশু-কৃষ্ণৰ লীলা আৰু ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু সকলো ধৰণৰ পাৰ্থিৱ বিষয় বা জাগতিক কামনা-বাসনাৰ পৰা সম্পূৰ্ণ মুক্ত আৰু আধ্যাত্মিকভাৱেৰে পৰিপূৰ্ণ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে ব্ৰজৱলী ভাষাত ৰচনা কৰা উচ্চ আধ্যাত্মিক ভাৱযুক্ত আৰু শাস্ত্ৰীয় ৰাগযুক্ত গীতসমূহকেই বৰগীত বুলি কোৱা হয়। প্ৰকাশৰ সংযম আৰু আত্মা পৰমাত্মাৰ সম্বন্ধই বৰগীতৰ মূল বিষয়বস্তু। বৰগীত অসমীয়া সমাজৰ চৈধ্য প্ৰসংগৰ অংশবিশেষ, অন্যতম প্ৰাৰ্থনা সংগীত। বৰগীতৰ ভাৱ আৰু সুৰৰ মহত্ত্বই মানুহক সহজে আকৰ্ষণ কৰি আধ্যাত্মিকতাত মগ্ন কৰিব পাৰে। মন কৰিবলগীয়া যে বৰগীতত সাহিত্যৰ নৱ ৰসৰ ভিতৰত কৰুণ, ৰৌদ্ৰ, বীভৎস স্পষ্ট প্ৰতিফলন দেখা নাযায়। ভক্তিৰস আধাৰিত এই বৰগীতসমূহ অসমীয়া গীতিসাহিত্যৰ অনুপম সম্পদ। পৰমব্ৰহ্ম শ্ৰীকৃষ্ণৰ গুণৰাজিয়েই ইয়াৰ মূল বিষয়বস্তু। আন এক মন কৰিবলগীয়া কথা যে বৰগীতক শংকৰদেৱ কিম্বা মাধৱদেৱ দুয়োজনাই বৰগীত বোলাৰ পৰিৱৰ্তে গীতহে বুলিছিল, পৰৱৰ্তী পণ্ডিতসকলেহে ‘বৰগীত’ অভিধা দিছিল।

পৰম-পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ গুণগান আৰু মহিমা, ‘আধ্যাত্মিক ভাৱ, বেদান্তৰ মমাৰ্থ, ঐকান্তিকা ভক্তি আৰু শ্ৰীকৃষ্ণৰ বাল্যকালৰ বিভিন্ন কাৰ্যাৱলীৰ’-বৰ্ণনাই হ'ল বৰগীতৰ বিষয়বস্তু। বৰগীতবোৰ দৰাচলতে শ্ৰীকৃষ্ণৰ পৰম-পুৰুষত্ব আৰু মানৱী লীলাৰ অপূৰ্ব প্ৰকাশ। অসমীয়া গীতি-সাহিত্যৰ বেদীত মাধৱদেৱৰ বৰগীতৰ ভূমিকা অতুলনীয়। তেওঁৰ বৰগীতৰ মাজত এহাতে পৰমাৰ্থ তত্ত্বৰ গভীৰ আৱেদন য'ত দাস্য ভক্তিৰ সুন্দৰ প্ৰতিফলন দেখা গৈছে। ঈশ্বৰলৈ গভীৰ ভক্তি আৰু সমৰ্পণ, ঈশ্বৰ আৰু ভক্তৰ মাজত এক গভীৰ প্ৰেমৰ অনুভৱ আৰু আত্মাৰ মুক্তি আৰু আধ্যাত্মিক উন্নতিৰ বাবে প্ৰেৰণা আদি তাত্ত্বিক ভাৱৰ প্ৰকাশ ঘটিছে মাধৱ গুৰুজনাৰ বৰগীতসমূহত। এই ভাৱসমূহ মাধৱদেৱৰ গীতসমূহৰ মূল বিষয়বস্তু। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ বৰগীতসমূহৰ মূল বিষয়বস্তু হৈছে শিশু-কৃষ্ণৰ লীলা আৰু ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু সকলো ধৰণৰ পাৰ্থিৱ বিষয় বা জাগতিক কামনা-বাসনাৰ পৰা সম্পূৰ্ণ মুক্ত আৰু আধ্যাত্মিক ভাৱেৰে পৰিপূৰ্ণ। ভগৱান শ্ৰীকৃষ্ণৰ চৰণত একান্ত শৰণ আৰু ভক্তি নিবেদন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। জাগতিক মায়া-মোহৰ পৰা মুক্ত হৈ ঈশ্বৰৰ নাম কীৰ্তন কৰাই যে মানৱ জীৱনৰ মূল লক্ষ্য, সেই বিষয়ে গীতসমূহত বৰ্ণনা কৰা হৈছে। সেয়েহে মাধৱদেৱৰ বৰগীতত দাস্য ভক্তি অন্যতম বিষয়। গীতসমূহত ঈশ্বৰৰ প্ৰতি নিজকে তুচ্ছ জ্ঞান কৰি শৰণ লোৱা বা আত্মসমৰ্পণৰ মনোভাৱ অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। তেৰাৰ বৰগীতত দাস্যভক্তিৰ মূল বৈশিষ্ট্যসমূহ হ'ল আত্মসমৰ্পণ আৰু দৈন্যবোধ। নিজকে ভগৱান শ্ৰীকৃষ্ণৰ চৰণৰ দাস বুলি জ্ঞান কৰা আৰু নিজৰ অজ্ঞতা তথা সংসাৰৰ মায়াজালৰ পৰা উদ্ধাৰ পাবলৈ প্ৰাৰ্থনা কৰা। ভগৱানৰ নাম শ্ৰৱণ আৰু কীৰ্ত্তন কৰাটোৱেই দাস্যভক্তিৰ মূল পথ বুলি মাধৱদেৱৰ বৰগীতসমূহে দেখুৱাইছে।

“হৰি হেৰৰে বাপ পশিলো শৰণে।
নেৰিবা বান্ধৱ মোক জীৱনে-মৰণে।।”

এই বৰগীতটিত দাস্য ভাৱৰ সুন্দৰ প্ৰতিফলন ঘটিছে। মাধৱদেৱে সংসাৰৰ প্ৰতি যি বিৰক্তি তাকেই বৰগীতটিত প্ৰকাশ কৰিছে। সকলো সৃষ্টিৰ মূল পৰম স্বামী স্বয়ং কৃষ্ণ। তেওঁ নিৰাকাৰ, ত্ৰাণকৰ্তা আৰু জগতৰ উদ্ধাৰকৰ্তা। সৰ্বসাধাৰণ ৰাইজে তেওঁৰ মহিমা বুজি নাপায়। সনক, সনন্দ সনাতন আৰু সনতকুমাৰ আদি যোগীসকলেও কৃষ্ণক পাবৰ বাবে সহস্ৰ সাধনা কৰিব লাগিছিল বুলি প্ৰথমতে ঈশ্বৰৰ মহিমা অসীম বুলি স্বীকাৰ কৰিছে আৰু কৈছে

“সনক সনন্দ যোগী যাহাকু ধিয়ায়।
সকল নিগমে যাক বিচাৰি নপায়।”

ধৰ্ম সাধনাত প্ৰবৃত্তি আৰু নিবৃত্তি অৰ্থাৎ আগম আৰু নিগম শাস্ত্ৰৰ যোগেদি সাধন পদ্ধতি নিৰূপিত কৰা দেখা গৈছে। পিছে পৰিত্ৰাণৰ বাবে দুয়োবিধ পথেই কষ্টকৰ। যোগমাৰ্গ, জ্ঞানমাৰ্গ আদিতকৈ ভক্তিমাৰ্গ উত্তম। সেয়ে সনক, সনন্দ আদি একান্ত ভক্তসকলে সৰ্বহৃদয়েৰে ভগৱানক ধ্যান কৰে। পৱিত্ৰ হিয়াৰে ঈশ্বৰ চিন্তাৰ যোগেদিহে তেওঁৰ কৰুণা লাভ কৰিব পাৰি। সেয়েহে বৰগীতটিত নিগম শাস্ত্ৰৰ যোগেদি দুৰ্লভ প্ৰতিপন্ন হোৱা ভগৱানৰ প্ৰতি একান্ত ভক্তিভাৱ প্ৰদৰ্শন কৰা হৈছে। গতিকে কবি মাধৱদেৱেও ঈশ্বৰৰ মহিমা বুজি পোৱাটো সহজ নহয় বুলি কৈছে আৰু তেওঁক বুজি নোপোৱাৰ বাবেই আমি ইহ সংসাৰৰ মায়া-মোহত আৱদ্ধ হওঁ বুলি কৈছে। অন্য হাতেদি তেওঁক বুজি পোৱাটোৱেই আমাৰ সংসাৰ বন্ধনৰ পৰা মুক্তিৰ পথ প্ৰশস্ত কৰে। সেয়ে শেষত কথাষাৰ বুজি পাই মাধৱদেৱে নিজৰ দুৰ্বলতাক স্বীকাৰ কৰি তেওঁৰ চৰণত নিজকে সমৰ্পণ কৰিছে আৰু নিজকে অধম বা দাস বুলি স্বীকাৰ কৰি কৈছে -

“সহস্ৰ বয়নে যাৰ নপাৰন্ত সীমা
অধমে জানিবো কেনে তোমাৰ মহিমা।।”

কবি মাধৱদেৱে সাংসাৰিক বিষয় বাসনাত আতুৰ হৈ তাৰ পৰা উদ্ধাৰ পাবলৈ ভগৱানৰ ওচৰত মিনতি কৰিছে। তেওঁ কৈছে -

“আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।।”

জগত যেন মায়াৰ বিৰাট জাল। মানুহ জন্ম হোৱাৰ লগে লগেই ছয় ৰিপু আৰু বিভিন্ন প্ৰভৃত্তিসমূহৰ জালত আৱদ্ধ হৈ পৰে। কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য প্ৰভৃতি ৰিপুৰ তাড়নাই মানুহৰ বৈষয়িক বন্ধনৰ মূল কাৰণ। কবিও এই বন্ধনৰ পৰা মুক্ত নহয়। সেয়েহে, ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে যাতে তেওঁৰ অভয় চৰণত স্থান দি কবিক বিষয় বন্ধনৰ পৰা মুক্তকৰে। ভগৱান ভক্তিয়েই দৰাচলতে মোহ সাগৰৰ পৰা পৰিত্ৰাণৰ একমাত্ৰ উপায়। কবিয়ে সেয়ে ভগৱানৰ চৰণত মিনতি যাচিছে। ভগৱানৰ চৰণেই কবিৰ একমাত্ৰ আশ্ৰয় বুলি অনুভৱ কৰি কৈছে -

তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমিসে জীৱন।।”

মায়াময় বান্ধোনৰ পৰা হাত সাৰি থাকিবলৈ হ'লে ভগৱানৰ দুখনি চৰণত আশ্ৰয় গ্ৰহণৰ বাহিৰে আন কোনো পথ নাই। এয়ে তেওঁৰ জীৱনৰ একান্ত আকাংক্ষিত মহাধন। ভক্তৰ কাৰণে ভগৱানেই পৰম আশ্ৰয়। গতিকে, তেওঁৰ চৰণত আশ্ৰয় গ্ৰহণৰ বাহিৰে ভক্তই আন একোকে কামনা নকৰে।

“কৃপাৰ সাগৰ কৃপা কৰা এক বাৰ।
কাতৰ কৰিয়া লৈলো শৰণ তোমাৰ।।”

ভগৱান হৈছে কৃপাৰ সাগৰ আৰু তেওঁত শৰণ লৈয়েই যে মানুহৰ মায়াময় পৃথিৱীৰ পৰা ৰক্ষা পাব পাৰে তাকে ভক্ত কবিয়ে বৰগীতটোৰ জৰিয়তে ক'বলৈ গৈছে। তেওঁৰ মতে ভগৱান কৃপাৰ সাগৰ। তেওঁৰ কৃপাৰ অন্ত নাই। ভক্তসকলৰ একান্ত আকাঙ্ক্ষা হৈছে ভগৱৎপ্ৰীতি তথা ভগৱানৰ কৃপা। ভগৱানক কৃপাৰ সাগৰ আখ্যা দিয়া হৈছে। ভক্ত কবি মাধৱদেৱেও সেয়ে তেওঁৰ কৃপা ভিক্ষা কৰিছে আৰু একান্ত কাতৰভাৱে শৰণ অৰ্থাৎ ভগৱানৰ ওচৰত আশ্ৰয় বিচাৰি প্ৰাৰ্থনা জনাইছে। বৰগীতটোৰ শেষৰ চৰণত দাস্য ভাৱ প্ৰতিফলিত হৈছে। সেয়েহে ভক্ত কবি মাধৱদেৱে কৈছে-

“কৃপা কৰা নাৰায়ণ ছোড় মোহ পাশ।
কহয় মাধৱ হৰি দাসকু দাস।।”

মানুহৰ জন্মৰ লগে লগেই ছয় ৰিপু আৰু বিভিন্ন প্ৰবৃত্তি সমূহৰ জন্ম হয়। প্ৰবৃত্তিসমূহ বংশানুক্ৰমিক আৰু বয়সৰ লগে-লগে ই শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰে। সেয়েহে ভগৱানৰ চৰণত দাসৰো দাস বুলি কৈ তেওঁ যে মায়া বন্ধনৰ পৰা মুক্ত কৰি ভগৱানে যাতে বিচৰা পথ দেখুৱাই দিয়ে তাৰ বাবে কৃপা কৰিবলৈ ভগৱানৰ চৰণত শৰণ লৈছে।।

আলোচিত উল্লেখ থকা ‘পশিলো শৰণ’, ‘শৰণ লৈলো তোমাৰ’, ‘তোমাৰ চৰণ দুই মোৰ মহা ধন’, ‘চৰণ কমলে’, ‘দাসকু দাস’, আদি শব্দচয়নে দাস্য ভাৱৰ সুন্দৰ প্ৰতিফলন ঘটাইছে। দেখা যায় যে মহাপুৰুষ মাধৱদেৱৰ বৰগীতসমূহ মূলত দাস্যভাৱ (নিজক ভগৱানৰ দাস বা সেৱক জ্ঞান কৰা) আৰু বাৎসল্য ৰসৰ বাবে বিখ্যাত। তেওঁৰ মুঠ ১৫৭টা বৰগীতৰ ভিতৰত শ্ৰীকৃষ্ণৰ প্ৰতি নিজৰ সৰ্বস্ব সমৰ্পণ আৰু একান্ত ভক্তি প্ৰকাশ পোৱা দাস্যভাৱৰ বৰগীতসমূহৰ মাজত কেইটামান উল্লেখযোগ্য গীত যেনে “মই হেনো পামু মাধৱাই”, “আহে ভাই মাধৱ কৃষ্ণ গতি মোৰ”, “পাৱে পৰি হৰি বিনয়ে মাগোঁ” ইত্যাদিত ঈশ্বৰৰ শ্ৰীচৰণত ভক্তই নিজকে তুচ্ছ জ্ঞান কৰি কৃপা ভিক্ষা কৰা ভাৱ প্ৰকাশ পাইছে। “মই পামৰ জীৱ”, “তোমাৰ চৰণে কৰোহোঁ প্ৰণাম” আদি শব্দ চয়নৰ জৰিয়তে দাস্যভক্তিৰ সুগভীৰ বাৰ্তা ফুটি উঠিছে।

মুঠতে মাধৱদেৱ গুৰুজনাই ভক্তিৰ সমান কোনো শক্তি নাই বুলি কৈছে। সেয়ে নন্দৰ নন্দনৰূপী হৰিয়েই সকলোৰে একমাত্ৰ গতি বুলি নিজৰ মন স্থিৰ কৰি হৰিৰ চৰণ চিন্তাত ব্ৰতী হ'ব লাগে। ‘হৰিপদ সেৱা ৰসে স্থিৰ কৰা চিত্ত।’ যাৰ (ভগৱানৰ) নাম স্মৰণ কৰিলেই কাল আৰু মায়া কম্পমান হয়, তেনেজন পৰম পুৰুষে মানৱী ৰূপত মাতৃ যশোদাৰ ভয়ত কম্পমান, ইয়াৰ ৰহস্য কিন্তু পাবলৈ নাই। সকলো শাস্ত্ৰতে এই কথা প্ৰতিপন্ন কৰিবলৈ যত্ন কৰা হৈছে যে ভগৱান ভকতিত বশ হয়। মাধৱে মাথোঁ কৈছে -

“জানিলো কেৱলে তুমি ভকতিৰ বশ্য।
সকল নিগমে প্ৰভু ই বৰ ৰহস্য।।”

শিল্প দৃষ্টিত মহাপুৰুষ মাধৱদেৱ

অৰূপা চৌধুৰী

১৪৮৯ চনৰ উত্তৰ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেটেকুপুখুৰীত জন্ম লাভ কৰা মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ গুৰুজনাৰ ৫৩৮ সংখ্যক আৱিৰ্ভাৱ তিথিত তেওঁলৈ সশ্ৰদ্ধ প্ৰণিপাত। মহাপুৰুষ মাধৱদেৱৰ শিল্প দৃষ্টি আছিল গভীৰভাৱে আধ্যাত্মিক, মানৱতাবাদী আৰু নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰে পৰিচালিত। শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ দৰেই শিল্পকলাবোৰক সমাজ সংস্কাৰ, সৰ্বজনীন শিক্ষা তথা ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তি আৰু তেওঁৰ মাহাত্ম্য প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। তেওঁক বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতিৰ অন্যতম স্তম্ভৰূপেও অভিহিত কৰা হয়। তেওঁৰ শিল্পদৃষ্টি মূলতঃ ভক্তি, সৰলতা আৰু লোক দৃষ্টিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল।

মহাপুৰুষ মাধৱদেৱৰ শিল্পদৃষ্টিৰ মূল দিশসমূহৰ বিষয়ে কবলৈ গ'লে ভক্তি ৰস আৰু সমন্বয়ৰ কথাকেই আমি প্ৰথমে আলোচনা কৰিব লাগিব। তেওঁৰ মতে শিল্পৰ মূল লক্ষ্য হৈছে মানৱ মনত ভগৱানৰ প্ৰতি ভক্তি ৰস জগাই তোলা। তেওঁৰ কালজয়ী সৃষ্টি তথা তেওঁৰ জীৱনৰ অন্যতম কীৰ্তিস্তম্ভ “নামঘোষা” হৈছে কাব্যিক সৌন্দৰ্য আৰু দাৰ্শনিক তত্ত্বৰ এক অপূৰ্ব মিলন। তেওঁৰ ৰচিত বৰগীতসমূহো আমি কোনোপধ্যেই নুই কৰিব নোৱাৰোঁ। মানৱ হৃদয়ত ঈশ্বৰ ভক্তি জগাই তোলাৰ এক ধুনীয়া শৈলী তেওঁ ব্যৱহাৰ কৰিছিল। তেওঁৰ অন্যান্য সৃষ্টি নাটক, সংগীত আদিৰো প্ৰভাৱ বিদ্যমান। এই আটাইবোৰতেই তেওঁ বিনম্ৰতাৰ মাজেৰে আধ্যাত্মিক শিল্পৰ চৰম নিদৰ্শন দাঙি ধৰিব বিছাৰিছে। শিশু মনস্তত্ত্ব আৰু বাৎসল্য ৰসৰ প্ৰভাৱ প্ৰকাশ কৰিবলৈ গৈ তেওঁ অংকীয়া নাট আৰু ঝুমুৰা সমূহত শিল্প দৃষ্টিৰ অনন্য প্ৰকাশ তুলি ধৰিছে। উদাহৰণ স্বৰূপে শিশু কৃষ্ণৰ লীলা আৰু তেওঁৰ মহত্ত্বৰ বিষয়ে প্ৰকাশ কৰিবলৈ গৈ তেওঁ ‘চোৰধৰা’, ‘পিম্পৰা গুচোৱা’, ‘ভোজন বিহাৰ’ আদি নাটৰ জৰিয়তে নিখুতভাৱে শিশুসুলভ চপলতা আৰু মাতৃত্ব প্ৰেমৰ বাৎসল্য শিল্পৰ প্ৰকাশ ঘটাইছে এই নাটবোৰত শ্ৰীকৃষ্ণৰ বাল্যলীলা, দুষ্টামি, মাতৃ যশোদাৰ স্নেহ অভিমানৰ সুন্দৰ চিত্ৰণ পোৱা যায় এনেকৈয়ে বাৎসল্য ভাৱৰ নানান দিশ আৰু নানান ভাগত ফুটি উঠিছে। বৰগীতত বাৎসল্য ভাৱৰ প্ৰকাশ বিশেষকৈ বিদ্যমান। শিশুলীলা অৰ্থাৎ শ্ৰীকৃষ্ণৰ দুষ্টামি, লগৰীয়াৰ সৈতে খেলা কৰা সময়, মাখন চুৰি, গৰু চৰোৱা, হাঁহি-কান্দোন, মাকৰ শাসন, মৰম, আদৰ আদিৰ লগতে তেওঁ বিশ্ব ব্ৰহ্মাণ্ডৰ পতি, জগত পালনকাৰী, সৃষ্টিকাৰি প্ৰভু শ্ৰীহৰিৰ অৱতাৰ বুলি সোঁৱৰাই দিবলৈ নাপাহৰে। ঠিক তেনেদৰে তেওঁৰ অতুলনীয় সৃষ্টি ঝুমুৰা বা নাট সমূহৰ মূলতে হ'ল-শিশু কৃষ্ণৰ নিষ্পাপ দুষ্টামি। ‘ভূমি লেটোৱা’, ‘অৰ্জুন ভঞ্জন’ আদি নাটসমূহত মাক যশোদাৰ সৈতে শ্ৰীকৃষ্ণৰ দুষ্টামি মাকৰ কথা নুশুনি পলায়ন কৰা, মাক যশোদাৰ খংৰ অগ্নিশৰ্মা ৰূপ, তাৰ পিচত কৃষ্ণৰ চতুৰালি মাকক মোৰ উপযোৱাৰ বাবে কৰা চেষ্টা, নানা লাঞ্ছনা, লঘু আৰু কৌতুকপ্ৰদ পৰিস্থিতিৰ মাজেৰে বাৎসল্য ৰস পৰিপূৰ্ণ ভাৱে প্ৰকাশ হৈছে। বাৎসল্য প্ৰেমজ জৰিয়তেই তেওঁ ভগৱন্তক মানৱীয় ৰূপৰ সৰ্বসাধাৰণৰ কাষ চপাই আনিবলৈ আৰু তেওঁৰ মাহাত্ম্যক লোক সমাজত দেখুৱাই দিবলৈ অপ্ৰাণ চেষ্টা চলাইছিল আৰু তেওঁৰ চেষ্টাই সফলতা লাভৰ লক্ষ্যত উপনীত হৈছিল। অসমীয়া সাহিত্যত বাৎসল্য ৰসৰ সৃষ্টিত মাধৱদেৱৰ স্থান অতুলনীয়।

নৃত্য, গীত আৰু বাদ্যযন্ত্ৰৰ সংমিশ্ৰণেৰে তেওঁ সৰ্বজনীনতা আৰু লোকশিল্পৰ এক সৰ্বাত্মক নাট্যশৈলী গঢ়ি তুলিছিল। শাস্ত্ৰীয় লোককলাৰ লগতে থলুৱা লোক-সংস্কৃতিৰ উপাদানসমূহ সুন্দৰভাৱে সন্মিলিত কৰি সেই শিল্প আৰু শিল্প সাধনাক সাধাৰণ জনতাৰ বাবেও সহজবোধ্য আৰু আকৰ্শনীয় ৰূপত তুলি ধৰিছিল। অত্যন্ত সৰল আৰু সাৱলীল ভাৱ ভংগীমাৰে ৰচিত তেওঁৰ ৰচনা সমূহ সাধাৰণ শ্ৰেণীৰ লোকে সহজেই তাৰ তত্ত্বক উপলব্ধি কৰিবলৈ সক্ষম হৈছিল। মাধৱদেৱৰ বৰগীত সমূহত সুৰ তাল আৰু কথাৰ এক সুন্দৰ সমন্বয় দেখা যায়। ইয়াৰ জৰিয়তে ধৰ্ম প্ৰচাৰৰ লগতে সাংস্কৃতিক উত্তৰণৰ দিশটোও তেওঁ সুনিশ্চিত কৰিছিল।

সামাজিক উৎকৰ্ষ আৰু নৈতিকতাৰ ক্ষেত্ৰত তেওঁৰ বৰগীতসমূহত জীৱনৰ ক্ষণস্থায়ীতা আৰু ভগৱানৰ চৰণত শৰণ লোৱা বাৰ্তা প্ৰদান কৰি মানুহক সৎ পথত পৰিচালনা কৰাৰ প্ৰয়াস কৰিছিল। মহাপুৰুষ জনাৰ বাবে কলা কেৱল আনন্দৰ বাবে নাছিল। ই আছিল জীৱনক সুন্দৰ আৰু নৈতিক কৰি তোলাৰ আহিলা। তেওঁৰ বৰগীতসমূহত জীৱনৰ ক্ষণস্থায়ীতা আৰু ভগৱানৰ চৰণত শৰণ লোৱাৰ বাৰ্তা প্ৰদান কৰি মানুহক সৎ পথলৈ পৰিচালিত কৰাৰ প্ৰয়াস কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পাছতেই একশৰণ নামধৰ্মৰ গুৰি ধৰি অসমীয়া সমাজত আধ্যাত্মিক, নৈতিক আৰু সাংস্কৃতিক জাগৰণ আনিবলৈ সক্ষম হৈছিল। সাম্যবাদ আৰু মানৱতাবাদ তেওঁৰ ধৰ্মীয় দৰ্শনৰ মূল আধাৰ। জাতি-ভেদ, বৰ্ণ-ভেদ আদি সংকীৰ্ণতা দূৰ কৰি সকলোকে একতাৰ ডোলেৰে বান্ধিবৰ চেষ্টা তেওঁ কৰিছিল। দাস্য ভক্তিৰ জৰিয়তে নিজকে ভগৱানৰ দাস আৰু তেওঁৰ একান্ত সেৱক বুলি প্ৰচাৰ কৰি নৈতিক চৰিত্ৰ গঠনত গুৰুত্ব দিছিল। ‘নামঘোষা’বা হাজাৰী ঘোষাত তেওঁৰ আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰ সমাহাৰে অসমীয়া সাহিত্যত এক অমূল্য ৰত্ন প্ৰদান কৰিছে। অন্ধবিশ্বাস আৰু কু-সংস্কাৰ নিবাৰণৰ বাবে তেওঁ অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল প্ৰাৰম্ভিক অৱস্থাত তেওঁ যদিও শাক্তপন্থী আছিল। শংকৰদেৱৰ সান্নিধ্যলৈ আহি অহিংসাৰ বাণী প্ৰচাৰ কৰে। ধৰ্ম আৰু সংস্কৃতি প্ৰচাৰৰ বাবে তেওঁ বৰপেটা সত্ৰ, ভেলা সত্ৰ আদি প্ৰতিষ্ঠা কৰিছিল। সত্ৰসমূহক কেন্দ্ৰ কৰি সমাজৰ অনুশাসন, শৃংখলা আৰু ঐক্য বজাই ৰাখিছিল। বৈৰাগী জীৱন পালন কৰিও শিষসকল আৰু ৰাইজক স্বাৱলম্বী হবলৈ পথ দেখুৱাইছিল। শংকৰদেৱৰ পদাংক অনুসৰণ কৰি তেওঁ ঝুমুৰা, নাচ, ভাওঁনা আৰু বৰগীত আদিৰ চৰ্চা অব্যাহত ৰাখিছিল যিয়ে সমাজখনক একত্ৰিত কৰাৰ লগতে নৈতিক আনন্দ প্ৰদান কৰিছিল। মাধৱদেৱৰ জীৱন আৰু কৰ্মই অসমীয়া সমাজক আজিও একতা, নীতি-নিয়ম আৰু মানৱীয় মূল্যবোধৰ পথ দেখুৱাই আহিছে।

মাধৱদেৱৰ বৰগীতত প্ৰকাশিত ভক্তিৰস

অজিত বৰুৱা

অসমীয়া বৈষ্ণৱ সাহিত্যৰ ইতিহাসত মহাপুৰুষ মাধৱদেৱৰ স্থান অতি উচ্চ বুলি ক'ব পাৰি। আমি জানো যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ যোগ্য শিষ্য হিচাপে তেওঁ এক শৰণ নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সাহিত্য, সংগীত, নাট্য আৰু ধৰ্মীয় চিন্তাধাৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতুলনীয়। মহাপুৰুষ মাধৱদেৱৰ অনন্য সৃষ্টিৰ ভিতৰত বৰগীতসমূহ বিশেষভাৱে উল্লেখযোগ্য। এই বৰগীতসমূহত গভীৰ আধ্যাত্মিকতা, কৃষ্ণভক্তি, বৈৰাগ্য আৰু আত্মসমৰ্পণৰ ভাৱ সুন্দৰভাৱে প্ৰকাশ পাইছে বুলি ক'ব পাৰি। বিশেষকৈ ভক্তিৰসৰ প্ৰকাশৰ ক্ষেত্ৰত মাধৱদেৱৰ বৰগীতসমূহ এক অনন্য নিদৰ্শন বুলিব পৰা যায়।

ভক্তিৰসৰ স্বৰূপঃ

ভাৰতীয় কাব্যতত্ত্বত ভক্তিৰস হৈছে ঈশ্বৰৰ প্ৰতি গভীৰ প্ৰেম, শ্ৰদ্ধা, বিশ্বাস আৰু আত্মসমৰ্পণৰ ফলত সৃষ্টি হোৱা আধ্যাত্মিক অনুভূতি। ভক্ত আৰু ভগৱানৰ মাজৰ সম্পৰ্কই এই ৰসৰ মূল আধাৰ। মাধৱদেৱৰ বৰগীতত এই ভক্তিৰস বিভিন্ন ৰূপত প্ৰকাশ পাইছে— দাস্যভাৱ, নাম-মাহাত্ম্য, বৈৰাগ্য, কৃষ্ণপ্ৰেম, আত্মনিবেদন আৰু কৰুণাভাৱৰ মাধ্যমেৰে।

১. দাস্যভাৱৰ মাজেৰে ভক্তিৰসঃ

মহাপুৰুষ মাধৱদেৱৰ বৰগীতত ভক্তই নিজকে ভগৱানৰ দাস বা সেৱক হিচাপে কল্পনা কৰিছে। ভগৱানৰ কৃপা অবিহনে জীৱৰ মুক্তি সম্ভৱ নহয়—এই বিশ্বাস তেওঁৰ গীতসমূহত স্পষ্ট। মহাপুৰুষ মাধৱদেৱৰ এই বৰগীটোত কোৱা হৈছে—

“হৰি হৰি, কতো দিনে বঞ্চিবা মোক,
চৰণ কমলত দিয়া শৰণ।”

ইয়াত ভক্তই ভগৱানৰ ওচৰত শৰণ বিচাৰি আকুল নিবেদন কৰা দেখিবলৈ পাওঁ। ভক্তৰ নিজৰ কোনো শক্তি নাই, কেৱল ঈশ্বৰৰ কৃপাইহে পৰিত্ৰাণ কৰিব পাৰে—এনে দাস্যভাৱেই ভক্তিৰসক গভীৰ কৰি তুলিছে বুলিব পাৰি।

২. নাম-মাহাত্ম্য আৰু ভক্তিৰসঃ

মহাপুৰুষ মাধৱদেৱৰ বৰগীতসমূহত হৰিনামৰ মাহাত্ম্য বিশেষভাৱে বৰ্ণিত হোৱা দেখিবলৈ পোৱা যায়। এক শৰণ নামধৰ্মৰ মূল ভেটিও হৈছে ভগৱানৰ নাম-স্মৰণ। কলিযুগত নাম-সংকীৰ্তনৰ জৰিয়তেহে মুক্তি লাভ কৰিব পাৰি বুলি তেওঁ বিশ্বাস কৰিছিল। সেয়েহে তেওঁ এনেদৰে বৰগীতত কৈছে—

“ৰাম মুকুন্দ মুৰাৰি বনমালী,
নাম স্মৰণে নাশে পাপজালি।”

এই বৰগীটিত নামৰ অলৌকিক শক্তিৰ বৰ্ণনা কৰা হৈছে। ভগৱানৰ নাম স্মৰণ কৰিলে মানুহৰ পাপ দূৰ হয় আৰু মন পবিত্ৰ হয়। নামৰ প্ৰতি এই অগাধ বিশ্বাস হৈছে ভক্তিৰসৰ এক শক্তিশালী প্ৰকাশ।

৩. কৃষ্ণৰ ৰূপ-মাধুৰ্যৰ বৰ্ণনাঃ

মহাপুৰুষ মাধৱদেৱৰ বহু বৰগীতত শ্ৰীকৃষ্ণৰ অপূৰ্ব ৰূপ, গুণ আৰু লীলাৰ বৰ্ণনাৰ বিষয়ে পোৱা যায়। শ্ৰীকৃষ্ণৰ সৌন্দৰ্যৰ বৰ্ণনাই ভক্তৰ হৃদয়ত প্ৰেম আৰু ভক্তিৰ সঞ্চাৰ কৰে। তেখেতে এনেদৰে এই বৰগীটিত কোৱা দেখিবলৈ পোৱা গৈছে—

“আদে দেখা নন্দনন্দন,
চন্দন চচিত অঙ্গ।”

ইয়াত কৃষ্ণৰ মনোমোহা ৰূপৰ বিষয়ে বৰ্ণনা কৰা হৈছে। চন্দন লেপিত শৰীৰ, মোহনীয় মুখমণ্ডল আৰু অপূৰ্ব সৌন্দৰ্যই ভক্তৰ মন আৰু হৃদয় আকৰ্ষিত কৰে। এনে ৰূপ-মাধুৰ্যৰ বৰ্ণনাৰ মাজেৰেই ভক্তিৰসৰো সৃষ্টি হৈছে বুলিব পাৰি।

৪. আত্মসমৰ্পণৰ ভাৱঃ

মহাপুৰুষ মাধৱদেৱৰ ভক্তিভাৱৰ মূল আধাৰ হৈছে সম্পূৰ্ণ আত্মসমৰ্পণ। তেওঁ বিশ্বাস কৰিছিল যে ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰিলেহে জীৱনে মুক্তিৰ পথ বিচাৰি পায়। সেয়েহে এই বৰগীটিত এনেদৰে তেওঁ প্ৰাৰ্থনা কৰা দেখা গৈছে—

“তোমাৰ চৰণ বিনে নাহি আন গতি,
দয়া কৰা নাথ মুকুতি দাতা।”

এই পংক্তিত ভক্তৰ অসহায় অৱস্থা আৰু ভগৱানৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীলতা সুন্দৰ ভাৱে প্ৰকাশ পাইছে। ইয়াত ভক্তই স্বীকাৰ কৰিছে যে ঈশ্বৰৰ বাহিৰে তেওঁৰ কোনো আৰু আশ্ৰয় নাই।

৫. বৈৰাগ্য ভাৱৰ প্ৰকাশঃ

মহাপুৰুষ মাধৱদেৱৰ বৰগীতত সংসাৰৰ অনিত্যতা আৰু মায়াৰ অসাৰতাৰ কথাও গভীৰভাৱে প্ৰকাশ পাইছেবুলিব পাৰি। তেওঁ মানুহক সংসাৰৰ মোহ ত্যাগ কৰি ঈশ্বৰভক্তিত মন প্ৰাণ সঁপি দিবলৈ আহ্বান জনাইছে। উদাহৰণস্বৰূপে-

“মন মৰি ৰাম চৰণহি লাগু,
সংসাৰ স্বপন সম জানু।”

ইয়াত সংসাৰক স্বপ্নৰ লগত তুলনা কৰা হৈছে। ধন-সম্পত্তি, ভোগ-বিলাস আদি সকলোবোৰ হৈছে ক্ষণস্থায়ী। সেয়ে ভগৱানৰ চৰণত মন নিবদ্ধ কৰাই জীৱনৰ প্ৰকৃত লক্ষ্য হোৱা উচিত। মাধৱদেৱৰ এই বৈৰাগ্য ভাৱেও ভক্তিৰসক অধিক তীব্ৰ কৰি তুলিছে বুলিব পৰা যায়।

৬. কৰুণা আৰু আক্ষেপৰ ভক্তিৰসঃ

মাধৱদেৱৰ বৰগীসমূহত ভক্তৰ অন্তৰৰ বেদনাও প্ৰকাশ পাইছে। তেওঁ নিজকে পাপী, অজ্ঞান আৰু অধম বুলি স্বীকাৰ কৰি ভগৱানৰ কৃপা কামনা কৰিছে। সেয়েহে এইদৰে গীতৰ মাধ্যমেৰে তেওঁ কৈছে-

“অপৰাধী মই অতি,
নাথ নকৰিবা বঞ্চিত।”

এই ধৰণৰ আত্মসমালোচনামূলক ভাৱে ভক্তিৰসৰ লগত কৰুণাৰসৰ সমন্বয় ঘটায় বুলিব পাৰি। এনেদৰে ভক্তৰ আন্তৰিক অনুতাপে শ্ৰোতাৰ মনত গভীৰ প্ৰভাৱ পেলায়।

৭. কৃষ্ণলীলাৰ মাধ্যমে ভক্তিৰসঃ

মহাপুৰুষ মাধৱদেৱৰ বহু বৰগীতত শিশু কৃষ্ণৰ বিভিন্ন লীলাৰ বিষয়ে বৰ্ণনা পোৱা যায়। গকুলত কৃষ্ণৰ ক্ৰীড়া, গোপ-বালকৰ লগত খেল-ধেমালি, যশোদাৰ স্নেহ আদিৰ বৰ্ণনাই ভক্তৰ মনত আনন্দ আৰু ভক্তিৰ অনুভূতি জগাই তোলে। উদাহৰণস্বৰূপে, কৃষ্ণৰ বাল্যলীলা বৰ্ণনা কৰা গীতসমূহত ভক্তই কৃষ্ণক কেৱল ভগৱান হিচাপে নহয়, এক মৰমলগা শিশুৰূপেও অনুভৱ কৰে। এই অনুভূতিয়ে ভক্তিৰসক অধিক সজীৱ আৰু মানৱীয় গুণৰহিত কৰি তোলে।

৮. ভাষা আৰু সুৰৰ মাধ্যমেৰে ভক্তিৰসঃ

মহাপুৰুষ মাধৱদেৱৰ বৰগীতৰ ভাষা সহজ, সুমধুৰ আৰু হৃদয়গ্ৰাহী। তেওঁ জটিল দাৰ্শনিক তত্ত্বকো সাধাৰণ মানুহে সহজে বুজিব পৰা ভাষাত প্ৰকাশ কৰিছে। ইয়াৰ ফলত ভক্তিৰ অনুভূতি অধিক শক্তিশালীভাৱে প্ৰকাশ পাইছে। আনহাতে, বৰগীতসমূহ বিভিন্ন ৰাগ-ৰাগিণীত ৰচিত। সুৰ আৰু শব্দৰ অপূৰ্ব সমন্বয়ে ভক্তিৰসক পূৰ্ণতা প্ৰদান কৰিছে বুলিব পাৰি। গীত গোৱাৰ সময়ত শ্ৰোতা আৰু গায়ক উভয়েই এক আধ্যাত্মিক আনন্দ অনুভৱ কৰা দেখিবলৈ পোৱা যায়।

৯. একশৰণ নামধৰ্মৰ আদৰ্শঃ

মহাপুৰুষ মাধৱদেৱৰ বৰগীতসমূহত একশৰণ নামধৰ্মৰ মূল তত্ত্বসমূহ প্ৰকাশ পোৱা দেখা যায়। কৃষ্ণই একমাত্ৰ উপাস্য, তেওঁৰ নামেই হৈছে মুক্তিৰ একমাত্ৰ পথ আৰু তেওঁৰ চৰণত আত্মসমৰ্পণেই জীৱনৰ পৰম লক্ষ্য- এই ধাৰণাসমূহে ভক্তিৰসৰ দাৰ্শনিক ভিত্তি গঢ়ি তুলিছে বুলিব পাৰি। তেওঁৰ বৰগীতসমূহত ভক্তই কেৱল ভগৱানৰ কৃপাকেই আশ্ৰয় হিচাপে গ্ৰহণ কৰা দেখা যায়। এই একনিষ্ঠ ভক্তিভাৱ হৈছে মহাপুৰুষ মাধৱদেৱৰ বৰগীতৰ মূল বৈশিষ্ট্য।

সামগ্ৰিকভাৱে ক'ব পাৰি যে মাধৱদেৱৰ বৰগীতসমূহ ভক্তিৰসৰ এক অমূল্য ভাণ্ডাৰ। দাস্যভাৱ, নাম-মাহাত্ম্য, কৃষ্ণৰ ৰূপ-মাধুৰ্য, আত্মসমৰ্পণ, বৈৰাগ্য, কৰুণা আৰু কৃষ্ণলীলাৰ বৰ্ণনাৰ মাধ্যমে ভক্তিৰসৰ অপূৰ্ব প্ৰকাশ ঘটাইছে বুলিব পাৰি। তেওঁৰ গীতসমূহে কেৱল ধৰ্মীয় অনুভূতি জগাই তোলাই নহয়, ই মানুহৰ অন্তৰক পবিত্ৰ কৰি আধ্যাত্মিক উন্নতিৰো পথ দেখুৱায়।

সুৰ, ভাষা আৰু ভাৱৰ সুন্দৰ সমন্বয়ৰ ফলত মাধৱদেৱৰ বৰগীত আজিও অসমীয়া সমাজৰ আধ্যাত্মিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ আছে বুলিব পৰা যায়। ভক্তিৰসৰ গভীৰতা, আন্তৰিকতা আৰু আধ্যাত্মিক মহিমাৰ বাবে এই বৰগীতসমূহ অসমীয়া সাহিত্য-সংস্কৃতিৰ এক চিৰস্মৰণীয় সম্পদ হিচাপে পৰিগণিত।

বেজেৰাস্থিত বিদ্যাভাৰতী মহাবিদ্যালয়ত দক্ষতা বিকাশ পাঠ্যক্ৰম সমাপ্ত

VIDYA BHARATI COLLEGE
Valedictory Session
CERTIFICATE COURSE ON PERSONALITY DEVELOPMENT

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১ জুন ঃ কামৰূপ (গ্ৰাম্য) জিলাৰ বেজেৰাস্থিত বিদ্যাভাৰতী মহাবিদ্যালয়ত আই কিউ এ চি (IQAC) আৰু NAAC Criterion Committee-I ৰ যৌথ উদ্যোগত আয়োজিত তিনি মাহীয়া দক্ষতা বিকাশ (Personality Development) পাঠ্যক্ৰমৰ সামৰণি উপলক্ষে মহাবিদ্যালয় প্ৰাংগণত আজি এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বিশিষ্ট লেখক মুনিন্দ্ৰ বৈশ্যই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশৰ ওপৰত এক মননশীল বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত শ্ৰীবৈশ্যই কয় "শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশৰ বাবে এটা স্থিৰ লক্ষ্য বান্ধি ল'ব লাগিব আৰু সেই লক্ষ্যত উপনীত হ'বলৈ সদায় চেষ্টা অব্যাহত ৰাখিব লাগিব। সেই প্ৰচেষ্টাত যদি কেতিয়াবা বিফলতাৰ সন্মুখীনো হ'বলগীয়া হয়, তাক লৈ ভয় কৰিবলগীয়া বা বিশেষ চিন্তা কৰিবলগীয়া নাই। কাৰণ যিয়ে জীৱনত কেতিয়াও বিফলতাৰ মুখ দেখা নাই তেওঁ সফলতাৰ সোৱাদো লাভ নকৰে। জীৱনত সফলতা লাভ কৰিবলৈ হ'লে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বই লাগিব।" এই প্ৰসংগত তেওঁ কেইবাগৰাকী বিশ্ব বিশ্ৰুত ব্যক্তিৰ জীৱনৰ প্ৰসংগ টানি আনি এক মননশীল বক্তৃতাৰে শিক্ষাৰ্থীসকলক উদ্বুদ্ধ কৰি তোলে। মহাবিদ্যালয়খনৰ অধ্যাপক ড° দুলাল হাজৰিকাই আঁত ধৰা অনুষ্ঠানটিত ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত কৃতি শিক্ষক শশাংক হাজৰিকাই আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত তেওঁ ব্যক্তিত্ব বিকাশ, মূল্যবোধভিত্তিক শিক্ষা, আত্ম-অনুশাসন আৰু জীৱনত সফলতা লাভৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। লগতে শেহতীয়াকৈ 'Art of Living' কাৰ্যসূচীত অংশগ্ৰহণ কৰি লাভ কৰা অভিজ্ঞতা শিক্ষাৰ্থীসকলৰ সৈতে ভাগ-বতৰা কৰে। তেওঁ নিজৰ জীৱনৰ সংগ্ৰাম, অধ্যৱসায় আৰু সফলতাৰ বাস্তৱ অভিজ্ঞতাৰ জৰিয়তে শিক্ষাৰ্থীসকলক সপোন দেখিবলৈ, ইতিবাচক মনোভাৱ গঢ়ি তুলিবলৈ আৰু সমাজৰ দায়িত্বশীল নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° সুজাতা দেউৰীয়ে। অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, আই কিউ এ চিৰ সদস্যবৃন্দ আৰু বহু সংখ্যক শিক্ষাৰ্থী উপস্থিত থাকে। সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। লগতে শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা ৰচনা প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা শিক্ষাৰ্থীসকলকো পুৰস্কাৰ প্ৰদান কৰা হয়।

কৃষ্ণচূড়া-সোণাৰুৰ ছাঁত ফুলিছে পদুম; সৰুপথাৰৰ ইতিহাস প্ৰসিদ্ধ ৰজাপুখুৰীত প্ৰকৃতিৰ উৎসৱ

☐ ইতিহাস আৰু প্ৰকৃতিৰ অপূৰ্ব সংগম; ৰজাপুখুৰীত পদুমৰ মেলা ☐

অসম বাৰ্তা, সৰুপথাৰ, ১ জুন ঃ ব'হাগ আৰু জেঠ মাহৰ সন্ধিক্ষণত সমগ্ৰ অসমৰ প্ৰকৃতিয়ে যেন এক নতুন ৰূপ লাভ কৰিছে। চাৰিওফালে কেৱল ৰঙৰ মেলা। সোণাৰু ফুলৰ হালধীয়া হাঁহি। প্ৰকৃতিৰ এই অপৰূপ সৌন্দৰ্যৰ এক বাস্তৱ নিদৰ্শন বৰ্তমান দেখিবলৈ পোৱা গৈছে সৰুপথাৰ সমজিলাৰ অন্তৰ্গত ১নং ৰজাপুখুৰীত। ইতিহাস আৰু প্ৰকৃতিৰ এক অপূৰ্ব মিলন ঘটিছে এই ঐতিহাসিক স্থানত। সৰুপথাৰৰ ১নং ৰজাপুখুৰীৰ সৌন্দৰ্যই মুহিছে প্ৰতিজন বাটৰুৱাৰ মন। কছাৰী ৰজাৰ স্মৃতি বিজড়িত সৰুপথাৰৰ ৰজাপুখুৰীৰ প্ৰাকৃতিক সৌন্দৰ্যই হাত বাউলি মাতিছে বাটৰুৱাক। সৰুপথাৰৰ ঐতিহাসিক ৰজাপুখুৰীৰ পাৰত মুগ্ধ বাটৰুৱা। বৰ্তমান সময়ছোৱা অসমৰ চৌপাশে সোণাৰু, কৃষ্ণচূড়া, ৰাধাচূড়া আৰু এজাৰ ফুলাৰ বতৰ। প্ৰকৃতিখনে যেন ৰঙা, হালধীয়া আৰু বেঙুনীয়া ৰঙৰ এক নান্দনিক সাজ পিন্ধিছে। সৰুপথাৰৰ এই ঐতিহাসিক ৰজাপুখুৰীৰ পাৰতো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। পুখুৰীৰ চাৰিওকাষে থকা গছবোৰে ৰঙীন সাজ পিন্ধি সমগ্ৰ পৰিৱেশটো জীপাল কৰি তুলিছে। সমান্তৰালকৈ, আয়তাকাৰ বৃহৎ পুখুৰীটোৰ বুকুতো ফুলি উঠিছে জাক জাক পদুম ফুল। পাৰৰ সোণাৰু-কৃষ্ণচূড়াৰ ছাঁ আৰু পুখুৰীৰ বুকুৰ পদুমৰ সমাহাৰে এক সৰগীয় পৰিৱেশৰ সৃষ্টি কৰিছে, যিয়ে বাটৰুৱাক হাত বাউলি মাতিছে। প্ৰাকৃতিক সৌন্দৰ্যৰ উপৰিও এই ৰজাপুখুৰীৰ বুকুত সোমাই আছে এক চহকী ইতিহাস, কছাৰী ৰাজত্বৰ নিদৰ্শন। স্থানীয় জনশ্ৰুতি অনুসৰি, এই বৃহৎ আয়তাকাৰ পুখুৰীটো অতীজতে কছাৰী ৰজাই খন্দাইছিল। প্ৰাচীন কালৰ ৰাজকীয় আভিজাত্য আৰু জল সংৰক্ষণৰ সু-ব্যৱস্থাৰ এক নিদৰ্শন হিচাপে এই পুখুৰীটো আজিও জিলিকি আছে। ই কেৱল এটা সাধাৰণ পুখুৰী নহয়, বৰঞ্চ অসমৰ গৌৰৱময় কছাৰী ৰাজত্বৰ এক নীৰৱ সাক্ষী। সমান্তৰালকৈ ৰজাপুখুৰীৰ ওচৰতেই আছে এটা ৰাণীপুখুৰী। দুয়োটা পুখুৰী কছাৰী ৰজাৰ দিনতেই খন্দুৱা হৈছিল। ইপিনে বিংশ শতিকাৰ প্ৰথম দশকতেই ৰজাপুখুৰীৰ পাৰতে গঢ়ি উঠিল এখন গাঁও। সেয়ে ৰজাপুখুৰীৰ পাৰত গঢ়ি উঠা এই গাঁওখনক আজিও ৰজাপুখুৰী শ্যাম গাঁও বুলিয়েই জনা যায়। ঐতিহাসিক পটভূমি আৰু প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই বৰ্তমান এই পথেৰে পাৰ হৈ যোৱা প্ৰতিজন বাটৰুৱাকে হাত বাউলি মাতিছে। যি পথেৰেই মানুহ নাযাওক কিয়, ৰজাপুখুৰীৰ এই বিনন্দীয়া ৰূপে তেওঁলোকক ক্ষন্তেকৰ বাবে হ'লেও বৈ সৌন্দৰ্য উপভোগ কৰিবলৈ বাধ্য কৰায়। যান্ত্ৰিকতাৰ ব্যস্ত জীৱনৰ মাজত পুখুৰীৰ পাৰৰ এই শান্ত আৰু মোহনীয় পৰিৱেশে মানুহক এক অনাবিল প্ৰশান্তি প্ৰদান কৰিছে। প্ৰকৃতি আৰু ইতিহাসৰ এনে সুন্দৰ সংগমস্থলীয়ে ভৱিষ্যতে অঞ্চলটোত পৰ্যটনৰ এক নতুন সম্ভাৱনা কঢ়িয়াই অনাৰো আশা কৰা হৈছে। স্থানীয় যুৱতী প্ৰিয়মপলা চুতীয়াই কয়, "ৰজাপুখুৰীয়ে আমাৰ পৰিচয় বহন কৰে। ৰজা পুখুৰীয়ে আমাৰ ইতিহাস সোঁৱৰায়। ৰজাপুখুৰীয়ে আমাক সদায় গৌৰৱেৰে জীয়াই থকাৰ প্ৰেৰণা আগবঢ়ায়। ৰজাপুখুৰীৰ ইতিহাস যদি আমি খুচৰিবলৈ যাওঁ তেন্তে এটা কথা ক'ব লাগিব যে আহোমসকল অহাৰ আগৰ সময়খিনিতে কছাৰী ৰজাই এই পুখুৰীভাগ খন্দাইছিল বুলি জনশ্ৰুতি আছে। আৰু জনশ্ৰুতি অনুসৰি অকণমান নাতিদূৰলৈ গ'লে আমি দেখিম যে এটা ৰাণী পুখুৰী ৰজাই ৰাণীৰ স্মৃতিত খন্দাইছিল বুলি জনশ্ৰুতি আছে। যোৱা কেইবাটাও বছৰত কিবা কাৰণত ইয়াতে গোটেই চাফা কৰি পেলোৱা হৈছিল, পদুম ফুলবোৰ উঠুৱাই পেলোৱা হৈছিল, কিন্তু এই ৰজা পুখুৰীটোক মাজে মাজে মানুহে দেও লগা পুখুৰী বুলিও অভিহিত কৰে। কিয়নো ইয়াত যিয়েই নহওক লাগে, কিন্তু প্ৰতি সময়তে এই পুখুৰীটো আকৌ আগৰ নিচিনা হৈ যায়। যিমানেই লাগিলে ইয়াক পৰিৱৰ্তন আনিবলৈ চেষ্টা নকৰক কিয়, কিন্তু পুখুৰীটোৱে কেতিয়াও নিজৰ গৰিমা, নিজৰ ম্লান কেতিয়াও হ'বলৈ নিদিয়ে। গতিকে ৰজা পুখুৰীয়ে আমাৰ শিপাক সম্পৃক্ত কৰি আছে। ৰজা পুখুৰীক লৈ আমি জীয়াই আছোঁ আৰু সোণাৰু, কৃষ্ণচূড়া যিহেতু আলংকাৰিক আৰু সৌন্দৰ্য্যবৰ্ধক গছ হিচাপে আমি চিনি পাওঁ। এইখিনি সময়ত খুব মনোমুগ্ধকৰ পৰিৱেশ এটা হৈ ৰজা পুখুৰীয়ে আমাক চিনাকি দি আছে, বাটৰুৱাক মোহিত কৰি আছে।" লগতে কয়, "ইতিহাস প্ৰসিদ্ধ ঠাইক, এনেকুৱা এখন ঠাইক আমি নিশ্চয়কৈ চৰকাৰে এইসমূহক লৈ কাম কৰিব লাগে। এইইতিহাস প্ৰসিদ্ধ ঠাইসমূহক আমি যদি মান্যতা দিবলৈ নিশিকোঁ তেতিয়াহ'লে আমাৰ পিছৰ প্ৰজন্মই এইসমূহ ইতিহাসক কেনেধৰণে লৈ যাব বা আমাৰ শিপাডাল আমি কেনেধৰণে নি চিনি পাম। গতিকে এই কামসমূহৰ ওপৰত চৰকাৰে অতি শীঘ্ৰে কাম কৰক, তেওঁলোকে সংৰক্ষণৰ ব্যৱস্থা কৰক। ইয়াতে মানুহৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰক তেতিয়াহে আমাৰ ইতিহাস, আমাৰ শিপা আমাৰ সৈতে সম্পৃক্ত হৈ থাকিব।"

ধিঙত শেৰালি বঁটা প্ৰদান অনুষ্ঠান

অসম বাৰ্তা, বটদ্ৰৱা, ১ জুন ঃ শেৱালি কবি ৰত্নকান্ত বৰকাকতি স্মৃতি ন্যাস পৰিচালনা সমিতিৰ উদ্যোগত আৰু ধিঙৰ জ্যেষ্ঠ নাগৰিক সন্থাৰ সহযোগত আজি মেধাবী ছাত্ৰ ছাত্ৰী সকলক শেৱালি বটা প্ৰদান কৰা হয। ধিঙৰ জ্যেষ্ঠ নাগৰিক সন্থাৰ কাৰ্যালয়ত শিক্ষাবিদ অমল বৰাৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাত উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চুড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ধিং অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ ছাত্ৰী সকলক শেৱালি কবি ৰত্নকান্ত বৰকাকতী স্মৃতি ন্যাসৰ তৰফৰ পৰা " শেৱালি বটা" প্ৰদান কৰা হয। এই বটা প্ৰদান অনুষ্ঠানত বহুকেইগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

বকোৰ শিক্ষাবিদ-সাহিত্যিক ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভা ১২ জুলাইত

অসম বাৰ্তা, বকো, ১ জুন ঃ অসম সাহিত্য সভাৰ হিতৈষী সভ্য তথা কামৰূপ জিলা সাহিত্য সভাৰ সদ্য প্ৰয়াত সভাপতি ডঃ গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভা অহা ১২ জুলাইত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে; কামৰূপ জিলা সাহিত্য সভা আৰু বকো সাহিত্য সভা শতদল শাখাৰ যৌথ উদ্যোগত আয়োজন কৰিব লোৱা তাৎপৰ্যপূৰ্ণ বিষয়টো আলোচনা কৰিবলৈ আজি বকো সাহিত্য সভা ভৱনত অনুষ্ঠিত হয় এখন যৌথ বিশেষ সভা। সভাত বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° গণেশ্বৰ চহৰীয়াৰ সোঁৱৰণ চাৰণ সভা তথা সোঁৱৰণ গ্ৰন্থ উন্মোচন সম্পৰ্কীয় বিষদ আলোচনা কৰা হয়। এই মহত্ত্বপূৰ্ণ বিষয়টো আলোচনাৰ বাবে এখনি গুৰুত্বপূৰ্ণ সভা আজি বকো সাহিত্য সভা শতদল শাখাৰ সভাপতি নৃপেন ভাগৱতীৰ সঞ্চালনাত অনুষ্ঠিত হয়। বকো সাহিত্য সভাৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী জনাৰ্দ্দন বড়োই আঁত ধৰা কাৰ্য্যসূচীত সদ্য প্ৰয়াত শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়াৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান; স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাৰ ওপৰত বিষদ আলোকপাত কৰা হয়। আলোচনাত সৰ্বসন্মতিক্ৰমে অহা ১২ জুলাই ৰবিবাৰে বকোত বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। অতি গুৰুত্বপূৰ্ণ বিষয়টোৰ আলোচনা চক্ৰত কামৰূপ জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰমেশ চন্দ্ৰ মেধি আৰু সাধাৰণ সম্পাদক ৰজনী শালৈ, সাংগঠনিক সম্পাদক জয়ন্তজিৎ কলিতা, কোষাধ্যক্ষ দিলীপ ঠাকুৰীয়া; জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক তথা কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতা, বকো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি-সভানেত্ৰী আৰু বিষয় ববীয়া সকলে সহযোগ আগবঢ়ায়। ড° চহৰীয়া দেৱৰ শিক্ষা-সামাজিক আৰু সাংস্কৃতিক কৰ্মৰাজিৰ অৱদানক সোঁৱৰণ কৰি অনুষ্ঠিত কৰিব লোৱা মনোজ্ঞ কাৰ্য্যসূচী বকোস্থিত কলেজ অৱ এডুকেশ্যনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হ'ব বুলি জানিব দিয়ে বকো সাহিত্য সভাৰ সাধাৰণ সম্পাদক জনাৰ্দন বড়োই। ইফালে ড° চহৰীয়াৰ স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী কাৰ্য্যসূচী পৰিচালনা সমিতিৰ মুখ্য পৃষ্ঠপোষক তথা ড° চহৰীয়াৰ সহধৰ্মিনী ড° বিজয়া ডেকা, সম্পাদকদ্বয় পবিত্ৰ কৈৱৰ্ত আৰু পংকজ কলিতাই জনোৱা অনুসৰি এক মননশীল বক্তৃতা অনুষ্ঠানৰ জৰিয়তে ড° গণেশৰ চহৰীয়াৰ জীৱন কালত কৰা শৈক্ষিক সামাজিক আৰু বৌদ্ধিক কৰ্মৰাজিক সোঁৱৰণ কৰা হ'ব। এই বিষয়ে আলোকপাত কৰিবলৈ বিশেষ বক্তা আৰু আলোচক হিচাপে বিশেষ ব্যক্তিক নিমন্ত্ৰণ জনোৱা হ'ব বুলি ঘোষণা কৰে আয়োজন সমিতিয়ে। ইফালে ড° চহৰীয়াৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিচাৰণ সভাৰ বাবে যাৱতীয় বিধি ব্যৱস্থা কৰিবলৈ আলোচনা কৰা হৈছে লগতে সোঁৱৰণ গ্ৰন্থত প্ৰকাশৰ বাবে ইতিমধ্যে অসমৰ ভিন্ন প্ৰান্তৰ লেখক-লেখিকা, সাহিত্যিক আৰু সাংবাদিকৰ পৰা তত্ত্বগধুৰ লেখনি সংগ্ৰহ কৰি থকা হৈছে। ইয়াৰোপৰি সদাশয় লেখক লেখিকাৰ পৰা লেখনি বিচাৰি আবেদন জনাইছে সোঁৱৰণ গ্ৰন্থ প্ৰকাশক সমিতিয়ে।

জিলা পথ সুৰক্ষা সমিতিৰ বৈঠকত অবৈধ পাৰ্কিং, বেদখল উচ্ছেদ আৰু দুৰ্ঘটনা প্ৰতিৰোধমূলক ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ

ৰাষ্ট্ৰীয় ঘাইপথ সুৰক্ষাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ জুন ঃ মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন সভা জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব কুমাৰী আৰতি, অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক অনিতা হাজৰিকা, সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁই, জিলা পথ সুৰক্ষা সমিতিৰ সদস্য-সচিব জিন্নত আহমেদ আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। সভাৰ আৰম্ভণিতে সদস্য-সচিবগৰাকীয়ে পূৰ্বৰ জিলা পথ সুৰক্ষা সমিতিৰ সভাত গৃহীত সিদ্ধান্তসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে অৱগত কৰে। লগতে জিলাখনত চলি থকা বিভিন্ন পথ সুৰক্ষা কাৰ্যসূচীৰো পৰ্যালোচনা কৰা হয়। আজিৰ সভাৰ এক গুৰুত্বপূৰ্ণ বিষয় আছিল ৰাষ্ট্ৰীয় ঘাইপথত সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰা আৰু পথ দুৰ্ঘটনাজনিত মৃত্যুৰ সংখ্যা হ্ৰাস কৰাৰ লক্ষ্যৰে উচ্চতম ন্যায়ালয়ে শেহতীয়াকৈ জাৰি কৰা নিৰ্দেশনাসমূহ। এই সন্দৰ্ভত বক্তব্য ৰাখি জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব কুমাৰী আৰতিয়ে সংশ্লিষ্ট সকলো বিভাগ আৰু সংস্থাক ন্যায়ালয়ৰ নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰিবলৈ আহ্বান জনায়। সভাত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত নিৰ্ধাৰিত পাৰ্কিং স্থান, লে'-বাই বা ৰে'ছাইড এমেনিটিৰ বাহিৰে গধুৰ আৰু বাণিজ্যিক বাহন পাৰ্কিং বা ৰখোৱাত নিষেধাজ্ঞা সম্পৰ্কীয় ন্যায়ালয়ৰ নিৰ্দেশনাৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। লগতে Advanced Traffic Management System, জি পি এছ ভিত্তিক নিৰীক্ষণ, ই-চালান ব্যৱস্থা আৰু নিয়মীয়া তহলদাৰীৰ জৰিয়তে আইন প্ৰয়োগ শক্তিশালী কৰাৰ বিষয়েও আলোচনা কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্ধাৰিত এলেকাৰ ভিতৰত থকা বেদখল আৰু অনুমোদন নোহোৱাকৈ স্থাপন কৰা বাণিজ্যিক প্ৰতিষ্ঠানসমূহ উচ্ছেদ সম্পৰ্কীয় ন্যায়ালয়ৰ নিৰ্দেশনাৰ ওপৰতো সভাত গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। নিৰ্দেশনা অনুসৰি ঘাই পথ কৰ্তৃপক্ষৰ অনুমোদন অবিহনে অনুজ্ঞাপত্ৰ প্ৰদান, আপত্তিবিহীনতাৰ প্ৰমাণপত্ৰ বা ব্যৱসায়িক অনুমতি প্ৰদান বা নবীকৰণ কৰিব নোৱাৰিব। ইয়াৰ উপৰি জিলা ঘাইপথ সুৰক্ষা টাস্ক ফৰ্চ গঠন, দুৰ্ঘটনাপ্ৰৱণ স্থানসমূহ চিনাক্তকৰণ আৰু সংশোধন, কেমেৰা আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থা স্থাপন, লগতে গধুৰ বাহন চালকসকলৰ বাবে নিৰাপদ বিশ্ৰাম আৰু পাৰ্কিঙৰ সুবিধা নিশ্চিত কৰিবলৈ ট্ৰাক লে'-বাই আৰু ৰে'ছাইড এমেনিটি বিকাশৰ বিষয়েও আলোচনা কৰা হয়। সভাৰ অন্তত জিলা আয়ুক্তগৰাকীয়ে সকলো সংশ্লিষ্ট বিভাগক সমন্বয়েৰে কাম কৰি উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাসমূহৰ কাৰ্যৰূপায়ণ নিশ্চিত কৰাৰ নিৰ্দেশ দিয়ে। লগতে জিলাখনত পথ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰি পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ ক্ষেত্ৰত সকলোৰে মিলি কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

নীলবাগানত চৰকাৰী ভূমিত অবৈধভাৱে ব্যৱসায় প্ৰতিষ্ঠান উচ্ছেদ কৰাৰ দাবী

অসম বাৰ্তা, ডবকা, ১ জুন ঃ হোজাই জিলাৰ নীলবাগান অভাৰ ব্ৰীজৰ পূৱ আৰু পশ্চিম দিশত পথৰ ওপৰত এটা চক্ৰই বিগত সময়ত কংগ্ৰেছ চৰকাৰৰ দিনৰে পৰাই অবৈধভাৱে দখল কৰি পদ পথৰ ওপৰত দোকান ঘৰ সাজি ৰমৰমীয়া ব্যৱসায় চলাই যোৱাৰ লগতে আন এটা চক্ৰই পথৰ ওপৰত অবৈধ পাৰ্কিং স্থাপন কৰি সৰু ডাঙৰ যান-বাহনৰ লগতে অ'টৰিস্কা, ই-ৰিস্কা আদিৰ পৰা ধন সংগ্ৰহ কৰিছে। নীলবাগানত পথৰ ওপৰত পাৰ্কিং কৰাৰ ফলত পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে পথাচাৰী সকল ব্যাপক অসুবিধাৰ সন্মুখীন হৈ আহিছে। ইতিমধ্যে ডবকা ৰাজহ চক্ৰ বিষয়াই চৰকাৰী ভূমিত স্থাপন কৰা ব্যৱসায়িক প্ৰতিষ্ঠান, দোকান ঘৰ, অবৈধ পাৰ্কিং আস্থান উচ্ছেদৰ নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে। কিন্তু সেই নিৰ্দেশক কেৰেপ নকৰি একাংশই চৰকাৰী ভূমিত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা শকত অংকৰ ধন ভাড়া হিচাপত আদায় কৰি গৈছে। ফলত নীলবাগান তিনি আলি বজাৰত দিনক দিনে বৃদ্ধি পাই অহা যানজঁট আৰু পথচাৰীৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি হোজাই জিলা আয়ুক্তক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে। ইপিনে ডবকা ৰাজহ চক্ৰ বিষয়াই ফুটপাথ আৰু পথৰ কাষত অবৈধভাৱে দখল কৰি ব্যৱসায় চলাই থকা ব্যৱসায়ী সকলক তাৎক্ষণিক ভৱে ঠাইসমূহ খালি কৰাৰ নিৰ্দেশ জাৰি কৰিছিল। জানিব পৰা মতে, নীলবাগান বজাৰৰ অ'ভাৰ ব্ৰীজৰ পূব আৰু পশ্চিম ফালে বহু ব্যৱসায়ীয়ে ফুটপাথ দখল কৰি দোকান, ঠেলা গাড়ী আৰু বিভিন্ন সামগ্ৰী ৰখাৰ ফলত সাধাৰণ পথচাৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, বৃদ্ধ লোক আৰু মহিলাযাত্ৰী সকলৰ বাবে পথত চলাচল কষ্টকৰ হৈ পৰিছে। স্থানীয় লোকসকলে বজাৰ কৰিবলৈ আহি চাৰি চকীয়া বাহন এখন ৰখা দূৰৰ কথা মটৰচাইকেল এখন ৰাখিব পৰা নাযায়। পথৰ দাঁতিত থকা ফল-মূলৰ দোকান কেইখনেও যাতায়তৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হৈছে। পথেৰে চলাচল কৰা ৰাইজৰ সমস্যা সমূহৰ প্ৰতি লক্ষ্য ৰাখি অতি শীঘ্ৰে প্ৰশাসনে চৰকাৰী ভূমিত ব্যৱসায় কৰা, পথৰ দাঁতিত তিৰপলেৰে ঘৰ সাজি দোকান দিয়া ঠাইসমূহ উচ্ছেদ কৰিবলৈ সচেতন ৰাইজে দাবী জনাইছে। আনহাতে, ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত পাৰ্কিং স্থাপন কৰি ধন সংগ্ৰহ কৰা কাৰ্য বন্ধ কৰাৰ দাবী উত্থাপন কৰিছে সচেতন মহলে।

অবৈধ শিল খনন, প্ৰকৃতি ধ্বংস কৰা কোনো ব্যক্তি বাচি যাব নোৱাৰিব ঃ বিশ্বজিৎ ফুকন

শিল মাফিয়াৰ বিৰুদ্ধে অধিক কঠোৰ হৈ পৰিছে বিধায়ক বিশ্বজিৎ ফুকন

মাফিয়াৰ ঘৰে-ঘৰে আৰক্ষীৰ অভিযান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১ জুন ঃ সৰুপথাৰ সমষ্টিত এতিয়া শীল মাফিয়াৰ বিৰুদ্ধে অধিক কঠোৰ হৈ পৰা দেখা গৈছে বিধায়ক বিশ্বজিৎ ফুকনক। বিভিন্ন কেলেংকাৰীৰে জড়িত ব্যক্তিৰ বাবে এতিয়া মুৰৰ কামোৰণি স্বৰূপ হৈ পৰিছে বিধায়ক বিশ্বজিৎ ফুকন। ১০৭নং সৰুপথাৰ বিধান সভা সমষ্টিত দ্বিতীয় বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈ বিধায়ক বিশ্বজিৎ ফুকনে শপত গ্ৰহণৰ পিছতেই একচন আৰম্ভ কৰি দিছে। অসম-নগালেণ্ড সীমান্তৰ দৈয়াং নদীত এচাম দুষ্ট চক্ৰই বহু দিনৰে পৰাই অবৈধভাৱে শীল খনন কৰি কোটি কোটি টকাৰ ব্যৱসায় কৰি নিজৰ পকেট গৰম কৰি আহিছিল। কিন্তু এতিয়া সেই সকল শীল মাফিয়াৰ বিৰুদ্ধে বিধায়ক বিশ্বজিৎ ফুকনে কঠোৰ স্থিতি গ্ৰহণ কৰা দেখা গৈছে। অবাধ হাৰত দিনে নিশাই শিল খনন কৰি দৈয়াং নদীৰ গতি সলনি কৰি দিয়া এই সকল শিল মাফিয়া সন্দৰ্ভত বিধায়কজনে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰে। মুখ্যমন্ত্ৰী গৰাকীয়ে বিষয়টো গম পোৱাৰ পিছতে ৰাজ্যৰ বন বিভাগৰ মুখ্য সচিব এম.কে. যাদৱক সৰুপথাৰৰ অসম-নগালেণ্ড সীমান্তলৈ গৈ গোটেই বিষয়টো তাৎক্ষণিকভাৱে নিৰীক্ষণ কৰিবৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে বন বিভাগৰ মুখ্য সচিব এম.কে যাদৱে গোলাঘাট জিলাৰ আয়ুক্ত, সৰুপথাৰ সমজিলা আয়ুক্ত আৰু সৰুপথাৰ আৰক্ষী আৰু চিআৰপিএফ বাহিনীক লগত লৈ এটা বৃহৎ দল চাৰিদিন পূৰ্বে দৈয়াং নদীৰ কাষত উপস্থিত হৈ গোটেই বিষয়টোৰ সন্দৰ্ভত অনুসন্ধান চলাই ৰাওনা হয়। মুখ্য সচিব গৰাকী উভতি যোৱাৰ পিছতেই সৰুপথাৰত আৰক্ষীয়ে কঠোৰ অভিযান আৰম্ভ কৰে। অবৈধ শিল খননৰ লগত জড়িত মুঠ ১২গৰাকীকৈ শিল মাফিয়াৰ বিৰুদ্ধে উৰিয়ামঘাট আৰক্ষী থানাত ইতিমধ্যে গোচৰ ৰুজু কৰা হৈছে। গোচৰ ৰুজুৰ পিছতেই সৰুপথাৰ সমজিলাৰ আৰক্ষীয়ে শিল মাফিয়া জান গগৈ, পৱন আগৰৱালা, বিজু আগৰৱালাৰ ঘৰত অভিযান চলাই। আৰক্ষীৰ অভিযানৰ সময় চোৰাত তিনিওজনেই ঘৰত উপস্থিত নাছিল যদিও আৰক্ষীয়ে চোকা দৃষ্টি ৰাখিছে আৰু ক্ষিপ্ৰতাৰে তদন্ত প্ৰক্ৰিয়া চলাই গৈছে। সৰুপথা সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে শিল মাফিয়াৰ সন্দৰ্ভত কয়- কেৱল শিলেই নহয় সৰুপথাৰ সমষ্টিত যিকোনো অবৈধ কামৰ বাবে আমি কঠোৰ। সেইয়া লাগিলে মাৰাত্মক ড্ৰাগ্‌চ, অবৈধ চুলাই, অবৈধ চুফাৰি বা যিকোনো দুৰ্নীতিযুক্ত কামেই নহওক কিয়। বেআইনীভাৱে কৰা সকলো কামৰ বিৰুদ্ধে তদন্ত চলিব। শিল মাফিয়াই নিজৰ মুনাফা লাভৰ বাবে নদীখনৰ ওপৰত, প্ৰকৃতিৰ ওপৰত আৰু বনজ সম্পদৰ ওপৰত অত্যাচাৰ চলাইছে। গতিকে এই অবৈধ শিল মাফিয়াৰ বিৰুদ্ধে আমি কঠোৰ সিদ্ধান্ত লৈছোঁ। লগতে বিধায়কজনে কয় আমি শিল ব্যৱসায়ৰ বিৰোধিতা কৰা নাই। কাৰণ উন্নয়নমূলক কাম দলং, ৰিফাইনেৰী, ফ্লাইঅভাৰ, ৰাস্তা, ঘৰ প্ৰত্যেকটো ক্ষেত্ৰতে শিলৰ প্ৰয়োজন আছে। কেৱল বেআইনীভাৱে যিসকলে এই কাম কৰিছে, প্ৰকৃতি ধ্বংস কৰিছে সেইসকল বাচি যোৱাৰ সুযোগ নাই, এই অবৈধ শীল খননৰ লগত জড়িত প্ৰত্যকে গৰাকী ব্যক্তি আইনগতভাৱে তদন্তৰ আওতালৈ আনি কঠোৰ শাস্তি বিহিবলৈহে আমি পুলিচ প্ৰশাসনক অনুৰোধ জনাইছো। ইফালে এই শিল মাফিয়া সকল উগ্ৰপন্থী সংগঠনৰ সৈতেও জড়িত থকাৰ প্ৰমাণ পাইছে বুলি বিধায়ক গৰাকীয়ে সদৰি কৰে।

পথ পকীকৰণৰ দাবী ৰাইজৰ

জোৰশিমুলী-ভিতৰদুৱাৰ পথৰ শোচনীয় ৰূপ

অসম বাৰ্তা, গৌৰমাৰী, ১ জুন ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত জোৰশিমুলী-ভিতৰদুৱাৰৰ বিস্তৃত কেঁচা, জৰাজীৰ্ণ গ্ৰাম্য পথটোৰে ৰাইজ-শিক্ষাৰ্থীয়ে দুৰ্বিষহ যাতায়াত অব্যাহত ৰাখিছে। খৰালিকালত বালিময় তথা বাৰিষাত পথটো কদৰ্যৰূপ ধাৰণ কৰাত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপৰি সাধাৰণ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনা ভুগি আহিছে। শোচনীয় অৱস্থাত থকা গ্ৰাম্য পথটো আজিকোপতি পকীকৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। জোৰশিমুলীৰ পকী পথৰ পৰা পূব অংশৰ ভিতৰদুৱাৰৰ পকী পথলৈ যোৱা গুৰুত্বপূৰ্ণ পথছোৱা উন্নীতিকৰণৰ বাবে যেন আহৰি নাই কোনো এজন জনপ্ৰতিনিধিৰ। উল্লেখ্য যে বিগত নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰভাৱশালী নেতাসকলে অঞ্চলবাসীক উন্নয়নৰ ৰঙীন সপোন দেখুৱাই আহিছে। প্ৰতিনিধিসকলে দেখুওৱা সপোন যে আজিকোপতি বাস্তৱত পৰিণত নহ'ল, সেয়া প্ৰতিপন্ন কৰিছে উপৰিউক্ত কেঁচা শোচনীয় পথটোৰ ক্ষেত্ৰত। ইপিনে অঞ্চলটোৰ যাতায়াত ব্যৱস্থাক লৈ উদ্বিগ্ন হৈ পৰিছে সচেতন ৰাইজসকল। উক্ত পথটো অতি শীঘ্ৰে পকীকৰণৰ ব্যৱস্থা কৰিবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী কৰিছে।

নলবাৰীৰ গংগাপুৰৰ হত্যাকাণ্ডৰ অভিযুক্তক এনকাউণ্টাৰ

অস্ত্ৰৰ উপৰ্যুপৰি আঘাতত মাধুৰ্য পথত লুটি খাই পৰে। দুৰ্বৃত্তৰ আক্ৰমণৰ পৰা ৰক্ষা নাপালে মৃদুমুদ্ৰায়ো। স্থানীয় লোকে দুয়োজনকে ৰক্তাক্ত অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নলবাৰী মেডিকেল কলেজ হাস্পতালত চিকিৎসকে মাধুৰ্য বৰ্মনক মৃত ঘোষণা কৰে। আনহাতে, মূৰ আৰু শৰীৰৰ বিভিন্ন অংশত গুৰুতৰ আঘাত পোৱা মৃদুমুদ্ৰা ডেকাক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ স্থানান্তৰ কৰা হয়। চিকিৎসকৰ নিৰন্তৰ তত্ত্বাৱধানত তেওঁৰ চিকিৎসা চলি আছে।

■ প্ৰতিশ্ৰুতিৰ স্বাক্ষৰ আছিল মাধুৰ্য

পশ্চিম নলবাৰী অঞ্চলৰ চামতা ভকতপাৰাৰ বাসিন্দা মাধুৰ্য বৰ্মন কেৱল এজন ছাত্ৰ সংগঠকেই নাছিল; তেওঁ আছিল এক সম্ভাৱনাময় ভৱিষ্যতৰ নাম। প্ৰাক্তন ছাত্ৰ নেতা হৰি চন্দ্ৰ বৰ্মন আৰু শিক্ষয়িত্ৰী গীতা বৰ্মনৰ একমাত্ৰ সন্তান মাধুৰ্যই এইবাৰ চামতাস্থিত ইডেন ভেলী নামৰ শিক্ষানুষ্ঠানখনৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ শিক্ষাক্ষেত্ৰতো নিজৰ মেধাৰ পৰিচয় দিছিল। পৰিয়াল, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া আৰু সংগঠনৰ সহকৰ্মীসকলৰ বাবে তেওঁৰ মৃত্যু এক অপূৰণীয় ক্ষতি হিচাপে পৰিগণিত হৈছে।
ঘটনাটোৰ পাছতে অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ বিৰাজ কৰিছে।

■ অন্তিমবাৰৰ বাবে লৈছিল ম'ম'ৰ সোৱাদ

জানিব পৰা মতে নিহত নলবাৰী চহৰত পাঠ্যক্ৰমৰ কিতাপ কিনিবলৈ যোৱাৰ পাছত মাহীয়েকৰ ছোৱালী মৃদুমুদ্ৰা ডেকাক দেওবাৰে সন্ধিয়া ঘৰলৈ থ'ব গৈছিল মাধুৰ্যই। মৃদুমুদ্ৰাই মাকক প্ৰতিমুহূৰ্তৰ খবৰো হেনো ফোনযোগে জনাই আছিল। মৃদুমুদ্ৰাৰ মাকৰ ভাষ্য অনুসৰি নিকটৱৰ্তী গোৱালপাৰা চ'কত ম'ম' খাই ঘৰলৈ আগুৱাই থকা বুলি জনোৱাৰ কিছুসময়ৰ পাছতে তেওঁলোকে খবৰ পায় মাধুৰ্য-মৃদুমুদ্ৰা দুৰ্ঘটনাত পতিত হোৱা বুলি। উধাতু খাই পৰিয়ালৰ লোক ঘটনাস্থলীলৈ গৈ তেজেৰে তুমুৰলি অৱস্থাত উদ্ধাৰ কৰে মাধুৰ্য বৰ্মনক। কাষতে পৰি আছিল মৃদুমুদ্ৰাৰো আহত দেহ। লগে লগে দুয়োকে পৰিয়ালৰ সহযোগত একাংশ লোকে চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নলবাৰী মেডিকেল কলেজ এণ্ড হস্পিতালত দুয়োকে ভৰ্তি কৰাৰ পাছত চিকিৎসকে মাধুৰ্য্যক মৃত ঘোষণা কৰে আৰু গুৰুতৰভাৱে আহত মৃদুমুদ্ৰাক জি এম চি এইচলৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে।

■ লাভ জেহাদৰ কৰুণ পৰিণতি

কিয় সংঘটিত হ'ল এই লোমহৰ্ষক হত্যাকাণ্ড ? কেনেকৈ সংঘটিত হ'ল এই আক্ৰমণৰ ঘটনা ? কাৰ স্বাৰ্থত অকালতে নুমাই দিয়া হ'ল এটি সম্ভাৱনাময় জীৱনৰ প্ৰদীপ ? এনেধৰণৰ প্ৰশ্নসমূহে এতিয়া আলোড়িত কৰি তুলিছে সমগ্ৰ নলবাৰী জিলা। ইতিমধ্যে আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। আক্ৰমণৰ আঁৰৰ প্ৰকৃত কাৰণ উদঘাটনৰ বাবে বিভিন্ন দিশত অনুসন্ধান চলোৱা হৈছে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। যদিও ঘটনাটোক কেন্দ্ৰ কৰি বিভিন্ন ধৰণৰ আলোচনা আৰু জল্পনা-কল্পনা চলিছে, তথাপি তদন্ত সম্পূৰ্ণ নোহোৱালৈকে কোনো সম্ভাৱনাক নিশ্চিত ৰূপে গ্ৰহণ কৰা হোৱা নাই। তেনে সময়তে গংগাপুৰৰ লোমহৰ্ষক হত্যাকাণ্ডৰ আঁৰৰ কাৰণ লাভ জেহাদ বুলি সৰ্বত্ৰ চৰ্চিত হৈছে। আনকি মৃদুমুদ্ৰাৰ মাকে সংবাদ মাধ্যমৰ সন্মুখতো উত্থাপন কৰিছে একেই অভিযোগ। উত্থাপিত অভিযোগ অনুসৰি ৰোজ আলী ওৰফে আছিক খান নামৰ পাৰ্শ্বৱৰ্তী কালাকুছি গাঁও নিবাসী যুৱক এজনে মৃদুমুদ্ৰাক প্ৰেমৰ প্ৰস্তাৱ দি ব্যতিব্যস্ত কৰি আহিছিল বহুবছৰ ধৰি। আনকি ৰোজে মৃদুমুদ্ৰাৰ পৰিয়ালৰ লোককো দাবী-ধমকি দি আহিছিল হেনো। মৎদুমুদ্ৰাৰ মাতৃয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে মৃদুমুদ্ৰাৰ লগতে মাককো ছুৰীৰে হানি হত্যাৰো ভাবুকি দিছিল হেনো ৰোজে। প্ৰেমৰ প্ৰস্তাৱ প্ৰত্যাখ্যানৰ বাবেই দেওবাৰে ৰোজে মৃদুমুদ্ৰা আৰু তেওঁৰ সম্পৰ্কীয় ককায়েক মাধুৰ্যৰ ওপৰত নৃশংস আক্ৰমণ চলোৱাৰ অভিযোগ উত্থাপন হৈছে। উত্থাপিত অভিযোগ অনুসৰি গংগাপুৰৰ পদপথত এন্ধাৰৰ সুযোগ লৈ ৰোজে দুয়োকে বাট আগছি ধৰে। উত্থাপিত অভিযোগ অনুসৰি দুৰ্বৃত্তই মৃদুমুদ্ৰাক অপহৰণৰ চেষ্টা চলোৱাত মাধুৰ্যই বাধা প্ৰদান কৰাৰ লগে লগে তেওঁক চোকা অস্ত্ৰৰে উপৰ্যুপৰি ঘপিয়াই আহত কৰাৰ লগতে দুৰ্বৃত্তই মৃদুমুদ্ৰাকো আক্ৰমণ কৰে। তেজেৰে লুতুৰি-পুতুৰি হৈ পৰে মাধুৰ্য বৰ্মন আৰু মৃদুমুদ্ৰা বৰ্মনৰ সৰ্বশৰীৰ। কিছু সময় পাছতে মাধুৰ্য্যৰ মৃত্যু হয়।

■ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া, চৌদিশে ধিক্কাৰ

নলবাৰীৰ গংগাপুৰত দেওবাৰে সন্ধিয়া সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাৰ পাছতে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। ছ'চিয়েল মিডিয়াৰ পৰা হাট-বাটলৈকে সৰ্বত্ৰ এই অমানৱীয় ঘটনাৰ চৰ্চা হৈছে। ৰাজ্যখনৰ বিভিন্ন সংগঠন, ছাত্ৰ-যুৱ সমাজ আৰু সচেতন নাগৰিকে দোষীক শীঘ্ৰে কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে। নৱগঠিত টিহু সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই ঘটনাৰ সন্দৰ্ভত কয়, "নলবাৰী জিলাৰ চামতা ভকতপাৰা নিবাসী উদীয়মান যুৱক মাধুৰ্য বৰ্মনে দুৰ্বৃত্তৰ নৃশংস আক্ৰমণত প্ৰাণ হেৰুওৱাৰ বাতৰি পাই গভীৰ শোকত মৰ্মাহত হৈছোঁ। এই ঘটনাক মই কঠোৰ ভাষাৰে গৰিহণা দিছোঁ। এই শোকৰ সময়ত তেওঁৰ পৰিয়ালক সান্ত্বনা দিয়াৰ ভাষা নাই। মই মাধুৰ্য্যৰ হত্যাকাৰীক শীঘ্ৰেই বিচাৰি উলিয়াই দৃষ্টান্তমূলক কঠোৰ শাস্তি বিহাৰ ব্যৱস্থা কৰিবলৈ অসম আৰক্ষীৰ ওচৰত দাবী জনাইছোঁ। এই আক্ৰমণত আঘাতপ্ৰাপ্ত যুৱতীগৰাকীৰ আশু আৰোগ্য কামনা কৰিছোঁ।" নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱায়ো গংগাপুৰৰ লোমহৰ্ষক হত্যাকাণ্ড সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বৰুৱাই "লাভ জেহাদ' অসমৰ সমাজ জীৱনত ক্ষিপ্ৰতাৰে আগবাঢ়ি যোৱা এটা দুৰাৰোগ্য ব্যাধি" বুলি উল্লেখ কৰি কয়, "আমি প্ৰত্যেকে এই ক্ষেত্ৰত সচেতন হ'ব লাগিব আৰু ইয়াৰ ওপৰত কঠোৰতম ব্যৱস্থা ল'ব লাগিব। কালি ফুটগধূলিতে নলবাৰী জিলাৰ গংগাপুৰত হোৱা ঘটনাই আমাক সকলোকে স্তম্ভিত কৰিছে। বৰ্তমান আৰক্ষী প্ৰশাসনে ক্ষিপ্ৰতাৰে কাম কৰি আছে আৰু আমাৰ বিশ্বাস, অসম আৰক্ষীয়ে উচিত ব্যৱস্থা গ্ৰহণ কৰিব। সম্ভাৱনাপূৰ্ণ যুৱকগৰাকীৰ দুঃখজনক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছোঁ, তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। তদুপৰি উক্ত ঘটনাত আঘাতপ্ৰাপ্ত যুৱতীগৰাকীৰ আশু আৰোগ্য কামনা কৰিছোঁ।" আনহাতে, গংগাপুৰত সংঘটিত হত্যাকাণ্ডক লৈ জাঙুৰ খাই উঠিছে আছু। সোমবাৰে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এই হত্যাকাণ্ডক অতি দুখজনক আৰু নিন্দনীয় বুলি অভিহিত কৰে। তেওঁ কয়, "সমাজত এনে হিংসাত্মক ঘটনা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। এজন যুৱকৰ জীৱন এইদৰে কৰুণভাৱে সমাপ্ত হোৱাটো অত্যন্ত উদ্বেগজনক।" ভট্টাচাৰ্যই ঘটনাটোৰ নিৰপেক্ষ আৰু ক্ষিপ্ৰ তদন্তৰ দাবী জনাই কয়, "দোষী যিয়েই নহওক, আইন অনুসৰি কঠোৰতম শাস্তি নিশ্চিত কৰিব লাগিব।" তেওঁ লগতে উল্লেখ কৰে যে এনে ঘটনা কেৱল এটা পৰিয়ালৰ ক্ষতিয়েই নহয়, সমগ্ৰ সমাজৰ বাবে এক চিন্তাজনক সংকেত। আছুৰ মুখ্য উপদেষ্টাগৰাকীয়ে যুৱ সমাজক সংযম আৰু সচেতনতাৰ পথ অনুসৰণ কৰিবলৈ আহ্বান জনাই কয় যে ব্যক্তিগত মতভেদ বা সংঘাতৰ সমাধান কেতিয়াও হিংসাৰ জৰিয়তে হ'ব নোৱাৰে। সমাজত শান্তি, সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধ অটুট ৰাখিবলৈ সকলো পক্ষই দায়িত্বশীল ভূমিকা গ্ৰহণ কৰা উচিত বুলিও তেওঁ মত প্ৰকাশ কৰে। মাধুৰ্য বৰ্মনৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবই লাগিব বুলি দাবী উত্থাপন কৰে আছুৰ উপ-সভাপতি ভৰজিৎ বেজবৰুৱাই। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজুদ্দিন আহমেদেও এই ঘটনাক নিন্দা দি দোষীক কঠোৰতম শাস্তি বিহাৰ দাবী জনায়। ঘটনাটো সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই আক্ৰমণক অমানৱীয় আৰু নিন্দনীয় বুলি অভিহিত কৰে। তেওঁ কয়, "এনে ঘটনাই ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতিৰ এক উদ্বেগজনক ছবি দাঙি ধৰে।" ৰাজ্যৰ বিদ্বৎ মহলতো গংগাপুৰত সংঘটিত হত্যাকাণ্ডক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে। পশ্চিম নলবাৰীৰ বিহামপুৰস্থিত প্ৰেৰণা পুথিভঁৰালয়ৰ তৰফৰ পৰা মুখ্য পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাই কয়, "প্ৰেৰণা পুথিভঁড়ালৰ তৰফৰ পৰা ছাত্ৰনেতা মাধুৰ্য বৰ্মনৰ হত্যাকাৰী ৰোজ আলীক কঠোৰতকৈও কঠোৰ শাস্তি প্ৰদান কৰিবলৈ পুলিচ-প্ৰশাসনক দাবী জনালোঁ। দৃষ্টান্তমূলক শাস্তিয়েহে আইনৰ শাসনৰ প্ৰতি মানুহৰ আস্থা বঢ়াব। আইন হাতত তুলি ল'বলৈ কোনেও কাকো প্ৰৰোচিত নকৰে যেন।" পশ্চিম নলবাৰীৰ সন্তান তথা যুৱ ঔপন্যাসিক নীলিম আকাশ কাশ্যপে ঘটনা সন্দৰ্ভত কয়, "মানুহ ইমানো নৃশংস হ'ব পাৰেনে/ ইমানো হৃদয়হীন হ'ব পাৰেনে মানুহ/ কঁপি উঠিছোঁ। এই নৃশংস হত্যাকাণ্ডৰ উচিত তদন্ত হওক। হত্যাকাৰীক কঠোৰতম শাস্তি বিহা হওক। কঠিনৰো কঠিনতম হ'ব তেওঁলোকৰ বাবে ধৈৰ্য। তথাপি নেদেখাজন মাধুৰ্যৰ পিতৃ-মাতৃৰ সাহস হওক।" চামতাৰ কন্যা তথা সাংস্কৃতিক কৰ্মী তাপসী বৰ্মনে "মৃত্যুৰ খবৰবোৰ কিয় এনে হয়/ আমাৰ চুবুৰীৰ আটাইতকৈ সপ্ৰতিভ ল'ৰাটো- মৌচম, এতিয়াৰ পৰা আৰু নাই সি। কোনোবাই মাৰি পেলালে তাক। কাৰণ কি, লাহে লাহে উদ্ধাৰ হ'ব, কিন্তু মাক-দেউতাকৰ একমাত্ৰ সন্তানটো জানো ঘূৰি আহিব/" বুলি মতপোষণ কৰে। লেখিকা বৰ্ণালী শৰ্মা বশিষ্ঠই "এই ঘটনাক কেৱল এটা ব্যক্তিগত অপৰাধ হিচাপে চোৱা উচিত নহয়" বুলি উল্লেখ মতপ্ৰকাশ কৰে। একেদৰে, নিহত মাধুৰ্য বৰ্মনৰ পৰিয়াল আৰু চিকিৎসাধীন আহত ছাত্ৰীগৰাকীৰ পৰিয়ালক উপযুক্ত সহায়-সহযোগিতা আৰু ক্ষতিপূৰণ প্ৰদান কৰিবলৈও চৰকাৰক বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে আহ্বান জনাইছে। সামাজিক মাধ্যমতো এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বহু লোকে এই ঘটনাক সভ্য সমাজৰ বাবে এক ভয়ংকৰ সংকেত বুলি অভিহিত কৰিছে।

■ বিভিন্ন দল- সংগঠনৰ প্ৰতিবাদ

ছাত্ৰ নেতা মাধুৰ্য বৰ্মনক দেওবাৰে ফুট গধূলিতে নৃশংসতাৰে কৰা হত্যাৰ প্ৰতিবাদত আজি সদৌ অসম ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠন আৰু ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। নলবাৰী চহৰত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই ঘটনাৰ তদন্ত আৰু দোষীৰ কঠোৰতম শাস্তি বিচাৰি প্ৰতিবাদ কৰে। গংগাপুৰ আৰু কালাকুছিতো দক্ষিণ পকোৱা আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ৰাইজে একেই দাবীৰে প্ৰতিবাদ কৰে। এই লোমহৰ্ষক কাণ্ডৰ প্ৰতিবাদত আজি বজৰং দলে কুমাৰীকাটাত বিৰাট প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। দলৰ নেতৃবৰ্গই দোষীক উচিত শাস্তি প্ৰদান কৰি ভূক্তভোগী পৰিয়ালটোক ন্যায় প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনায়।

■ চামতাত শোকৰ বন্যা

দেওবাৰে সন্ধিয়া নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত গংগাপুৰত সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডত প্ৰাণ হেৰুৱা চামতাৰ ভকতপাৰা নিবাসী প্ৰাক্তন ছাত্ৰ নেতা হৰি চন্দ্ৰ বৰ্মন আৰু গীতা বৰ্মনৰ একমাত্ৰ পুত্ৰ, পশ্চিম নলবাৰী ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক মাধুৰ্য বৰ্মনৰ মৃতদেহ আজি দুপৰীয়াৰ ভাগত নিজগৃহ আহি পোৱাৰ পাছত সমগ্ৰ অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। মৃতদেহৰ ওচৰত হেজাৰ হেজাৰ ৰাইজ তথা দল-সংগঠনৰ লোক উপস্থিত হয়; চোতালত কান্দোনৰ ৰোল উঠে। মাধুৰ্য বৰ্মনৰ ঘৰত উপস্থিত হৈ স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে মাধুৰ্যৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে। বিভিন্ন দল-সংগঠনৰ লগতে তেওঁ পঢ়া বিদ্যালয় ইডেন ভেলী একাডেমীৰ তৰফৰ পৰা মাধুৰ্য বৰ্মনক শেষ শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপন কৰা হয়। সকলোৰে কান্দি কান্দি শেষ বিদায় দিয়ে মিষ্টভাষী, সমাজ প্ৰিয় মাধুৰ্য বৰ্মনক।

■ মৃত্যুৰ সৈতে যুঁজিছে মৃদুমুদ্ৰাই

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (জিএমচিএইচ)ত জীৱন-মৃত্যুৰ সৈতে যুঁজ দিছে ১৭ বছৰীয়া মৃদুমুদ্ৰা ডেকাই। চিকিৎসকৰ তথ্য অনুসৰি তেওঁৰ শৰীৰৰ বিভিন্ন অংশত একাধিক আঘাতৰ স্পষ্ট চিহ্ন পোৱা গৈছে। মূৰৰ পিছফালৰ অংশত গভীৰ আঘাত লাগি মগজুৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। তদুপৰি, ছাল আৰু মগজুৰ টিছ্যুত আঘাতৰ প্ৰভাৱ লক্ষ্য কৰা হৈছে। যুৱতীগৰাকীৰ পিঠিৰ ৰাজহাড়ৰ ওচৰত দুটা গুৰুতৰ আঘাত ধৰা পৰিছে। মুখমণ্ডল আৰু ডিঙিৰ হাড়তো চুৰিৰ আঘাতৰ চিন পোৱা গৈছে বুলি জনাই চিকিৎসকে প্ৰকাশ কৰা মতে আঘাতসমূহৰ ফলত হাওঁফাওঁৰ কাৰ্যক্ষমতাও কিছুপৰিমাণে প্ৰভাৱিত হৈছে। বাতৰি লিখাৰ পৰলৈকে মৃদুমুদ্ৰা ডেকাক সংকটজনক অৱস্থাত আইচিইউত ৰখা হৈছে আৰু একাধিক বিশেষজ্ঞ বিভাগৰ চিকিৎসকে সমন্বিতভাৱে চিকিৎসা আগবঢ়াই আছে। জিএমচিএইচৰ অধ্যক্ষ দেৱজিত চৌধুৰীয়ে জনোৱা মতে শাৰীৰিক আঘাতৰ লগতে ঘটনাটোৰ অভিঘাতত যুৱতীগৰাকী গভীৰ মানসিক আতংকৰ মাজেদিও পাৰ হৈ আছে।

■ কালপ্ৰিটক এনকাউণ্টাৰ আৰক্ষীৰ

ইপিনে, গংগাপুৰত সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডৰ মূল কালপ্ৰিট বুলি অভিযোগ উঠা কালাকুছি নিবাসী ৰোজ আলী ওৰফে আছিক খানক আৰক্ষীয়ে এনকাউণ্টাৰ কৰিছে। জানিব পৰা মতে মুকালমুৱাৰ ছতেমাৰী চৰত আৰক্ষীয়ে এনকাউণ্টাৰ কৰে কালপ্ৰিট ৰোজ আলী ওৰফে আছিক খানক। দোষীক কঠোৰতম শাস্তি বিহাৰ দাবী ৰাজ্যৰ সৰ্বত্ৰ উত্থাপন হোৱাৰ সময়তে আৰক্ষীৰ এই তৎপৰতাই বিশেষ তাৎপৰ্য বহন কৰিছে। জানিব পৰা মতে ঘৰত তলা মাৰি পৰিয়ালৰ সদস্যকে ধৰি ৰোজ আলী ওৰফে আছিক খানে কোনো অজ্ঞাত স্থানত পলায়ন কৰি আছিল। তেনে সময়তে আজি আবেলিৰ ভাগত আৰক্ষীয়ে এনকাউণ্টাৰ কৰে ৰোজ আলী ওৰফে আছিক খানক। ইপিনে, অভিযুক্ত ৰোজ আলী ওৰফে আছিক খানৰ ঘৰত আজি দুপৰীয়াৰ ভাগত হাজাৰ হাজাৰ ৰাইজ উপস্থিত হৈ গংগাপুৰৰ লোমহৰ্ষক হত্যাকাণ্ডৰ তদন্ত আৰু দোষীৰ কঠোৰতম শাস্তিৰ মুকলি দাবী তোলে।

উচ্চতম ন্যায়ালয়ত পাঁচগৰাকী নতুন ন্যায়াধীশ নিযুক্তি ৰাষ্ট্ৰপতিৰ

গ্ৰহণ অনুষ্ঠান বিচাৰ বিভাগীয় ৰীতি অনুসৰি মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ উপস্থিতিত অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। এই নিযুক্তিৰ বিশেষ তাৎপৰ্য এই যে, ইয়াৰ কিছুদিন আগতেই কেন্দ্ৰীয় চৰকাৰে 'উচ্চতম ন্যায়ালয় সংশোধনী অধ্যাদেশ, ২০২৬' জাৰি কৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ অনুমোদিত শক্তি ৩৩ৰ পৰা বৃদ্ধি কৰি ৩৭ কৰিছিল। সেই অধ্যাদেশত মুখ্য ন্যায়াধীশক এই গণনাৰ বাহিৰত ৰখা হৈছিল। শেহতীয়া এই নিযুক্তিৰ ফলত উচ্চতম ন্যায়ালয়ৰ মুঠ ন্যায়াধীশৰ সংখ্যা ৩৬ জনলৈ বৃদ্ধি পাব। ন্যায়াধীশৰ সংখ্যা বৃদ্ধিৰ লক্ষ্য হৈছে উচ্চতম ন্যায়ালয়ত দীৰ্ঘদিনীয়া বিচাৰাধীন গোচৰসমূহৰ দ্ৰুত নিষ্পত্তি আৰু ন্যায় প্ৰদান প্ৰক্ৰিয়া সুগম কৰা। নিযুক্তিপ্ৰাপ্ত পাঁচগৰাকীৰ ভিতৰত জ্যেষ্ঠ অধিবক্তা ভি মোহনাক অন্তৰ্ভুক্ত কৰাটো বিশেষভাৱে উল্লেখযোগ্য, কিয়নো তেওঁ অতি কম সময়ৰ ভিতৰতে ন্যায়াধীশ পদলৈ পদোন্নতি লাভ কৰে। আইন মন্ত্ৰী মেঘৱালে এ' পোষ্টত লিখে, 'ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি উক্ত পাঁচগৰাকীক নিযুক্তি দিয়াৰ আদেশ স্বাক্ষৰ কৰিছে। এই নিযুক্তিয়ে ভাৰতীয় ন্যায় ব্যৱস্থাক অধিক শক্তিশালী কৰি তুলিব। '

'মচুৰ দাইল, চেনি আৰু

বিতৰণ কাৰ্যসূচী আগষ্ট মাহত সম্পূৰ্ণ বাজেট গৃহীত হোৱাৰ পিছতহে পুনৰ আৰম্ভ কৰা হ'ব। এই পুনৰাৰম্ভৰ তাৰিখ পৰৱৰ্তী সময়ত জাননীৰ জৰিয়তে জনোৱা হ'ব বুলি চৰকাৰে উল্লেখ কৰে। তথাপি, চৰকাৰে স্পষ্টকৈ দাঙি ধৰিছে যে খাদ্য সুৰক্ষা কাৰ্যসূচীৰ অধীনত বিনামূলীয়া চাউল বিতৰণ অব্যাহত থাকিব। উপভোক্তাসকলে পূৰ্বৰ দৰেই প্ৰতি মাহে বিনামূলীয়াকৈ নিৰ্ধাৰিত পৰিমাণৰ চাউল লাভ কৰি থাকিব। এই সাময়িক স্থগিতকৰণ ভোট-অন-একাউণ্ট ব্যৱস্থাটোৰ অধীনত বাজেটৰ সীমাবদ্ধতাৰ সৈতে জড়িত। উল্লেখ্য যে ভোট-অন-একাউণ্ট ব্যৱস্থাই সম্পূৰ্ণ বাজেট দাখিল আৰু অনুমোদিত নোহোৱালৈকে চৰকাৰক কেৱল অত্যাৱশ্যকীয় ব্যয়ৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ অনুমতি প্ৰদান কৰে। এই সীমাবদ্ধতাৰ বাবেই অত্যাৱশ্যকীয় নহয় এনে কাৰ্যসূচী সাময়িকভাৱে বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখনীয় যে সুলভ মূল্যৰ সামগ্ৰী আঁচনিয়ে সমগ্ৰ অসমৰ যোগ্য হিতাধিকাৰীসকলক ৰাজসাহায্য মূল্যত মচুৰ দাইল, চেনিৰ লগতে নিমখ প্ৰদান কৰি আহিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধীনস্থ চৰকাৰে আশ্বাস দিছে যে বিধায়িনী সভাত সম্পূৰ্ণ বাজেট অনুমোদন লাভ কৰাৰ লগে লগে এই কাৰ্যসূচী পুনৰ আৰম্ভ কৰা হ'ব। ৰাজ্য চৰকাৰে এই সিদ্ধান্তৰ বাবে ৰাইজৰ ওচৰত আন্তৰিকতাৰে ক্ষমা বিচাৰিছে আৰু অদূৰ ভৱিষ্যতে আঁচনি পুনৰ চালু কৰাৰ প্ৰতিশ্ৰুতি দিছে।

প্ৰধানমন্ত্ৰী মোদীৰ সৈতে

আং হ্লাইঙক সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ চৰকাৰী মুখপাত্ৰ ৰন্ধিৰ জয়ছৱালে 'এক্স'ত পোষ্ট কৰি কয়, 'এন এছ এ অজিত ডোভালে আজি ম্যানমাৰৰ ৰাষ্ট্ৰপতি ইউ মিন আং হ্লাইঙক সাক্ষাৎ কৰে।' তাৰপূৰ্বে শনিবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰেও ম্যানমাৰৰ ৰাষ্ট্ৰপতিৰ সৈতে আলোচনা কৰে। সেই বৈঠকত জয়শংকৰে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি মিন আং হ্লাইঙৰ ইতিবাচক দৃষ্টিভংগীৰ প্ৰশংসা কৰে। এ'ৰ এক পোষ্টত জয়শংকৰে লিখে, 'আজি নতুন দিল্লীত ম্যানমাৰৰ ৰাষ্ট্ৰপতি য়ু মিন আং হ্লাইঙক সাক্ষাৎ কৰিবলৈ পাই আনন্দিত হৈছো। আমাৰ দীৰ্ঘদিনীয়া দ্বিপাক্ষিক সহযোগিতা গভীৰ কৰাৰ ক্ষেত্ৰত তেওঁৰ ইতিবাচক মনোভাৱ আমি প্ৰশংসা কৰো। শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাবে আমাৰ অংশীদাৰিত্ব আগুৱাই নিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বৈঠকত মিলিত হ'বলৈ মই আগ্ৰহী।' মিন আং হ্লাইঙে বোধগয়াত কাম সম্পন্ন কৰি তাৰ পাছত নতুন দিল্লীত উপস্থিত হয়। শনিবাৰে তেওঁ বিহাৰৰ বোধগয়ালৈ যায়। বিদেশ মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰন্ধিৰ জয়ছৱালে এই ভ্ৰমণক আদৰণি জনাই ম্যানমাৰৰ সৈতে ভাৰতৰ সভ্যতাৰ আৰু আধ্যাত্মিক সম্পৰ্কক বিশেষভাৱে আলোকপাত কৰে। নতুন দিল্লীত অৱতৰণ কৰাৰ কিছু সময়ৰ পাছতে ৰাষ্ট্ৰপতি মিন আং হ্লাইঙে মহাবোধি মন্দিৰ পৰিদৰ্শন কৰে। মহাবোধি মন্দিৰ বৌদ্ধ ধৰ্মৰ এক গুৰুত্বপূৰ্ণ তীৰ্থস্থান আৰু ই ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে পৰিগণিত। ইয়াৰ পূৰ্বে শুকুৰবাৰে এক সাপ্তাহিক সংবাদমেলত জয়ছৱালে আগন্তুক দ্বিপাক্ষিক আলোচনাৰ বিস্তৃত পৰিসৰ সম্পৰ্কে উল্লেখ কৰিছিল। ৰাষ্ট্ৰপতি মিন আং হ্লাইংৰ এই তিনিদিনীয়া ভাৰত সফৰে প্ৰতিবেশী ৰাষ্ট্ৰ ম্যানমাৰৰ সৈতে ভাৰতৰ সম্পৰ্ক আৰু দৃঢ় কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। পূব এছিয়া আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ভূ-ৰাজনৈতিক পটভূমিত এই সাক্ষাৎ অত্যন্ত তাৎপৰ্যপূৰ্ণ বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে।

৬ জুনত যন্তৰ মন্তৰত শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্যসূচী

অভিজিৎ ডিপকে এক গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। সোমবাৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা এক বিবৃতি যোগে তেওঁ জানিবলৈ দিয়ে যে আগন্তুক ৬ জুনত ভাৰতলৈ উভতি আহি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীৰে এক শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব। ত্ৰিছ বছৰীয়া ৰাজনৈতিক যোগাযোগ ৰণনীতিবিদ তথা আম আদমী পাৰ্টিৰ ছ'চিয়েল মিডিয়া কোষৰ প্ৰাক্তন সদস্য ডিপকে বৰ্তমান আমেৰিকাত বসবাস কৰে। চিকিৎসা বিজ্ঞানৰ স্নাতক মহলাত নামভৰ্তিৰ বাবে অনুষ্ঠিত নিট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল আৰু পৰৱৰ্তী সময়ত পৰীক্ষা বাতিল হোৱাৰ প্ৰেক্ষাপটতে তেওঁ শিক্ষা মন্ত্ৰীগৰাকীৰ পদত্যাগ দাবী কৰিছে। ইয়াৰ উপৰিও কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ (CBSE) আৰু কৰ্মচাৰী বাছনি আয়োগৰ (SSC) পৰীক্ষাতো ব্যাপক অনিয়ম সংঘটিত হোৱা বুলি শিক্ষাৰ্থী আৰু চাকৰি প্ৰত্যাশীসকলে অভিযোগ উত্থাপন কৰি আহিছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ডিপকে কয় যে এই ব্যৱস্থাটোৱে এক কোটিতকৈও অধিক শিক্ষাৰ্থীৰ জীৱনক এক ধেমালিলৈ পৰ্যবসিত কৰিছে। ফলত ছাত্ৰ-ছাত্ৰীসকল নিজৰ ভৱিষ্যতক লৈ চিন্তিত আৰু উদ্বিগ্ন হৈ পৰিছে। তেওঁ লগতে কয়, 'ইমান ডাঙৰ ভুলৰ পাছতো যদি শিক্ষা মন্ত্ৰীগৰাকীয়ে পদত্যাগ নকৰে, তেন্তে দেশত কোনো দায়বদ্ধতা বাকী থকা নাই বুলিয়েই গণ্য কৰা হ'ব।' ছ'চিয়েল মিডিয়াত প্ৰকাশ কৰা এক বাৰ্তাত ডিপকে কয় যে এতিয়া সকলোৰে একত্ৰিত হৈ সংবিধানৰ পথ অনুসৰণ কৰি শান্তিপূৰ্ণভাৱে ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী উত্থাপন কৰাৰ সময় আহি পৰিছে। তেওঁ দৃঢ়তাৰে কয় যে সকলোৰে একেলগে মাত মাতিলে কৰ্তৃপক্ষই নিশ্চিতভাৱে তেওঁলোকৰ কথা শুনিবলৈ বাধ্য হ'ব। ৬ জুনৰ পুৱা দিল্লীত উপস্থিত হ'বলগীয়া ডিপকে সমৰ্থকসকলক বিমান বন্দৰত উপস্থিত থাকিবলৈ আহ্বান জনাইছে। তাৰ পৰাই তেওঁলোকে একত্ৰিত হৈ সংসদ মাৰ্গৰ আৰক্ষী থানালৈ গৈ যন্তৰ মন্তৰত এক শান্তিপূৰ্ণ প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে অনুমতি বিচাৰিব বুলি জানিবলৈ দিছে। উল্লেখযোগ্য যে, যুৱপ্ৰজন্মৰ দ্বাৰা যুৱপ্ৰজন্মৰ বাবে গঠিত এক ৰাজনৈতিক মঞ্চ হিচাপে পৰিচিত 'ককৰোচ জনতা পাৰ্টি' নামৰ এই ব্যংগাত্মক অভিযানটো যোৱা ১৬ মে'ত আৰম্ভ কৰা হৈছিল। ১৫ মে'ত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সূৰ্য কান্তই নিবনুৱা যুৱক-যুৱতীসকলক লৈ কৰা বুলি প্ৰকাশিত এক বিতৰ্কিত মন্তব্যৰ প্ৰতিক্ৰিয়াই এই অভিযানৰ সূত্ৰপাত ঘটাইছিল। বাতৰি অনুসৰি ন্যায়াধীশগৰাকীয়ে কৰ্মসংস্থাপনহীন একাংশ যুৱকক 'ককৰোচ' (পঁইতাচোৰা)ৰ সৈতে তুলনা কৰিছিল। যদিও পাছদিনাই তেওঁ স্পষ্টীকৰণ দিছিল যে সংবাদ মাধ্যমে তেওঁৰ বক্তব্য ভুলকৈ উপস্থাপন কৰিছে। কেৱল ভুৱা ডিগ্ৰীৰে আইন পেছাত প্ৰৱেশ কৰাসকলকহে সমালোচনা কৰা বুলি তেওঁ দাবী কৰে। এই অভিযান আৰম্ভ হোৱাৰ কেইদিনমানৰ ভিতৰতে ইনষ্টাগ্ৰামত ইয়াৰ অনুগামীৰ সংখ্যা ২২.৫ মিলিয়ন অতিক্ৰম কৰিছিল। কিন্তু যোৱা ২১ মে'ত এক আইনী দাবীৰ ভিত্তিত 'ককৰোচ জনতা পাৰ্টি'ৰ ইনষ্টাগ্ৰাম একাউণ্টটো বন্ধ কৰা হয়। শুকুৰবাৰে দিল্লী উচ্চ ন্যায়ালয়ে একাউণ্টটো পুনৰুদ্ধাৰ কৰিবলৈ অস্বীকাৰ কৰে। এই আইনী মেৰপেঁচ আৰু বিতৰ্কৰ মাজতে অভিজিৎ ডিপকেৰ দিল্লী আগমন আৰু পৰৱৰ্তী প্ৰতিবাদী কাৰ্যসূচীয়ে পৰিস্থিতি কোন দিশলৈ লৈ যায়, সেয়া বৰ্তমান লক্ষণীয় হৈ পৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী মনসুখ

বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় সহায়-সহযোগিতা যাতে নিশ্চিত হয়—তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইফালে, সামাজিক মাধ্যম 'এক্স' (পূৰ্বৰ টুইটাৰ)ত পোষ্ট কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, বিজেপিৰ 'সেৱা প্ৰথম' দৰ্শনৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নিজৰ জন্মদিনৰ শুভ দিনটোত অসমৰ ক্ৰীড়া ক্ষেত্ৰৰ ভৱিষ্যৎ আৰু শ্ৰমিকসকলৰ কল্যাণ সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হ'বলৈ সময় উলিওৱাটো সঁচাৰ্থে প্ৰশংসনীয়। 'আজিৰ বৈঠকত ৰাজ্যখনত অধিক ক্ৰীড়া সুবিধা গঢ়ি তোলাৰ লগতে শ্ৰমজীৱীসকলৰ বাবে উন্নত সুযোগ-সুবিধা সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। অসমক এক সক্ৰিয় ক্ৰীড়া কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ আমাৰ প্ৰচেষ্টাত কেন্দ্ৰীয় চৰকাৰৰ অব্যাহত সহযোগিতা অত্যন্ত গুৰুত্বপূৰ্ণ', বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডব্যক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি অসমক ভাৰতৰ এক আগশাৰীৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাত কেন্দ্ৰীয় চৰকাৰৰ নিৰন্তৰ সহযোগিতা কামনা কৰে। তেওঁ স্পষ্ট কৰি কয় যে ৰাজ্য চৰকাৰে ইতিমধ্যে ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়ন, যুৱ প্ৰতিভাৰ উৎসাহ-প্ৰেৰণা আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা আয়োজনৰ ক্ষেত্ৰত ব্যাপক বিনিয়োগ কৰি আহিছে। উল্লেখযোগ্য যে উত্তৰ-পূৰ্বাঞ্চল তথা সমগ্ৰ দেশৰ এক উল্লেখনীয় ক্ৰীড়া কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ অসমৰ বৃহত্তৰ লক্ষ্যৰ পৰিপ্ৰেক্ষিতত আজিৰ এই বৈঠকক বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি গণ্য কৰা হৈছে। মুখ্যমন্ত্ৰীৰ মতে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ ক্ৰীড়া আৰু শ্ৰমিক কল্যাণৰ দিশত আগবাঢ়োৱা প্ৰস্তাৱসমূহৰ প্ৰতি সঁহাৰি জনাই সোনকালেই ৰাজ্যখনলৈ প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস দিছে।

শ্ৰীশ্ৰীমাধৱদেৱৰ সাহিত্য কৰ্মৰ সন্দৰ্ভত কিছু আলোকপাত

নহয়। মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ যে স্বৰূপতেই এজনা অৱতাৰী পুৰুষ এই কথা গুৰুজনাৰ শিশুকালৰ পৰা, শৈশৱৰে পৰা মানুহে প্ৰত্যক্ষ কৰিবলৈ পাইছিল। ভৰা লুইতত বুৰ মাৰি হাতেৰে শিশু ধৰি অনা, যাড়ৰ স'তে যুঁজ কৰি বগৰাই পেলোৱা, দঁতাল হাতী একোজাকক অকলশৰে খেদি নি পিতনিত পেলোৱা, কোবাল ব্ৰহ্মপুত্ৰ নদীখনো সাঁতুৰি পাৰাপাৰ হোৱা আৰু আনকি বিষাক্ত ফেঁটী সাপেও ফণা মেলি শুই থকা শংকৰৰ মুখমণ্ডলত ছাঁ পেলাই ৰৌদ্ৰতাপৰ পৰা ৰক্ষা কৰা আদিৰ দৰে অলৌকিক ক্ৰিয়াকাণ্ড আদিৰ পৰাই পণ্ডিতমহলে স্বীকাৰ কৰি লৈছিল যে শংকৰদেৱ আছিল যথাৰ্থতেই মহাপুৰুষ।

শ্ৰীশ্ৰীমাধৱদেৱৰ বেলিকা এনে ধৰণৰ অলৌকিক আশ্চৰ্যকৰ ঘটনা সংঘটিত হোৱা নাছিল যদিও মাধৱদেৱৰ ধৰ্ম-শাস্ত্ৰীয় পাণ্ডিত্যকে মুখ্য কৰি বিশেষকৈ নেঘেৰীটিঙত বিয়া কৰাম বুলি জোৰোণ পিন্ধোৱা কইনাকো পৰিহাৰ কৰি শংকৰ গুৰুৰ বৈষ্ণৱ ধৰ্মত শৰণ লৈ ওৰেটো জীৱন অবিবাহিত হৈ কৌমাৰ্য ব্ৰত পালন কৰি একান্ত মনেৰে গুৰুসেৱা আৰু গুৰু পৰিচৰ্যা কামতে আত্মনিয়োগ কৰা কাৰ্যটো কম ত্যাগ আৰু মহানুভৱতাৰ পৰিচায়ক নহয়। গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্তিত ধৰ্ম প্ৰচাৰ, সমাজ সংস্কাৰ, আত্মউপলব্ধি জীৱনৰ মৰ্ম আৰু তত্ত্ব অনুধাৱন তথা গুৰু-শিষ্যৰ মাহাত্ম্য প্ৰকাশৰ যি অভূতপূৰ্ব নিদৰ্শন এনেবোৰ সৎ আৰু মহৎ গুণৰ বাবেই শ্ৰীশ্ৰীমাধৱদেৱকো এক অন্যতম মহাপুৰুষ বুলি সমকালীন সময়ৰ পণ্ডিতসকলে আখ্যা দি থৈ যোৱাৰে পৰা আজি আমাৰ অসমীয়া সমাজত অনন্য প্ৰতিভাধৰ প্ৰবাদ পুৰুষ মহাপুৰুষ মাধৱদেৱক আমি যুগে যুগে একোজন মহাপুৰুষ বুলিয়েই মান কৰি আহিছোঁ। এইজনা মহাপুৰুষ মাধৱদেৱকো আমি এজনা বৈষ্ণৱ গুৰু হিচাপে মানি আহিছোঁ। অসমৰ সত্ৰ, নামঘৰ, বৈষ্ণৱ সমাজৰ আকাশে-বতাহে এই দুজনা মহাপুৰুষৰ নাম স্মৰণ নকৰিলে অসমৰ জাতীয় জীৱনৰ চৈতন্য, আধ্যাত্মিক পৰম্পৰা তথা জনসমাজৰ শৈল্পীক সাংস্কৃতিক চেতনাৰ এক অপূৰ্ব সমাহাৰৰ কথা তিলমাত্ৰও ভাবিব পৰা নাযায়। অসমীয়া জাতিৰ সমন্বয় আৰু সংহতিৰ সেতু নিৰ্মাণ কৰোঁতা, জাতীয় জীৱনৰ নৱ চেতনাৰ প্ৰাণস্পন্দনৰ ধৰণী ধৰোঁতা মহাপুৰুষ মাধৱদেৱে অসমৰ অসমীয়া সমাজলৈ বিশেষকৈ সাহিত্য-শিল্পৰ মাধ্যমেৰে কেনেধৰণৰ বৰঙনি আগবঢ়াইছে তাৰ ওপৰত কিছু আলোকপাত কৰিবলৈকে এইটি লেখা যুগুতোৱাৰ কথা ভবা হৈছে।

মহাপুৰুষ মাধৱদেৱৰ কথা আলচ কৰিবলৈ যাওঁতে আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৰ্ণাঢ্য অৱদানৰ কথাও এবাৰ সুঁৱৰিবই লাগিব। কিয়নো গুৰুজনাৰ প্ৰিয় শিষ্য মাধৱদেৱেও যি যিবোৰ শিল্প-সাহিত্য আৰু সাংস্কৃতিক কৰ্মৰাজিত হাত দিছে সেই সকলোবোৰ শংকৰদেৱৰ আৰ্হি-আদৰ্শ তথা অনুগ্ৰহ-অনুপ্ৰেৰণাৰ অনুগত হৈছে সৃষ্টি কৰিছে বা কৰ্ম-কৰ্ষণ কৰিছে। মহাপুৰুষ মাধৱদেৱে প্ৰায়বোৰ সৃষ্টি মৌলিকতাৰ আধাৰত আগবঢ়াই নিছে যদিও গুৰুজনাক একান্ত শ্ৰদ্ধা-ভক্তিৰ আসনত ৰাখিহে সাধনা কাৰ্যত ব্ৰতী হৈছে।

এতিয়া আমি মহাপুৰুষ মাধৱদেৱে অসমৰ অসমীয়া সমাজৰ সাহিত্য জগতলৈ আগবঢ়োৱা সাহিত্য সম্ভাৰ সন্দৰ্ভত এটি সংক্ষিপ্ত আলোচনা তথা আলোকপাত কৰি চাব বিচাৰিছোঁ।

গুৰুৰ আজ্ঞা শিৰোগত কৰি মহাপুৰুষ মাধৱদেৱে গুৰুজনাৰ মহান আদৰ্শৰে কাব্য, গীত-পদ, নাট-ভটিমা আৰু তত্ত্বমূলক ৰচনা সম্ভাৰেৰে অসমীয়া সাহিত্য জগতলৈ অপূৰ্ব বৰঙনি আগবঢ়াই থৈ গৈছে। তেখেতৰ ৰচনাৰাজিক তলত উল্লেখ কৰা ধৰণেৰে বিভাজন কৰিব পাৰি।

কাব্য - আদিকাণ্ড ৰামায়ণ আৰু ৰাজসূয় কাব্য।

গীত - ১৫৭টা বৰগীত, দেৱ ভটিমা, ৰাজ ভটিমা, নাট ভটিমা আৰু গুৰু ভটিমা।

নাট, ঝুমুৰা - অৰ্জুন ভঞ্জন (অংকীয়া নাট), চোৰ ধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজন বেহাৰ, কুটুৰা খেলা।

গহীন তত্ত্বমূলক ৰচনা - নামঘোষা, নামমালিকা, ভক্তি ৰত্নাৱলী, ভক্তি প্ৰদীপ, জন্ম ৰহস্য।

সংকলন আৰু সম্পাদনা - ৰামায়ণ সম্পাদনা আৰু কীৰ্তন ঘোষা সংকলন।

মাধৱদেৱৰ ৰচনা বুলি সন্দেহজনক পুথি - কোটোৰা খেলা, ব্ৰহ্মামোহন, ভূষণ হৰণ আৰু ৰাসঝুমুৰা।

ধুতি-চোলা পিন্ধি ভকতৰ

গ'ল। ধৰ্মীয় সাজ-পোছাক অৰ্থাৎ ধুতি-চোলা পৰিধান কৰি তেওঁ ঢেকীয়াখোৱা বৰনামঘৰত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ তিথি উপলক্ষে অনুষ্ঠিত নাম-প্ৰসংগত ভক্ত-বৈষ্ণৱসকলৰ সৈতে একতাল মিলাই বহে। সাংসদগৰাকীয়ে এই পুণ্য উপলক্ষে অসমবাসী ৰাইজৰ মঙ্গল, সুস্থিৰ তথা সৰল পৰিস্থিতিৰ বাবে ভগৱানৰ ওচৰত আন্তৰিক প্ৰাৰ্থনা জনায়। উপস্থিত ভক্তসকলৰ লগত মিলি তেওঁ ৰাইজৰ সমস্যা আৰু দুখ-দুৰ্দশাৰো বুজ লোৱা দেখা গৈছে। পবিত্ৰ এই অনুষ্ঠানত অংশগ্ৰহণ কৰি গৌৰৱ গগৈয়ে সাংবাদিকৰ লগত হোৱা বাৰ্তালাপত কয়, 'মহাপুৰুষ মাধৱদেৱ গুৰুজনাৰ তিথি উপলক্ষে আমি ঢেকীয়াখোৱা বৰনামঘৰত উপস্থিত হৈ প্ৰাৰ্থনা জনালোঁ। সমগ্ৰ অসমবাসীয়ে যাতে শান্তি আৰু সম্প্ৰীতিৰে জীয়াই থাকে, সকলোৰে মঙ্গল হওক — এই কামনা কৰিলোঁ।' তদুপৰি তেওঁ নিজৰ ফেচবুক পেজত লিখে, 'আজি টীয়কৰ পবিত্ৰ ঢেকীয়াখোৱা বৰনামঘৰত উপস্থিত হৈ গুৰুজনাৰ শ্ৰীচৰণত সেৱা লৈ পৰমেশ্বৰৰ কৃপা আৰু আশীৰ্বাদ কামনা কৰিলোঁ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ অসমৰ সমূহ ৰাইজৰ সুখ-শান্তি, সু-স্বাস্থ্য, ঐক্য, সম্প্ৰীতি আৰু সৰ্বাংগীণ মঙ্গলৰ বাবে প্ৰাৰ্থনা জনালোঁ। হৰিনামৰ মহিমাই যেন সকলোৰে জীৱন পবিত্ৰ কৰে, সমাজত সত্য, ধৰ্ম আৰু ভক্তি-ভাৱৰ প্ৰসাৰ ঘটায় আৰু প্ৰভুৰ অপাৰ কৃপা সদায় অসমবাসীৰ ওপৰত বৰষি থাকে — তাৰেই কামনা কৰিলোঁ।' ধৰ্মীয় অনুষ্ঠানৰ লগতে সমসাময়িক ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰসংগও সাংসদগৰাকীয়ে তুলি ধৰে। সংবাদ মাধ্যমৰ আগত মূল্যবৃদ্ধি প্ৰসঙ্গত তেওঁ তীব্ৰ সমালোচনা কৰে। গগৈয়ে কয়, 'বৰ্তমান মূল্যবৃদ্ধিৰ বাবে ৰাইজ চৰম দুৰৱস্থাৰ মাজেৰে পাৰ হৈছে। পেট্ৰল-ডিজেলৰ দাম বৃদ্ধিৰ লগতে বজাৰৰ প্ৰতিটো সামগ্ৰীৰ দামেই আকাশচুম্বী হৈছে। ফলত সাধাৰণ মানুহে অতি কষ্ট পাবলগীয়া হৈছে।' যি সময়ত দৰিদ্ৰ মানুহক আৰ্থিক সহায় প্ৰদান কৰাৰ প্ৰয়োজন, সেইসময়ত ধনীসকল অধিক ধনী হৈ গৈ আছে। শিক্ষা, স্বাস্থ্যকে ধৰি প্ৰতিটো ক্ষেত্ৰতে মূল্যবৃদ্ধিয়ে প্ৰভাৱ পেলাইছে। ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি সৰ্বসাধাৰণ ৰাইজ জুৰুলা হৈ পৰিছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ অৱস্থা সম্পৰ্কেও তেওঁ উদ্বেগ প্ৰকাশ কৰে। গগৈয়ে কয়, 'নতুন প্ৰজন্ম উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অসহনীয় কষ্টৰ সন্মুখীন হৈছে। পৰীক্ষাৰ বাবদ লগা খৰচৰ পৰা আৰম্ভ কৰি হোষ্টেলৰ মাচুললৈকে সকলোতে মূল্যবৃদ্ধি ঘটিছে। ফলত নৱপ্ৰজন্মই প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছে।' 'নিৰ্বাচনৰ আগতে যিসকল ৰাইজৰ ৰেচন কাৰ্ড আছিল, তেওঁলোকে সুলভ মূল্যত দাইল, চেনি আদি পাইছিল। কিন্তু নিৰ্বাচন শেষ হোৱাৰ লগে লগে সেই সুবিধা বন্ধ কৰি দিয়া হৈছে। এইটো নিৰ্বাচনী জুমুলাৰ বাহিৰে একো নহয়। নিৰ্বাচনৰ আগতে দিয়া প্ৰতিশ্ৰুতি নিৰ্বাচনৰ পাছতে বাতিল কৰা হয়।

কলকাতাৰ লেক টাউনৰ পৰা আঁতৰালে এছিয়াৰ সৰ্বোচ্চ

যন্ত্ৰাংশ ব্যৱহাৰ কৰি ৭০ ফুট উচ্চতাৰ এই গাঁথনিটো নিৰাপদে নমোৱাৰ সময়ত লেক টাউন অঞ্চলত বহুতো উৎসুক জনতাই ভিৰ কৰা পৰিলক্ষিত হয়। গোটেই প্ৰক্ৰিয়াটো আৰক্ষী আৰু গড়কাপ্তানি বিভাগৰ বিষয়াসকলৰ কঠোৰ তত্ত্বাৱধানত সম্পন্ন কৰা হয়। কৰ্মীসকলে প্ৰতিমূৰ্তিটো অতি সাৱধানেৰে এটা ট্ৰেইলাৰত উঠাই স্থানান্তৰৰ বাবে সাজু কৰি তোলে। লক্ষণীয়ভাৱে, মূৰ্তিটো আঁতৰোৱা হ'লেও ইয়াৰ মূল ভেটিটো এতিয়াও সেই স্থানতে আছে। ভেটিৰ লগত লগোৱা এখন ফলকত উল্লেখ আছে যে স্বয়ং প্ৰখ্যাত ফুটবলাৰ লিঅ'নেল মেছিয়ে এই স্মৃতিসৌধটো উন্মোচন কৰিছিল। প্ৰতিমূৰ্তিটো বৰ্তমান ট্ৰেইলাৰত তুলি নিৰাপদ স্থানলৈ স্থানান্তৰৰ প্ৰক্ৰিয়া অব্যাহত আছে। কিন্তু ইয়াক পৰৱৰ্তী সময়ত ক'ত স্থাপন কৰা হ'ব নে একেবাৰেই নকৰা হ'ব— সেই সন্দৰ্ভত কৰ্তৃপক্ষই এতিয়ালৈকে কোনো আনুষ্ঠানিক তথ্য প্ৰকাশ কৰা নাই। উল্লেখ্য যে, এই প্ৰতিমূৰ্তিটো অঞ্চলটোৰ অন্যতম পৰ্যটক আকৰ্ষণৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। কিন্তু অতি ব্যস্ত চৌমথি অঞ্চলত ইয়াৰ অৱস্থানৰ বাবে সঘনাই দুৰ্ঘটনাৰ আশংকা কৰি আহিছিল ৰাইজে। প্ৰশাসনে আজি ৰাইজৰ দাবী যুক্তিসংগত বুলি গণ্য কৰি তাংক্ষণিকভাৱে প্ৰতিমূৰ্তিটো অপসাৰণৰ সিদ্ধান্ত লয়।

ডুমডুমা বিধানসভা সমষ্টিত এইবাৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক বিধায়ক ৰূপেশ গোৱালাৰ অভিনন্দন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ জুন ঃ ডুমডুমা বিধানসভা সমষ্টিত ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক আজি সমষ্টিটোৰ বিধায়ক ৰূপেশ গোৱালাই অভিনন্দন জনায়। শিক্ষাৰ্থীসকলক বিধায়ক গৰাকীয়ে দিয়া অভিনন্দন পত্ৰখনত বিধায়কগ গৰাকীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ এই সাফল্যৰ বাবে আন্তৰিক ওলগ আৰু অভিনন্দন জনোৱাৰ লগতে তেওঁলোকৰ এই কৃতিত্বই সমগ্ৰ ডুমডুমা সমষ্টিবাসীক গৌৰৱান্বিত কৰা বুলি উল্লেখ কৰি এই ফলাফল তেওঁলোকৰ নীৰৱচ্ছিন্ন সাধনা, গভীৰ অধ্যৱসায় আৰু নিষ্ঠাৰ এক উৎকৃষ্ট ফচল বুলি উল্লেখ কৰে। লগতে বিধায়ক গোৱালাই শিক্ষাৰ্থীসকলৰ এই যাত্ৰাত ছাঁৰ দৰে থাকি প্ৰেৰণা যোগোৱা তেওঁলোকৰ পূজনীয় পিতৃ-মাতৃ আৰু শ্ৰদ্ধেয় শিক্ষাগুৰুসকলকো সশ্ৰদ্ধ অভিনন্দন জনাইছে। তেওঁ লগতে শিক্ষাৰ্থীসকলে আগন্তুক দিনবোৰত তেওঁলোকৰ মেধা আৰু মানৱীয় প্ৰমূল্যৰে সমাজৰ এগৰাকী সুনাগৰিক হিচাপে প্ৰতিষ্ঠিত হৈ ডুমডুমা অঞ্চলৰ নাম উজ্জ্বলাই তুলিব বুলি আশা প্ৰকাশ কৰি সকলোকে অভিনন্দন জনায়। আজি ডুমডুমা বিধানসভা সমষ্টিৰ বিভিন্ন বুথত অনুষ্ঠিত হোৱা প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠান সম্প্ৰচাৰ কাৰ্যসূচীত প্ৰতিটো বুথৰ অন্তৰ্গত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক এই অভিনন্দন পত্ৰ প্ৰদান কৰা হয়। সমষ্টিটোৰ গাভৰুভেটি গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰংপুৰ ৰাজহুৱা প্ৰেক্ষাগৃহত ১৭৬ নং বুথত অনুষ্ঠিত হোৱা কাৰ্যসূচীত

অংশগ্ৰহণ কৰি বিধায়ক ৰূপেশ গোৱালাই প্ৰায় ২৭গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনাই তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। আনহাতে অন্যান্য বুথসমূহত পঞ্চায়তৰ প্ৰতিনিধি, দলীয় নেতা-কৰ্মীসকলে নিজ নিজ বুথৰ অন্তৰ্গত শিক্ষাৰ্থীসকলক বিধায়কগৰাকীৰ হৈ অভিনন্দন জ্ঞাপন কৰে। বিধায়ক ৰূপেশ গোৱালাৰ এই ব্যতিক্ৰমী পদক্ষেপক শিক্ষাৰ্থীসকলৰ লগতে তেওঁলোকৰ অভিভাৱক আৰু স্থানীয় ৰাইজে প্ৰশংসা কৰিছে। কেইবাগৰাকীও স্থানীয় ব্যক্তিয়ে জানিবলৈ দিয়া মতে ইয়াৰ পূৰ্বে ডুমডুমা বিধানসভা সমষ্টিৰ কোনো বিধায়কে এই দৰে সমষ্টিটোৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱাৰ নজিৰ নাই।

কৃতী ছাত্ৰ-ছাত্ৰীৰ লগতে পিতৃ-মাতৃক সম্বৰ্ধনা জনোৱা কাৰ্য প্ৰশংসনীয় ঃ ড° ৰাজীৱ কোঁৱৰ

কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন, বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা বাৰিক বংশ উন্নয়ন সমিতিৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ জুন ঃ শিক্ষাই জাতিৰ মেৰুদণ্ড। শিক্ষাৰ জৰিয়তেই এটা জাতিৰ ভৱিষ্যৎ নিৰ্মাণ হয়। নতুন প্ৰজন্মক শিক্ষাৰ ক্ষেত্ৰত অধিক উৎসাহিত আৰু অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যেৰে বাৰিক বংশ উন্নয়ন সমিতিয়ে এইবাৰো এক গাম্ভীৰ্যপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰে। অসমৰ প্ৰাচীন ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ অন্যতম সমৃদ্ধিশালী বংশ হিচাপে পৰিচিত বাৰিক বংশ উন্নয়ন সমিতিৰ উদ্যোগত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰা বিশিষ্ট ব্যক্তিসকলক আজি তিনিচুকীয়াৰ গন্ধিয়া নাহৰণি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সম্বৰ্ধনা জনোৱা হয়। সমিতিৰ সম্পাদক প্ৰভাত বৰুৱাই সঞ্চালনা কৰা অনুষ্ঠানখনত সভাপতিত্ব কৰে লক্ষ্মীকান্ত চেতিয়াই। মুখ্য অতিথি হিচাপে তিনিচুকীয়া মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰাজীৱ কোঁৱৰ উপস্থিত থাকি কয় যে কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ লগতে তেওঁলোকৰ পিতৃ-মাতৃকো সম্বৰ্ধনা জনোৱাৰ এই পদক্ষেপ সমাজৰ বাবে এক প্ৰশংসনীয় উদাহৰণ। তেওঁ মন্তব্য কৰে যে শিক্ষাৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰা সন্তানৰ আঁৰত পিতৃ-মাতৃৰ ত্যাগ, পৰিশ্ৰম আৰু অনুপ্ৰেৰণাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। এনে স্বীকৃতিয়ে শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে সমাজত এক সুস্থ, ইতিবাচক পৰিৱেশ গঢ়ি তোলাত সহায় কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া আৰু বিশিষ্ট কবি তথা কৃতী শিক্ষক, গায়ক অমৃত ৰাজখোৱা। ইয়াৰ উপৰি সমিতিৰ বিষয়ববীয়া, সদস্যবৃন্দ আৰু শতাধিক ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক মৰ্যাদাপূৰ্ণ কৰি তোলে। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকল হৈছে- কস্তুৰী গোঁহাই, লিচমিনা বৰুৱা, ধন্যজ্যোতি বৰুৱা, ভিতালী বৰুৱা, চয়নজ্যোতি বৰুৱা, জ্যোতিস্নেহা চেতিয়া, জেনিপ্ৰিয়া বৰুৱা আৰু ঈষান চেতিয়া। তেওঁলোকক অভিনন্দন পত্ৰ আৰু ফুলাম গামোচা প্ৰদান কৰি অভিনন্দন জনোৱা হয়। অনুষ্ঠানত বিশেষভাৱে দুগৰাকী বিশিষ্ট ব্যক্তিকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ২০২৫ বৰ্ষৰ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা প্ৰাপক যজ্ঞেশ্বৰ চেতিয়া আৰু অসম চৰকাৰৰ যুৱ লেখক বঁটা প্ৰাপক জয়ন্তজিৎ বৰুৱাক বাৰিক বংশ উন্নয়ন সমিতিৰ তৰফৰ পৰা ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানৰ আন এক আকৰ্ষণ আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মনোজ্ঞ সাংস্কৃতিক পৰিৱেশন। শান্তনু দিহিঙীয়াৰ গীত, দ্বিপলিনা বৰুৱা, প্ৰিয়াশা বৰুৱা আৰু তনয়াশ্ৰী বৰুৱাৰ নৃত্য, প্ৰণয় বৰুৱাৰ কবিতা আবৃত্তি আদি কাৰ্যসূচীয়ে অনুষ্ঠানটোক অধিক সজীৱ, বৰ্ণিল আৰু মনোমোহা কৰি তোলে। কৃতিত্বক সন্মান জনোৱা, শিক্ষাৰ মূল্যবোধক আগবঢ়াই নিয়াৰ লগতে নতুন প্ৰজন্মক উৎসাহিত কৰাৰ এই মহৎ প্ৰচেষ্টাই উপস্থিত সকলোকে গভীৰভাৱে অনুপ্ৰাণিত কৰে। সামগ্ৰিকভাৱে অনুষ্ঠানটোৱে শিক্ষাৰ প্ৰতি দায়বদ্ধতা, সমাজৰ প্ৰতি কৰ্তব্যবোধ আৰু কৃতিত্বৰ যথোচিত মূল্যায়নৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰে।

আটকাধীন দুই যুৱক ক্ৰমে পেঙেৰীৰ দুৰ্লভ মৰাণ আৰু ৰঙ্গত মৰাণ বৰ্তমান আৰক্ষীৰ জিম্মাত

লেখাপানী আৰক্ষীয়ে আটক কৰে আলফাত (স্বাধীন) যোগদানৰ প্ৰস্তুতি চলোৱা আন দুজন যুৱক

অসম বাৰ্তা বিশেষ, জাগুন, ১ জুন ঃ বিগত কিছু দিন ধৰি সমগ্ৰ তিনিচুকীয়া জিলাখনত আলফাৰ (স্বাধীন) নামত ব্যাপক ৰূপত ধন দাবী কৰাৰ অপৰাধত জিলা খনৰ বিভিন্ন ঠাইৰ লগতে বহিঃ ৰাজ্যৰ পৰাও কেইবাজনো যুৱক অসম আৰক্ষীৰ জালত বন্দী হৈ আটক হ'ব লগা হৈছে। আনহাতে আলফাত(স্বাধীন) নতুনকৈ যোগদানৰ পৰিকল্পনা কৰা পেঙেৰীৰ তিনি যুৱক ক্ৰমে নিউটন মৰাণ, বিজয় মৰাণ আৰু অণ্টো মৰাণ যোৱা ২৮ মে তাৰিখে টিপং চালি অঞ্চলৰ পৰা লেখাপানী আৰক্ষীৰ জালত পৰি আটক হয়। ইয়াৰে আটকাধিন বিজয় মৰাণৰ স্বীকাৰোক্তিৰ ভিত্তিত লেখাপানী আৰক্ষীয়ে শনিবাৰে নিশা পেঙেৰী অঞ্চলত অভিযান চলাই আন দুজন যুৱকক আটক কৰিবলৈ সক্ষম হয়। যুৱক দুজন ক্ৰমে ২নং নলনী গাঁৱৰ দুৰ্লভ মৰাণ (২২) আৰু ৰঙ্গত মৰাণ (২২)। দুয়োকে আটক কৰি লেখাপানী আৰক্ষীয়ে নিজৰ জিম্মাত ৰাখি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। আটক হোৱা যুৱক দুজন আলফাত (স্বাধীন) যোগদান কৰিবলৈ প্ৰস্তুতি চলায় থকাৰ তথ্য পোহৰলৈ অহাৰ পিছতে লেখাপানী আৰক্ষীৰ জালত বন্দী হৈ আইনী মেৰপেচত সোমাই পৰা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি বিগত কিছু দিন ধৰি উজনি অসমৰ, বিশেষকৈ তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ বহু যুৱক আলফাত (স্বাধীন) যোগদান কৰিবলৈ তৎপৰ হৈ পৰাৰ খবৰ লাভ কৰি তিনিচুকীয়া জিলা আৰক্ষী প্ৰশাসনে এই কাৰ্যক বিফল কৰিবলৈ অধিক তৎপৰতাৰে অভিযান অব্যাহত ৰখাৰ লগতে নিজকে শক্তিশালী ৰূপত নিয়োজিত কৰা পৰিলক্ষিত হৈছে।

ৰূপহীহাটৰ আমবাগানত পথ দুৰ্ঘটনা; নিহত ১, আহত ২; ৰাইজৰ পথ অৱৰোধ

অসম বাৰ্তা, ৰূপহীহাট, ১ জুন ঃ ৰূপহীহাটৰ আমবাগানৰ দক্ষিণ ভোমোৰাগুৰিত যোৱা নিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। এএছ-১২-এএফ-৭২৬৩ নম্বৰৰ এখন তীব্ৰ বেগী বাইকে নিয়ন্ত্ৰণ হেৰুৱাই এজন পথচাৰীক খুন্দা মাৰে। পথচাৰীজনক বাইকে খুন্দা মৰাৰ ফলত পথচাৰীজনৰ লগতে দুই বাইক আৰোহী গুৰুতৰভাৱে আহত হয়। আহত হোৱা পথচাৰীজন হ'ল দক্ষিণ ভোমোৰাগুৰিৰ লক্ষ্মী মণ্ডল আৰু বাইক আৰোহী দুজন হ'ল শালপাৰাৰ বিষ্ণু বসুমতাৰী আৰু সঞ্জিত বসুমতাৰী। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ আহত তিনিও কে জখলাবন্ধা চিকিৎসালত প্ৰেৰণ কৰে যদিও লক্ষ্মী মণ্ডল নামৰ পথচাৰী জনক চিকিৎসকে মৃত বুলি ঘোষণা কৰে। উক্ত পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰিয়েই নিশা আমবাগানত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পথটোত সঘনাই পথ দুৰ্ঘটনা সংঘটিত হোৱাত শতাধিক ৰাইজে নগাঁও-নলতলি ৰাজ্যিক ঘাই পথ অৱৰোধ কৰি গতি ৰোধকৰ বাবে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আমবাগান আৰক্ষীয়ে অতি সোনকালেই গতি ৰোধকৰ ব্যৱস্থা কৰি দিব বুলি আশ্বাস প্ৰদান কৰাত ৰাইজে অৱৰোধ কৰা পথ খুলি দিয়ে।

সৰুপথাৰৰ গন্ধকৰৈ জাতীয় বিদ্যালয়ত বিশেষ সম্বৰ্ধনা অনুষ্ঠান

অসম বাৰ্তা, সৰুপথাৰ, ১ জুন ঃ জ্ঞানৰ বটবৃক্ষ হৈ সৰুপথাৰত জিলিকিছে গন্ধকৰৈ জাতীয় বিদ্যালয়। ২০০৩ চনতেই সৰুপথাৰ সমজিলাৰ গন্ধকৰৈত জ্ঞানৰ বন্তি জ্বলাবলৈ প্ৰতিষ্ঠা হৈছিল গন্ধকৰৈ জাতীয় বিদ্যালয়খন। অঞ্চলটোৰ বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ আদিপাঠ গ্ৰহণ কৰে এইখন বিদ্যালয়ৰ পৰাই। উল্লেখযোগ্য যে ২০১৫ চনৰ পৰা বৰ্তমানলৈকে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সৰুপথাৰ সমজিলাত জিলিকিছে বিদ্যালয়খন। দেওবাৰে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ২৬ জনকৈ ছাত্ৰ-

ছাত্ৰীক বিশেষ সম্বৰ্দ্ধনা জনোৱা হয়। সমান্তৰালকৈ ৰাজ্যিক ভিত্তিক বৃত্তি পৰীক্ষাত গন্ধকৰৈ জাতীয় বিদ্যালয়ৰ কৃতীত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলকো জনোৱা হয় সম্বৰ্ধনা। ২২ জনকৈ ছাত্ৰ-ছাত্ৰীকয়ে লাভ কৰিছে জলপানী। ২১জনকৈ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি পৰীক্ষাত লাভ কৰে মানপত্ৰ। সম্বৰ্ধনা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে জীৱনৰ পথ দেখুৱাৰ উদ্দেশ্যেৰে দুগৰাকীকৈ বিশিষ্ট ব্যক্তিৰ দ্বাৰা বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই সমল ব্যক্তি হিচাপে ভাষণ প্ৰদান কৰে। সমান্তৰালকৈ তিনিচুকীয়া জিলাৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জেষ্ঠ প্ৰবক্তা দুৰ্গেশ্বৰ শইকীয়াই নতুন শিক্ষানীতি সন্দৰ্ভত ভাষণ প্ৰদান কৰে। উপস্থিত থাকে গোলাঘাট জিলা জাতীয় বিদ্যালয়ৰ সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক সঞ্জীৱ চাৰিঙ্গীয়া, পৰীক্ষা নিয়ন্ত্ৰক চৈয়ত মছলেগুজ জামান, গোলাঘাট জিলা জাতীয় বিদালয়ৰ উপদেষ্টা প্ৰশান্ত পূজাৰী, গন্ধকৰৈ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মালা বৰা, উপাধ্যক্ষ অনামিকা শইকীয়া। পৰিচালনা সমিতি সভাপতি ধৰ্মেশ্বৰ শইকীয়াসহ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল।

বিজ্ঞান সন্মতভাৱে ব্যৱস্থা গ্ৰহণ নকৰিলে কমলাবাৰী মৌজাৰ নামনি মাজুলীৰ মূল ভূ-খণ্ডৰ বহু অঞ্চল মাজুলীৰ মানচিত্ৰৰ পৰা নিচিহ্ন হোৱাৰ সম্ভাৱনা

অসম বাৰ্তা, মাজুলী, ১ জুন ঃ মাজুলীৰ একালৰ ইংৰাজ সকলে ৰাজধানী পতা বৃহৎ আহঁতগুৰি মৌজাক ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই যি ধৰণে গ্ৰাস কৰি পূৰ্বে যেনেকৈ সম্পূৰ্ণ নিঃশেষ কৰিছিল সেই একেধৰণৰ ভয়াৱহ খহনীয়াই ভাবুকি আনিছে কমলাবাৰী আৰু শালমৰা মৌজাৰ নদী কাষৰীয়া নামনি মাজুলীলৈ ভূখণ্ড লৈকে। যোৰহাটৰ নিমাতী ঘাটৰ পৰা ব্ৰহ্মপুত্ৰৰ মুল নদী খনৰ এটা শক্তিশালী ধাৰে ভকত চাপৰিৰ পদুমনি অঞ্চলত খুন্দা মাৰি তীব্ৰ খহনীয়াৰ সৃষ্টি কৰি ভকত চাপৰি পদুমনিৰ নামনি অংশৰ পৰা কৰদৈগুৰি হৈ নামনি চামগুৰিলৈকে নামনি মাজুলীৰ বৃহত্তম অঞ্চল টোলৈ অতি ভয়াৱহতাৰে ভৌগোলিক সংকোচিত কৰি আনিছে। বাৰিষাৰ আগমন নহওতেই সমগ্ৰ মাজুলীৰ লগতে ফলত ভকত চাপৰি, গোৱাল গাঁও, পদুমৰা, কাৰ্গিলি, ভালুক মৰা, কৰদৈগুৰি, মালাপিন্ধা, বৰ মুকলি, মহৰিছুক, চাৰিঘৰীয়াৰ পৰা আৰম্ভ কৰি শতাধিক গাঁও আৰু হাজাৰ হাজাৰ বিঘা কৃষিভূমি ব্ৰহ্মপুত্ৰ নদীৰ বুকুত সম্পূৰ্ণ নিচিহ্ন হোৱাৰ সম্ভাৱনাই দেখা দিছে। আঁহতগুৰি মৌজাৰ দৰে যেনেদৰে এটা বৃহত্তৰ মাজুলীৰ ভৌগোলিক জনাঞ্চল শেষ হ'ব বুলি কোনোবাই চিন্তা কৰাৰ আগতে সম্পূৰ্ণ মাজুলীৰ ভৌগোলিক মানচিত্ৰৰ পৰা ব্ৰহ্মপুত্ৰৰ বুকুত হেৰাই গৈছিল। তেনেদৰে কমলাবাৰী মৌজাৰ বৃহত্তম নামনি মাজুলীও এদিন হেৰাই যাব নেকি ব্ৰহ্মপুত্ৰৰ বুকুত? সেয়েহে ৰাইজৰ চৰকাৰৰ ওচৰত দাবী সময় থাকোঁতেই কমলাবাৰী, ভকত চাপৰি, কৰদৈগুৰি আদি খহনীয়া গ্ৰস্ত অঞ্চলত অতি শীঘ্ৰে আধুনিক বিজ্ঞান সন্মত শৈলস্পাৰ নিৰ্মাণ কৰি নামনি মাজুলীক ৰক্ষা কৰক। শেহতীয়াকৈ নামনি মাজুলীৰ কৰ্দৈগুৰি অঞ্চলত ব্ৰহ্মপুত্ৰৰ ভয়াৱহ গৰাখহনীয়াই সৃষ্টি কৰিছে চৰম পৰিস্থিতিৰ। জলসম্পদ বিভাগ আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ চূড়ান্ত গাফিলতিৰ বিৰুদ্ধে অৱশেষত নদীৰ পাৰলৈ ওলাই আহিবলৈ বাধ্য হৈছে নদীপৰীয়া ৰাইজ। আজি ব্ৰহ্মপুত্ৰৰ পাৰতে একত্ৰিত হৈ ভুক্তভোগী পুৰুষ-মহিলাই সাব্যস্ত কৰে এক প্ৰতিবাদ। গাঁওবাসীৰ অভিযোগ অনুসৰি বাৰিষাৰ সময়ত নিম্নমানৰ পাৰকুপাইন পেলাই আঁচনিৰ নামত কেৱল আভুৱা আৰু ভেকো ভাওনহে কৰি আহিছে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে। সমান্তৰালভাৱে অঞ্চলটো সুৰক্ষাৰ কাৰণে অসম চৰকাৰৰ জল সম্পদ বিভাগে গ্ৰহণ কৰা নাই প্ৰয়োজনীয় পদক্ষেপ। প্ৰতিবাদকাৰী সকলে কৰ্দৈগুৰি, ভালুকমৰাকে মুখ্য কৰি বৃহত্তৰ নামনি মাজুলীৰ পঞ্চাশখন গাওঁ বিজ্ঞানসন্মত পদ্ধতিৰে সুৰক্ষা নকৰি কেৱল চৰকাৰৰ টকাৰ শ্ৰাদ্ধ পাতি আত্মসন্তুষ্টি লাভ কৰা বুলি ক্ষোভ উজাৰে। তাৰ বিপৰীতে চৰকাৰী টকাৰ শৰাধ বন্ধ কৰি কৰ্দৈগুৰি অঞ্চলত অতি সোনকালে বিজ্ঞানসন্মতভাৱে 'শৈল্য স্পাৰ' বা 'জিঅ' টিউব'ৰ স্থায়ী ব্যৱস্থা কৰিবলৈ দাবী জনাইছে স্থানীয় ৰাইজে। অন্যথা অনাগত দিনত প্ৰতিবাদ তীব্ৰতৰ কৰি তুলিব বুলি সংবাদ মাধ্যমৰ আগত স্পষ্ট কৰি দিয়ে। দাবী, প্ৰতিবাদ কৰি ভাগৰুৱা হৈ পৰা ৰাইজক নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰাৰ কথা পাহৰি যোৱা চৰকাৰক নৈপৰীয়া ৰাইজে কাতৰ আহ্বান জনায় মাজুলী কেৱল অসমৰে নহয় বিশ্বৰ দৰবাৰত বিৰল সাংস্কৃতিক সৌধ। ৰক্ষা কৰাৰ নৈতিক দায়িত্ব পালন নকৰি মাজুলীৰ ৰাইজৰ আৰ্তনাদ অৰণ্যৰোদনত পৰিণত নকৰিব!

বায়খো উৎসৱৰ দিনটো চৰকাৰী বন্ধ ঘোষণা কৰাৰ আহ্বান ৰতন চন্দ্ৰ ৰাভাৰ

টংলা টোকনকাটা বায়খো ডামত আজিৰে পৰা ৰাভা জনগোষ্ঠীৰ জাতীয় উৎসৱ বায়খো পূজা উদ্‌যাপন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১ জুন ঃ ৰাভা জনগোষ্ঠীক বিশ্ব দৰবাৰত পৰিচয় কৰাবলৈ হ'লে আধ্যাত্মিক দিশ, সাংস্কৃতিক আৰু সাতামপুৰুষীয়া পৰম্পৰা ঐতিহ্যক জীয়াই ৰাখিব লাগিব। জেঠ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা ৰাভা জনগোষ্ঠীৰ জাতীয় উৎসৱ বায়খোৰ দিনা চৰকাৰীভাৱে বন্ধ ঘোষণা কৰক। অন্যান্য জনগোষ্ঠীৰ দৰে বায়খো উৎসৱৰ দিনাও চৰকাৰীভাৱে বন্ধ ঘোষণা কৰি পৰিয়ালটোৰ সৈতে একেলগে আৰাধনা কৰাৰ সুবিধাকণ দিয়ক। বিশ্ব শান্তি-সম্প্ৰীতি, ভ্ৰাতৃত্ববোধ অক্ষুণ্ণ ৰাখিবলৈ আয়া বায়খোই আশীৰ্বাদ প্ৰদান কৰিব। ওদালগুৰি জিলাৰ টংলা সমীপৰ টোকনকাটা আঞ্চলিক বাইখো ডাম পৰিচালনা সমিতিৰ উদ্যোগত টোকনকাটা আৰু বৃহত্তৰ কলাইগাঁও ৰাইজৰ সহযোগত বায়খো ডাম টোকনকাটাত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা ১৭ সংখ্যক ৰাভা জাতীয় উৎসৱ বায়খো পূজা উদযাপনৰ পতাকা উত্তোলন কৰি এইদৰে কয় টোকনকাটা আঞ্চলিক বায়খো ডাম পৰিচালনা সমিতিৰ সভাপতি তথা বিটিচিৰ মনোনীত পাৰিষদ ৰতন চন্দ্ৰ ৰাভাই। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, প্ৰয়াত সমাজ সেৱক কমলা ৰাভা আৰু গাঁও প্ৰধান দেবেন চন্দ্ৰ ৰাভাৰ পবিত্ৰ স্মৃতিত একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচী কণ্ঠশিল্পী লাৱণ্য ৰাজ ৰাভা, অৱসৰী শিক্ষক ভৱেশ ৰাভা আৰু গাঁও প্ৰধান ডিম্বেশ্বৰ বড়োৱে ৰূপায়ণ কৰে। কেবাগৰাকীও ব্যক্তিয়ে গছপুলি ৰোপণ কৰে। বায়খো পূজা শুভাৰম্ভ, নৈবেদ্য স্থাপন আৰু দেউৰী বৰণ কৰা পিছতে গাঁও ভিত্তিত পুৰুষ আৰু মহিলাৰ মাজত লেৱা টনা প্ৰতিযোগিতাও অনুষ্ঠিত হয়। আনহাতে ১ জুন অৰ্থাৎ দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি আবেলি ৩বজাত মুকলি বায়খো, কৃষ্টি প্ৰদৰ্শন আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভাই উদ্বোধন কৰিবলগীয়া মুকলি অনুষ্ঠানত বায়খো হুৰি অসমৰ উপ সভাপতি বিষ্ণু প্ৰিয়ম ৰাভাই নিৰ্দিষ্ট বক্তাৰ ভাষণ অলংকৃত কৰিব। অনুষ্ঠানত কেবিনেট মন্ত্ৰী চৰণ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰী, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভা প্ৰমুখ্য বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দৰ লগতে বিধায়ক, বিটিচিৰ কাৰ্য্যবাহী পাৰিষদ, অন্যান্য পাৰিষদ উপস্থিত থাকিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী নিপু ৰাভাৰ লগতে স্থানীয় কণ্ঠশিল্পী নিশা ৰাভাই গীতৰ শৰাই আগবঢ়াব। সাংস্কৃতিক অনুষ্ঠানত গোৱালপাৰা জিলাৰ পৰা আমন্ত্ৰিত পশ্চিম দায়ৰং বায়ৱা থোকৰ বাৰ নাককায় খুকচি নৃত্য প্ৰদৰ্শন কৰা হ'ব বুলি উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি দণ্ডি ৰাম ৰাভা আৰু সম্পাদক হৰকান্ত ৰাভাই জানিবলৈ দিয়ে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ শৈক্ষিক সম্প্ৰসাৰণমূলক অনুষ্ঠান সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১ জুন ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী প্ৰাধ্যাপক ড° জিতু বৰা, জিণ্টু হাজৰিকা, দীপশিখা বুঢ়াগোহাঁই, জোতিৰ্ম্মীতা দত্ত আৰু বনিষা শইকীয়াৰ উদ্যোগত ৩০ মে'ত ডিব্ৰুগড়ৰ ভগামূৰ নেপালী ব্লক মধ্য ইংৰাজী বিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা পৰিচালিত এক শৈক্ষিক সম্প্ৰসাৰণ মূলক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত কেইবাগৰাকী শিক্ষাৰ্থী উপস্থিত থাকে আৰু ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন বিভাগত পাঠদান দিয়ে। প্ৰধান শিক্ষক ৰঞ্জিত কলিতাৰ পৌৰহিত্যত আয়োজিত অনুষ্ঠানত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক কেশৰাম হাজৰিকাৰ লগতে পৰিচালনা সমিতিৰ সভাপতি, সদস্য, অভিভাৱক তথা শিক্ষক-শিক্ষয়িত্ৰী সকল উপস্থিত থাকে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলক- কবিতা আবৃত্তি, গল্প, সাঁথৰ, কুইজ আদিৰ জ্ঞান প্ৰদান কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগায়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি পুৰস্কাৰ বিতৰণ কৰা হয়।

মৃত্যুপথলৈ পৰিগণিত লখিমপুৰ জিলাৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ

অসম বাৰ্তা, বান্দৰদেৱা, ১ জুন ঃ লখিমপুৰ জিলা খনৰ হাৰাজানৰ পৰা নাৰায়ণপুৰ, বান্দৰদেৱা হৈ লখিমপুৰ নগৰলৈকে যোৱা সমগ্ৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱা এতিয়া মৃত্যুপথলৈ পৰিগণিত হৈছে। সম্প্ৰতি প্ৰতিদিনে উক্ত পথত সৰু-ডাঙৰ গাড়ী, বাইক দুৰ্ঘটনাত পতিত হৈ বহুকেইজন ব্যক্তি মৃত্যুমুখত পৰিছে, পংগু হৈছে আৰু বহুতো ব্যক্তি গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হৈ এতিয়াও হস্পিটেলত চিকিৎসাধীন হৈ থাকিব লগা হৈছে। ইয়াৰ মূলতঃ কাৰণ হৈছে দৈনিক হেজাৰ হেজাৰ গাড়ী মটৰ বাইক চলাচল কৰিব লগা হয় একমাত্ৰ ঠেক পথটোৰ ওপৰেদি। চৰকাৰ খনে লখিমপুৰ জিলা খনৰ গুৰুত্বপূৰ্ণ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথছোৱা চাৰিলেনযুক্ত পথলৈ আজি পৰ্যন্ত উন্নীত নকৰাৰ ফলত এনেদৰে প্ৰতিদিনে দুৰ্ঘটনা সংঘটিত হৈছে বুলি সচেতন নাগৰিক সকলে চৰকাৰক সমালোচনা কৰা পৰিলক্ষিত হয়। সেয়েহে লখিমপুৰীয়া ৰাইজৰ দাবী অসমৰ মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মালৈ তেওঁ যাতে উক্ত পথছোৱা অতি শীঘ্ৰে চাৰিলেনযুক্ত পথ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰে। যোৱা নিশা সন্ধিয়াও নাৰায়ণপুৰ সমীপৰ বৰপথাৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত AR 01M 0826 নম্বৰৰ টাটা তিয়াগো বাহনৰ লগত দুখন বাইকৰ মুখামুখি সংঘৰ্ষৰ ফলত দুজন বাইক আৰোহী থিতাতে নিহত হয়। তাৰে এজনৰ এখন হাত ছিগি দূৰত চিটিকি পৰে। নিহত যুৱক দুজন নাৰায়ণপুৰৰ টিকিৰাই গাঁৱৰ একান্ত পেগুৰ পুত্ৰ ভাইতি পেগু আৰু নিধিৰাম দলেৰ পুত্ৰ দীপজ্যোতি দলে বুলি চিনাক্ত কৰা হৈছে। চাৰিজন গুৰুতৰ ভাৱে আহত হোৱাত তেওঁলোকক স্থানীয় ৰাইজে উদ্ধাৰ কৰি ততাতৈয়াকৈ হস্পিতেললৈ প্ৰেৰণ কৰে।

কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াক আৰোহন প্ৰসাশনিক আৰু নিপন নাথক সমাজ হিতৈষী বঁটা প্ৰদান

আৰোহন আৰ্টিষ্ট গীল্ডে আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানৰ সফল সামৰণি

সাংবাদিক দ্বীপেন ডেকাক আৰোহন গ্ৰাম্য সাংবাদিকতা বঁটা

অসম বাৰ্তা, পাথৰিঘাট, ১ জুন ঃ আৰোহন আৰ্টিষ্ট গীল্ডে আয়োজন কৰা অসম ৰাজ্যিক শিশু বিকাশ সমাৰোহ আৰু আৰোহন বঁটা প্ৰদান অনুষ্ঠান আজি সামৰণি পৰে। দিনৰ ১১ বজাত ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰেবিশিষ্ট ব্যক্তি কুমুদ নাথে। সংস্কৃতিৰ বৰপথাৰখনত অসমৰ শিক্ষা-সাহিত্য, সাংস্কৃতিক, সামাজিক বেচৰকাৰী সংস্থা আৰোহন আৰ্টিষ্ট গীল্ডে সৃষ্টি সাধনা, কষ্ট সহিষ্ণুতা, জীৱনযোৱা সাধনা, শিক্ষা, সাহিত্য, সাংস্কৃতিক, সংবাদসেৱা, সমাজ সেৱা, মানৱসেৱা, ক্ৰীড়া আৰু প্ৰশাসনিক ক্ষেত্ৰখনলৈ বিশেষ সেৱা আগবঢ়াই অহা প্ৰথিতযশা ব্যক্তি সকলক প্ৰতি বছৰে বটাঁ প্ৰদান কৰি উৎসাহিত কৰাই হৈছে আৰোহন অনুষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্য। ২০২৫-২৬ বৰ্ষৰ সন্মানজনক 'আৰোহন বঁটা' প্ৰদান অনুষ্ঠানটি গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। সমাজত আজীৱন দুগুণ উৎসাহেৰে কাম কৰাৰ বাবে প্ৰেৰণা যোগোৱা মানসেৰে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক আৰোহন বটাঁ প্ৰদান কৰে। আৰোহন আৰ্টিষ্ট গীল্ডে আজি গুৱাহাটীৰ মাজমজিয়াস্থিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠানটি তথা অসম ৰাজ্যিক শিশু বিকাশ সমাৰোহ আৰু আৰোহন বঁটা প্ৰদান অনুষ্ঠানটি জাকজমকতাৰে অনুষ্ঠিত হৈ যায়। আৰোহন আৰ্টিষ্ট গ্ৰীল্ডৰ সভাপতি ড° দিলীপ নাথে আঁত ধৰা অনুষ্ঠানত ড° অঞ্জন জ্যোতি চৌধুৰীয়ে ভাষণৰ মাজতে দিয়া হাঁহিৰ খোৰাকে পৰিবেশ জীপাল কৰি তোলে। অনুষ্ঠানত কেইবাজনো আমন্ত্ৰিত শিশু শিল্পীয়ে কৰা নৃত্য, আমন্ত্ৰিত অতিথিয়ে গীত পৰিৱেশন কৰা প্ৰতিটো মুহূৰ্তই যেন সকলোক মোহিত কৰে। আজিৰ এই অসমীয়া জাতীয় সাংস্কৃতিক অনুষ্ঠান সমাৰোহত আৰোহন অনুষ্ঠানৰ হৈ ড° অঞ্জন জ্যোতি চৌধুৰীয়ে প্ৰদান কৰা ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াক প্ৰসাশনিক বটাঁ, সাংবাদিকদ্বীপেন ডেকাক আৰোহন গ্ৰাম্য সাংবাদিকতা বটাঁ আৰু সমাজ সেৱক তথা বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ সভাপতি নৃপন নাথক আৰোহন সমাজ হিতৈষী বটাঁ প্ৰদান কৰে।

দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন

অসম বাৰ্তা, মেৰাপানী, ১ জুন ঃ গোলাঘাট জিলা মেৰাপানী থানাৰ অন্তৰ্গত দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত বিদ্যাৰ্থীভৱন গমাৰী গুৰিৰ আতিথ্যত ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ আৰু ডিষ্টিংচন লাভ কৰা ২০জন কৃতি ছাত্ৰ-ছাত্ৰীক দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ তৰফৰ পৰা অভিনন্দন জনোৱা হয়। সৰস্বতী মইনা পাৰিজাতৰ মইনা ৰিমজিম শইকীয়াই আঁত ধৰা কৃতি ছাত্ৰ-ছাত্ৰী অভিনন্দন অনুষ্ঠানটোত সভাপতিত্ব কৰে জ্যোতিষ্মান মইনা পাৰিজাতৰ মইনা ৰ্বাবী বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ মইনা দীপ্তজিৎ শইকীয়াই, চিনাকি পৰ্ব ও সম্বৰ্ধনা অনুষ্ঠানটী আঁত ধৰে দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ সম্পাদক ভদ্ৰেশ্বৰ বৰাই আৰু কৃতি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানটী আঁত ধৰে বিশিষ্ট কবি, দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ সাহিত্য সম্পাদক দীপক বৰাই। সভাত নৃত্য তৰংগিনী মইনা পাৰিজাতৰ মইনা অনুষ্কা কছাৰীয়ে মইনা অতিথি হিচাপে বক্তব্য প্ৰদান কৰে, শলাগৰ শৰাই আগবঢ়ায় নৃত্য তৰংগিনী শাখা মইনা পাৰিজাতৰ মইনা শমীষ্ঠা মাণিকিয়াল সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দৈয়াং চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ড° বিদুৰ কুমাৰ বৰুৱা, দৈয়াং ৰত্ন প্ৰাপ্ত মহেন বৰুৱা, মেৰাপানী টাউন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন বৰা, জাতীয় বিদ্যালয়, মেৰাপানীৰ অধ্যক্ষা ৰূপা শইকীয়া, গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস, সহকাৰী সম্পাদক প্ৰবীণ গগৈ, আলোক সন্ধানী শাখা সাহিত্য সভাৰ সভাপতি মদন গগৈ, মেৰাপানী প্ৰেছ ক্লাবৰ সভাপতি পবিত্ৰ দাস, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সম্পাদক নিকুঞ্জ মেধি, নৃত্য তৰংগিনী কলা কেন্দ্ৰৰ অধ্যক্ষ ৰূপাংকৰ বৰুৱা, বিদ্যাৰ্থী ভৱনৰ সঞ্চালক দেৱজিৎ বৰা, দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি চন্দ্ৰ দ্বীপ গগৈ, দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি কেশৱ চন্দ্ৰ ফুকন, কাৰ্যকৰী সভাপতি অজিত শইকীয়া, বিশিষ্ট কবি দীপক বৰাকে আদি কৰি দৈয়াঙৰ গুনি-জ্ঞানী লোক সকল। শেষত বৰডুবি জ্যোতিষ্মান মইনা পাৰিজাতৰ মইনা ৰ্বাবী বৰাই সভাপতি মন্তব্যই অনুষ্ঠিত অনুষ্ঠান ভংগ হয়।

মাকুমত সদৌ মৰাণ ছাত্ৰ সন্থাৰ কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

অসম বাৰ্তা, মাকুম, ১ জুন ঃ সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিয়ে প্ৰতিবছৰে উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰি আহিছে। সেই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এই বৰ্ষতো আজি মাকুম বনৰক্ষী প্ৰশিক্ষণ বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ২০২৫-২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৭০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এক বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰে। মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি গুণধৰ মৰাণৰ সভাপতিত্বত আৰু সহকাৰী সাধাৰণ সম্পাদক লিউৰেন বড়াৰ সঞ্চালনাত অনুষ্ঠিত এই অনুষ্ঠানত মুঠ ৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনাৰ অংশ হিচাপে প্ৰত্যেকগৰাকী শিক্ষাৰ্থীক একোখনি সম্বৰ্ধনা পত্ৰ, জনগোষ্ঠীয় গামোচা আৰু এটা ফাইল প্ৰদান কৰি উৎসাহ যোগোৱা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমা গুৰু ড০ সুৰজিত বৰকটকী উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা সকলক উদ্দেশ্যি শিক্ষাৰ গুৰুত্ব, কঠোৰ পৰিশ্ৰম আৰু জীৱনৰ লক্ষ্য নিৰ্ধাৰণৰ ওপৰত সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। ইয়াৰ উপৰিও অনুষ্ঠানত সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা টিকেন্দ্ৰজিত গোহাঁই মৰাণ মহিলা পৰিষদ সভানেত্ৰী দীপা শইকীয়া বড়া মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ সাধাৰণ সম্পাদিকা ৰুণু মৰাণ চাউৰক, মৰাণ জাতীয় মহিলা পৰিষদ মাকুম আঞ্চলিক সমিতিৰ সভানেত্ৰী, সাধাৰণ সম্পাদিকা ক্ৰমে সোণালী মৰাণ গোহাঁই আৰু সবিতা মৰাণ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষিকা ছাত্ৰী চন্দ্ৰমা গগৈয়ে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক ক্ষেত্ৰত অধিক আগবাঢ়ি যোৱাৰ লগতে ভৱিষ্যৎ জীৱনত সফলতা অৰ্জনৰ বাবে প্ৰয়োজনীয় দিশসমূহৰ ওপৰত মূল্যৱান পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানটোৱে কৃতি শিক্ষাৰ্থীসকলক সন্মান জনোৱাৰ লগতে শিক্ষাৰ ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে উৎসাহিত কৰাৰ এক উল্লেখযোগ্য প্ৰয়াস হিচাপে পৰিগণিত হয়। অনুষ্ঠানৰ শেষত সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ সম্পাদক ভদ্ৰজিৎ চেতিয়াই সংবাদ মাধ্যমৰ জৰিয়তে সকলো ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত জীৱন উজ্জ্বল হোৱাৰ কামনা কৰে।

বিহালীত বিদ্যালয় বহিৰ্ভূত শিশুৰ বাবে শৈক্ষিক সজাগতা সভা সম্পন্ন

অসম বাৰ্তা, জিনজিয়া, ১ জুন ঃ বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত কেটেলা চাহ বাগিছা প্ৰাথমিক বিদ্যালয়ত ২৯ মে তাৰিখে এক গুৰুত্বপূৰ্ণ শৈক্ষিক সজাগতা সভা অনুষ্ঠিত হৈ যায়। বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ ভাৰপ্ৰাপ্ত শিক্ষা বিষয়া ধীৰাজ কুমাৰ টাইডৰ নিৰ্দেশ মৰ্মে মূলত বিদ্যালয় বহিৰ্ভূত শিশুসকলৰ সমস্যা আৰু তেওঁলোকক শিক্ষাৰ মূলসুঁতিলৈ ঘূৰাই অনাৰ ওপৰত ভিত্তি কৰি এই বিশেষ শৈক্ষিক সজাগতা সভাখনৰ আয়োজন কৰা হয়। সজাগতা সভা খনত সভাপতিত্ব কৰে বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ গাণনিক বিষয়া ৰমেন বৰাই। বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ জিলা সমল ব্যক্তি উপেন্দ্ৰ ডেকাৰ আহ্বানত অনুষ্ঠিত হোৱা এই সভাখনৰ মূল উদ্দেশ্য আৰু গুৰুত্ব ব্যাখ্যা কৰে বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ বিআৰপি হৃদয় বৈশ্যই। উদ্দেশ্য ব্যাখ্যাৰ প্ৰসংগত হৃদয় বৈশ্যই কয় যে- কোনো এটা শিশুও যাতে শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হবলগীয়া নহয়, তাৰ বাবে সমাজৰ প্ৰতিজন সচেতন নাগৰিক সজাগ হোৱাটো প্ৰয়োজন। সেই ক্ষেত্ৰত শিক্ষকৰ পৰা সমাজৰ প্ৰতি গৰাকী শিক্ষ সচেতন, সমাজ সচেতন ব্যক্তিয়ে তীক্ষ্ণ নজৰ ৰখাটো জৰুৰী, তেহে আমি এই সমস্যা সমাধান কৰি এক শিক্ষিত সমাজ আৰু ৰাষ্ট্ৰ নিৰ্মাণ কৰাটো সম্ভৱ। সজাগতা সভাত কেটেলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী অঞ্জনা বৰাই বিদ্যালয় বহিঃভূত শিক্ষাৰ্থী, তেওঁলোকৰ বিভিন্ন সমস্যা আৰু সামগ্ৰিক শিক্ষা ব্যৱস্থাৰ ওপৰত এক গুৰুত্বপূৰ্ণ বক্তব্য ডাঙি ধৰে। তেখেতে চাহ বাগিছা অঞ্চলৰ শিশুসকলৰ স্কুল আধাতে এৰা প্ৰৱণতাৰ ওপৰত আলোকপাত কৰি অভিভাৱকসকলক নিজৰ সন্তানৰ নিয়মীয়া বিদ্যালয় উপস্থিতি নিশ্চিত কৰিবলৈ আহ্বান জনায়। উক্ত সজাগতা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া নিভাৰাণী দেৱী আৰু চুপাৰভাইজাৰ মীৰা দেৱী। উপস্থিত অতিথিদ্বয়ে ৰাইজ, অভিভাৱক আৰু সমাজৰ উদ্দেশ্যে বিশেষ বাৰ্তা প্ৰদান কৰি কয় যে শিশুসকলৰ প্ৰাথমিক ভেটি অংগনৱাড়ী কেন্দ্ৰসমূহৰ পৰাই মজবুত হ'ব লাগিব আৰু বিদ্যালয় বহিৰ্ভূত শিশু চিনাক্তকৰণত অংগনৱাড়ী কৰ্মী তথা মাতৃ গোটৰ ভূমিকা অপৰিসীম। উক্ত সভাত বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ অতিৰিক্ত সমল ব্যক্তি গোপীলাল শৰ্মা, কেটেলা চাহ বাগিছা অনাআৱাসিক কেন্দ্ৰৰ শিক্ষাকৰ্মী পুনম ছেত্ৰীৰ লগতে বহুসংখ্যক শিক্ষা সেৱক-সেৱিকা, অংগনৱাড়ী কৰ্মী আৰু স্থানীয় গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে। শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত বা বিদ্যালয় বহিৰ্ভূত শিশুসকলক পুনৰ বিদ্যালয়মুখী কৰাৰ এক দৃঢ় সংকল্পৰে সভাৰ কাম-কাজ সফলতাৰে সামৰণি পৰে।

বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাৰ কৃষি বিভাগৰ কাৰ্যালয় পৰিদৰ্শন

অসম বাৰ্তা, দৌলাশাল, ১ জুন ঃ নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ন ডেকাই আজি সমষ্টিটোৰ বৰতলাস্থিত মহকুমা কৃষি বিভাগৰ কাৰ্যালয়ত উপস্থিত হয়। বিধায়ক নাৰায়ন ডেকাই কাৰ্যালয়টো পৰিদৰ্শন কৰি কাৰ্যালয়ৰ বিভিন্ন কাম-কাজ আৰু অভাৱ-অভিযোগ সম্পৰ্কত বুজ লয়। কাৰ্যালয়টোৰ বিভিন্ন কাম-কাজ সম্পৰ্কত মহকুমা কৃষি বিষয়া অন্তৰা কাকতি, কৃষি উন্নয়ন বিষয়া ক্ৰমে মৌচুমী ঠাকুৰ, ৰাজেশ চিন্তে আৰু কাৰ্যালয়টোৰ কৃষি সম্প্ৰসাৰণ বিষয়াসকলৰ স'তে মত বিনিময় কৰে। কাৰ্যালয়টোত নতুনকৈ যোগদান কৰে কৃষি সম্প্ৰসাৰণ বিষয়াসকলৰ স'তেও চিনাকি পৰ্বত অংশ লয় বিধায়ক নাৰায়ন ডেকাই। বিধায়ক নাৰায়ন ডেকাই মহকুমা কৃষি বিভাগৰ জৰাজীৰ্ণ কাৰ্যালয়টো পৰিদৰ্শন কৰি কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকলৰ অভাৱ-অভিযোগসমূহ দূৰ কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে নাৰায়ন ডেকাই ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাছত আজি বৰতলাস্থিত মহকুমা কৃষি বিভাগৰ কাৰ্যালয়টোত উপস্থিত হোৱাত বিধায়কগৰাকীক ফুলাম গামোচা, শৰাই আৰু শুভেচ্ছামূলক উপহাৰেৰে সম্বৰ্ধনা জনায়। পৰিদৰ্শনকালত বিধায়ক নাৰায়ন ডেকাক সংগ দিয়ে বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী, ৫২নং বৰতলা-কালদি গাঁও পঞ্চায়তৰ সভানেত্ৰী মিতালী মেধি, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, স্থানীয় গাঁওপ্ৰধান অন্নৰাম বৰ্মনকে প্ৰমুখ্য কৰি ভাৰতীয় জনতা পাৰ্টীৰ একাংশ কাৰ্যকৰ্তাই।

ৰাষ্ট্ৰীয় পৰ্য্যায়ত উজ্জ্বলিল নাজিৰা মেছাগড়ৰ জোকতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়

নতুন দিল্লীত ধপাঁতমুক্ত ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ

অসম বাৰ্তা, নাজিৰা, ১ জুন ঃ ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত "বিদ্যালয় প্ৰত্যাহ্বান - ধপাত মুক্ত পৰিবেশ -২০২৫" শীৰ্ষক এক প্ৰতিযোগিতাত শিৱসাগৰ জিলাৰ মেছাগড়স্থিত জোকতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ত উজ্জ্বলি উঠিবলৈ সক্ষম হৈছে। আজি নতুন দিল্লীত অনুষ্ঠিত এক আৰম্বড়পুৰ্ণ বঁটা প্ৰদান অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই "ধপাত মুক্ত প্ৰতিষ্ঠান বঁটা" মেছাগড় জোকতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনক প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে দেশত ধপাত মুক্ত পৰিবেশ সৃষ্টি কৰাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষানুষ্ঠান সমূহত মাজত বাটৰ নাট, প'ষ্টাৰ আৰু চিত্ৰকলা প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। বিগত বৰ্ষৰ আগষ্ট মাহত আয়োজন কৰা এই প্ৰতিযোগিতাত সমগ্ৰ দেশৰ লগতে ৰাজ্যখনৰ সকলো উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অংশগ্ৰহণ বাধ্যতামূলক আছিল। বিদ্যালয়খনে প'ষ্টাৰ প্ৰতিযোগিতাৰ উপৰিও বাটৰ নাট, চিত্ৰকলা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। বিদ্যালয়খনৰ অধ্যক্ষ ৰঞ্জন বুঢ়াগোহাঁইৰ বিশেষ উদ্যোগত, ন'ডেল শিক্ষক ঋতুৰাজ বৰুৱা, শিক্ষক ৰিতু বৰগোহাঞিৰ ৰচনা আৰু মানস বৰগোহাঞিৰ পৰিচালনাত বাটৰ নাট প্ৰদৰ্শিত হোৱাৰ লগতে পষ্টাৰ প্ৰতিযোগিতাই বিশেষ দৃষ্টি আকৰ্ষণ কৰিব সক্ষম হয়। আজি নতুন দিল্লীত বিদ্যালয়ৰ হৈ এই বঁটা গ্ৰহণ কৰে শিক্ষয়িত্ৰী কৃত্তিকা মেধিয়ে। বিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ পুৰ্ণ সহযোগত লাভ কৰা এই সফলতাত বিদ্যালয়খনত এক আনন্দমুখৰ পৰিৱেশ সৃষ্টি হৈছে। জোকতলী উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ এই সফলতা কেৱল শিৱসাগৰ জিলাই নহয়, সমগ্ৰ অসমলৈকে গৌৰৱ কঢ়িয়াই আনিছে বুলি অভিমত প্ৰকাশ কৰিছে সমগ্ৰ-শিক্ষা অসমৰ শিৱসাগৰ জিলা সমন্বয়কে।

'টীম শুভেন্দু' সম্পূৰ্ণ ৰূপ; ৩৫ গৰাকী মন্ত্ৰীৰ শপত গ্ৰহণ

অধিকাৰীয়ে নিজৰ কাৰ্যকৰী দলটোক পূৰ্ণাংগ ৰূপ দিয়ে। উল্লেখ্য যে, যোৱা ৯ মে'ত শুভেন্দু অধিকাৰীয়ে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। সেইদিনা তেওঁৰ সৈতে মাত্ৰ কেইগৰাকীমান বিধায়কহে মন্ত্ৰী হিচাপে শপত লৈছিল। আজি তিনি সপ্তাহৰ পাছত বৃহৎ পৰিসৰত এই সম্প্ৰসাৰণ কৰা হয়। শপতগ্ৰহণ কৰাসকলৰ ভিতৰত ১৩ গৰাকী কেবিনেট মন্ত্ৰী, ৩ গৰাকী ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ) আৰু ১৯ গৰাকী ৰাজ্যিক মন্ত্ৰী অন্তৰ্ভুক্ত হৈছে। মুঠতে নতুনকৈ ৩৫ গৰাকী মন্ত্ৰীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাত বংগৰ মন্ত্ৰীসভাৰ মুঠ সদস্য সংখ্যা ৪১ জনলৈ বৃদ্ধি পায়। কেবিনেট মন্ত্ৰীসকল দীপক বৰ্মন, তাপস ৰায়, ডাঃ শংকৰ ঘোষ, মনোজ কুমাৰ ওৰাওঁ, অৰ্জুন সিং, গৌৰী শংকৰ ঘোষ, স্বপন দাসগুপ্ত, জগন্নাথ চট্টোপাধ্যায়, কল্যাণ চক্ৰৱৰ্তী, অজয় পোদ্দাৰ, সাৰদ্বত মুখাৰ্জী, দুধ কুমাৰ মণ্ডল আৰু অনুপ কুমাৰ দাস। ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ) ডাঃ ইন্দ্ৰনীল খান, মালতী ৰাভা ৰায় আৰু ৰাজেশ মাহাতো। ৰাজ্যিক মন্ত্ৰীসকল (১৯ গৰাকী) জোৰেল মুৰ্মু, হৰে কৃষ্ণ বেৰা, আনন্দময় বৰ্মন, অশোক দিণ্ডা, নাদিয়াৰ চান্দ বাউৰী, দৈত্য লামা, শান্তনু প্ৰমাণিক, মৌমিতা বিশ্বাস মিশ্ৰ, উমেশ সত্যজিৎ, পূৰ্ণিমা চক্ৰৱৰ্তী, কৌশিক চৌধুৰী, ভাস্কৰ ভট্টাচাৰ্য, দিবাকৰ ঘৰমী, অমিয়া কিস্কু, কলিতা মাঝি, গাৰ্গী দাস ঘোষ, বিৰাজ বিশ্বাস, দীপাংকৰজন আৰু সুমনা সৰকাৰ। এই নতুন মন্ত্ৰীসকলৰ ভিতৰত বিজেপিৰ কেইবাজনো জ্যেষ্ঠ আৰু জনপ্ৰিয় নেতা আছে। সাৰদ্বত মুখাৰ্জী, ইন্দ্ৰনীল খান, পূৰ্ণিমা চক্ৰৱৰ্তী, তপস ৰায়, গাৰ্গী ঘোষ, অশোক দিণ্ডা, স্বপন দাসগুপ্ত আৰু ৰূপা গাংগুলীৰ দৰে নাম উল্লেখযোগ্য। বিশেষভৱে লক্ষণীয় যে নতুন মন্ত্ৰীসভাত ব্ৰাহ্মণ, অ'বিচি (অন্যান্য পিছপৰা শ্ৰেণী), আদিবাসী, মাতুৱা আৰু ৰাজবংশী সম্প্ৰদায়ৰ বিধায়কসকলক সামৰি লোৱা হৈছে। ইয়াৰ জৰিয়তে বিজেপিয়ে ৰাজ্যৰ সামাজিক ভাৰসাম্য ৰক্ষাৰ প্ৰচেষ্টা চলোৱা বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। উল্লেখ্য যে, সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত পশ্চিমবংগত ঐতিহাসিক বিজয় লাভ কৰি বিজেপিয়ে ২৯৪খন আসনৰ ভিতৰত ২০৮খন আসন দখল কৰিছিল। এই জয়ৰ ফলত তৃণমূল কংগ্ৰেছৰ ১৫ বছৰীয়া শাসনৰ অন্ত পৰে। ৯ মে'ত বিখ্যাত ব্ৰিগেড পেৰেড খেলপথাৰত অনুষ্ঠিত এক বৃহৎ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ উপস্থিতিত শুভেন্দু অধিকাৰীয়ে মুখ্যমন্ত্ৰী হিচাপে শপত লৈছিল। তেওঁৰ লগতে দিলীপ ঘোষ, অগ্নিমিত্ৰা পাল, নিশিত প্ৰামাণিক, অশোক কীৰ্তনীয়া আৰু ক্ষুদিৰাম টুডুৱেও মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে ইতিমধ্যে প্ৰথম কেবিনেট বৈঠকতে বিএছএফক ভূমি হস্তান্তৰ আৰু বিদ্যালয়সমূহত বন্দে মাতৰম বাধ্যতামূলক কৰাৰ দৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি কঠোৰ শাসনৰ ইংগিত দিছে।

ডেকা সত্ৰীয়া যোগেন্দ্ৰ নাথ মহন্তৰ প্ৰতি শ্ৰদ্ধাঞ্জলি; 'প্ৰণাম' উন্মোচন

অসম বাৰ্তা, নিমাতীঘাট, ১ জুন ঃ পটীয়া গাঁৱত অৱস্থিত শ্ৰীশ্ৰী লেটুগ্ৰাম সত্ৰৰ ডেকা সত্ৰীয়া তথা সমাজকৰ্মী যোগেন্দ্ৰ নাথ মহন্তৰ প্ৰতি আজি আদ্যশ্ৰাদ্ধৰ দিনা যোৰহাট জিলা সত্ৰ মহাসভাই শ্ৰদ্ধাঞ্জলি জনায়। পৰিয়ালৰ সহযোগত সত্ৰৰ বাসগৃহত আধ্যাত্মিক পৰিৱেশত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিনী পুষ্পা ৰাণী মহন্তই আৰু পুষ্পাঞ্জলি কৰে যোৰহাট জিলা সত্ৰ মহাসভাৰ সভাপতি দেৱেন্দ্ৰ দেৱ গোস্বামী, কাৰ্যকৰী সভাপতি দুলাল মহন্তই। জিলা সত্ৰ মহাসভাই যুগুত কৰা শ্ৰদ্ধাঞ্জলি পত্ৰ পাঠ কৰে সম্পাদক অনন্ত দাসে। অনুষ্ঠানত ব্যক্তিজনৰ স্মৃতিত পৰিয়ালে প্ৰকাশ কৰা প্ৰণাম নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে যোৰহাট জিলা সত্ৰ মহাসভাৰ সভাপতি দেৱেন্দ্ৰ দেৱ গোস্বামীয়ে। অনুষ্ঠানত দুলাল মহন্ত, মহাসভাৰ উপসভাপতি ডা: দয়ানন্দ দেৱ গোস্বামী, কোষাধ্যক্ষ মাণিক চন্দ্ৰ দত্ত, পটীয়াগাঁৱৰ শ্ৰীশ্ৰী লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ গোপাল মহন্ত, লেটুগ্ৰাম বৰসত্ৰৰ সত্ৰাধিকাৰ অশোক গোস্বামী, ৰংদৈ পটিয়ৰী সত্ৰৰ ডেকা অধিকাৰ মাণিক গোস্বামী, মদাৰ গুৰি সত্ৰৰ লাটু মহন্ত, অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ দত্ত, ধ্ৰুৱ দত্ত, সমাজকৰ্মী নৰেন্দ্ৰ নাথ দত্ত, ৰাজু শইকীয়া, অনন্ত কুমাৰ মহন্ত, একমাত্ৰ পুত্ৰ অংকুৰ জ্যোতি মহন্ত প্ৰমুখ্যে ব্যক্তিসকল উপষ্ঠিত থাকে। অনুষ্ঠানৰ আঁত ধৰে অমৃতজ্যোতি মহন্ত আৰু জিলা সত্ৰ মহাসভাৰ সাংগঠনিক সম্পাদক মৃদুপৱন শইকীয়াই।

জাঁজী জামুগুৰিত হৃদয় বিদাৰক ঘটনা; পুখুৰীত পৰি শিশুৰ মৃত্যু

অসম বাৰ্তা, জাঁজী, ১ জুন ঃ শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত জাঁজী জামুগুৰি ব্ৰাহ্মণ গাঁৱত আজি দুপৰীয়া এটি কণমানি শিশুৰ পুখুৰীত পৰি কৰুণ মৃত্যুক আকোঁৱালি লোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি জাঁজী জামুগুৰি ব্ৰাহ্মণ গাঁৱৰ বাস্তৱ খাউণ্ড আৰু নন্দিনী বৰদলৈ খাউণ্ডৰ একমাত্ৰ সন্তান, তথা ৮০ নং নাজীৰ পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ পদ্মৰাগ খাউণ্ডে আজি দুপৰীয়া প্ৰায় ১২ বজাত বিদ্যালয়ৰ পৰা ঘৰলৈ আহি বাৰীৰ পিছফালে যায়। ইফালে বহু সময় ধৰি শিশুটি ঘৰলৈ নহাত মাতৃয়ে বিচাৰ-খোচাৰ কৰাত বাৰীৰ পিছফালে থকা প্ৰতিবেশী দেৱানন্দ বৰুৱাৰ এটা পুখুৰীত শিশুটিৰ চেণ্ডেলযোৰ উপঙি থকা প্ৰত্যক্ষ কৰে। ইয়াৰ পিছতে স্থানীয় লোকে শিশুটিৰ নিথৰ দেহ পানীৰ তলৰ পৰা উদ্ধাৰ কৰি ততাতৈয়াকৈ ১০৮ সেৱা যোগে আমগুৰি সামূহিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। মাত্ৰ ৬ বছৰ ৪ মাহ বয়সৰ শিশুটিৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

১৪ খন বিদ্যালয়ৰ ১৪৫৭ গৰাকী কিশোৰীৰ অংশগ্ৰহণ

ডিব্ৰুগড় জিলাত বেটি বচাও বেটি পঢ়াও আঁচনি; ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ব্যৱস্থাপনা দিৱস

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১ জুন ঃ ডিব্ৰুগড় জিলাত বেটি বচাও বেটি পঢ়াও আঁচনি: ঋতুস্ৰাৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ব্যৱস্থাপনা দিৱসৰ লগত সংগতি ৰাখি ২৯ মে' আৰু ৩০ মে' তাৰিখে ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত তথা স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ (অসম গ্ৰামীণ জীৱিকা অভিযান) আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ প্ৰাতঃকালীন প্ৰাৰ্থনা সভাত কিশোৰী সকলৰ মাজত মাহেকীয়া ঋতুস্ৰাৱৰ ওপৰত সজাগতা আনিবলৈ চেষ্টা কৰা হয়। ইয়াৰ সমান্তৰালকৈ বিভিন্ন গাঁও পঞ্চায়ত সমূহত মহিলা সভাৰ আয়োজন কৰি মহিলা সকলৰ মাজতো সজাগতা আনিবলৈ চেষ্টা কৰা হয়। সভাত স্বাস্থ্য বিভাগৰ সমল ব্যক্তি সকলে বিশেষকৈ ঋতুস্ৰাৱৰ প্ৰক্ৰিয়া, ঋতুস্ৰাৱ আৰু অন্ধবিশ্বাস, পৰিষ্কাৰ-পৰিচ্ছন্নতা, পুষ্টিকৰ খাদ্য, শাৰীৰিক অনুশীলন আদি বিষয় সমূহ সামৰি বক্তব্য প্ৰদান কৰে। সভাত ১৪খন বিদ্যালয়ৰ প্ৰায় ১৪৫৭ গৰাকী কিশোৰী আৰু ৬৭ গৰাকী শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে মহিলা সভাবোৰত ৫খন গাওঁ পঞ্চায়তৰ প্ৰায় ৩৮৭ গৰাকী মহিলা উপস্থিত থাকে।

২০ লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত

ৰূপহীহাটৰ কাছখাইটি মডাৰ্ন আদৰ্শ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত বিধ্বংসী অগ্নিকাণ্ড

অসম বাৰ্তা, ৰূপহীহাট, ১ জুন ঃ ৰূপহীহাটৰ কাছখাইটি মডাৰ্ন আদৰ্শ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত য়োৱানিশা এক বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। উক্ত অগ্নিকাণ্ডৰ ফলত বিদ্যালয় খনৰ বহু গুৰুত্বপূৰ্ণ নথিপত্ৰ, যাবতীয় আচবাব পত্ৰৰ লগতে বিদ্যালয় গৃহ সম্পূৰ্ণ ৰূপে জুইত ভস্মীভূত হয়। স্থানীয় ৰাইজ আৰু অগ্নি নিৰ্বাপক বাহিনীয়ে জুই নুমাবলৈ চেষ্টা কৰে যদিও বিদ্যালয়খন সম্পুৰ্নৰূপে জুইত ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত বিদ্যালয়খনৰ প্ৰায় ২০ লক্ষাধিক টকাৰ ক্ষয়ক্ষতি হয়। বিদ্যালয়খনত কোনো দুষ্ট চক্ৰই অগ্নি সংযোগ কৰাৰ সন্দেহ। বিদ্যালয়খন সম্পুৰ্নৰূপে জুইত ভস্মীভূত হয় যদিও কথমপি ৰক্ষা পৰে ওচৰ-চুবুৰীয়াৰ ঘৰবাৰী সমূহ। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। বিদ্যালয়খনত কোনো দুষ্ট চক্ৰ নে বিদ্যুতৰ বিজুতি ঘটি অগ্নিকাণ্ড সংঘটিত হৈছে সেয়া আৰক্ষীৰ তদন্তত পোহৰলৈ আহিব।

পুনৰ বৃদ্ধি বাণিজ্যিক ৰন্ধন

চিলিণ্ডাৰৰ মূল্যও ১১ টকাকৈ বৃদ্ধি পাইছে। বৰ্তমান দিল্লীত এই চিলিণ্ডাৰৰ দাম হৈছে ৮২১.৫০ টকা। ১ জুনৰ পৰা এই নতুন নিৰিখ কাৰ্যকৰী হৈছে। উল্লেখযোগ্য যে, যোৱা ১ মে'ত দেশজুৰি ১৯ কিলোগ্ৰাম ওজনৰ বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য বৃদ্ধি কৰা হৈছিল। সেই সময়ত অপ্ৰত্যাশিতভাৱে ৯৯৩ টকাকৈ বৃদ্ধি পাইছিল এই চিলিণ্ডাৰৰ দাম। কেন্দ্ৰীয় চৰকাৰে কৌশলগত মজুতৰ জৰিয়তে ভাৰতৰ ইন্ধন সুৰক্ষা শক্তিশালী কৰাৰ লগতে পেট্ৰ'লিয়াম সামগ্ৰী আৰু এল পি জিৰ নিৰৱচ্ছিন্ন যোগান সুনিশ্চিত কৰাৰ বাবে কাম কৰি আছে বুলি কোৱাৰ কিছুদিন পিছতে এই শেহতীয়া মূল্য সংশোধন কৰা হ'ল। পশ্চিম এছিয়াৰ অস্থিৰ পৰিস্থিতিয়ে বিশ্ব বজাৰত ইন্ধনৰ মূল্যৰ ওপৰত প্ৰভাৱ পেলোৱা বুলি বিশেষজ্ঞসকলৰ অভিমত।

মেৰাপানী বৰডুবি জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ উপলক্ষে বছৰযোৰা গছপুলি ৰূপণ আৰু বিনামূলীয়া পাঠদানৰ কাৰ্যসূচী ৰূপায়ণ

অসম বাৰ্তা, মেৰাপানী, ১ জুন ঃ গোলাঘাট জিলাৰ মেৰাপানীৰ থানাৰ অন্তৰ্গত বৰডুবি জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষৰ গৰকিলে আৰু এই ৰূপালী জয়ন্তীৰ উপলক্ষে আজিৰ পৰা আৰম্ভ কৰা হৈছে 'সেউজীয়া ধৰণী গঁঢ়ো আহা শীৰ্ষক" এক অনুষ্ঠান। আজি প্ৰথম কাৰ্যসূচী হিচাপে বিদ্যালয়ত আজি দুই শতাধিক মেহগনি গছৰ পুলি ৰোপণ ও বিতৰণ কৰাৰ লগতে বৰডুবি জাতীয় বিদ্যালয়ত সপ্তাহত তিনিদিনকৈ অঞ্চলটো বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক পুৱা ৬-৭ বজালৈ দশম শ্ৰেণীলৈকে বিনামূলীয়া ইংৰাজী ব্যাকৰণৰ পাঠদান আৰম্ভ কৰা হয়। উল্লেখ্য যে ২০২৭ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হ'ব লগা বৰডুবি জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী সামৰণি অনুষ্ঠানলৈকে মেৰাপানী অঞ্চলটোৰ বিভিন্ন স্থানত বিনামূলীয়া গছপুলি ৰোপণ কৰাৰ লগতে বিভিন্ন স্থানত বিনামূলীয়া পাঠদান কৰা হ'ব। সেই উপলক্ষে অঞ্চলবাসী ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে বৰডুবি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ভদ্ৰেশ্বৰ বৰাই। ইয়াৰ মূল উদ্দেশ্য হৈছে যে "সেউজীয়া পৰিৱেশে জীয়াই ৰখাৰ উদ্দেশ্যে আৰু উঠিঅহা প্ৰজন্মক উৎসাহিত কৰা আৰু শৈক্ষিক দিশত আগুৱাই নিয়াৰ এক প্ৰয়াস কৰিছে বৰডুবি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ভদ্ৰেশ্বৰ বৰাই।

৭ জুনত অসম ৰাজ্যিক কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা মাজুলীত

অসম বাৰ্তা, উজনি মাজুলী, ১ জুন ঃ সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ এখন বিশেষ জৰুৰী কাৰ্যনিৰ্বাহক সভা অহা ৭ জুনত মাজুলীত অনুষ্ঠিত হ'ব। সদৌ অসম কৰ্মচাৰী পৰিষদৰ মাজুলী জিলা সমিতিৰ আতিথ্যত উক্ত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হ'ব। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া উক্ত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাত মাজুলীৰ সকলো শিক্ষক কৰ্মচাৰীক সহযোগিতা মাজুলী জিলা সমিতিৰ সভাপতি ত্ৰিদীপ হাজৰিকা আৰু সম্পাদক সত্যেন্দ্ৰনাথ পামেগামে কামনা কৰিছে।

গোলকগঞ্জত গৰ্ভৱতী নিজ পত্নীক হত্যাৰ অভিযোগত স্বামীক গ্ৰেপ্তাৰ

অসম বাৰ্তা, গোলকগঞ্জ, ১ জুন ঃ গ্ৰেপ্তাৰ গোলকগঞ্জৰ বৰ চৰাইখোলাৰ আব্দুল মান্নান সেখ। যোৱা ২৬ মে'ত পত্নী ৰেহেনা পাৰভীনৰ মৃতদেহ চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছিল। পত্নীৰ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আজি আৰক্ষীয়ে স্বামীক গ্ৰেপ্তাৰ কৰি ধুবুৰী আদালতলৈ প্ৰেৰণ কৰে। গোলকগঞ্জৰ বৰ চৰাইখোলাত যৌতুকৰ দাবীত পত্নীক হত্যাৰ অভিযোগত স্বামী আব্দুল মান্নান সেখক গ্ৰেপ্তাৰ। যোৱা বৰ্ষৰ পাঁচ ডিচেম্বৰত দক্ষিণ শালমাৰাৰ ৰেহেনা পাৰভীনৰ সৈতে গোলকগঞ্জৰ বৰ চৰাইখোলাৰ আব্দুল মান্নান সেখৰ বিবাহ হয়। ৰেহেনাৰ পৰিয়ালৰ অভিযোগ বিবাহৰ পিছৰে পৰাই যৌতুক বিচাৰি স্বামীৰ লগতে পৰিয়ালৰ লোকে শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাইছিল। ৰেহেনাৰ পৰিয়ালে কেৱাবাৰো ধনো আদায় দিছিল। যদিও যোৱা ২২ মাৰ্চতো যৌতুক বিচাৰি ৰেহেনাক নিৰ্যাতন চলাইছিল স্বামীৰ পৰিয়ালৰ লোকে। কিন্তু হঠাৎ যোৱা ২৬ মেৰ পুৱা ৰেহেনা পাৰভীনে চিপলৈ আত্মহত্যা কৰা বুলি অৱগত কৰে। চাৰি মহীয়া অন্তঃসত্ত্বা ৰেহেনা পাৰভীনক হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়া বুলি পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰে। ঘটনা সন্দৰ্ভত পাৰভীনৰ পৰিয়ালে ধুবুৰীৰ জেষ্ঠ আৰক্ষী অধীক্ষক অভিযোগ প্ৰদান কৰে। ঘটনা সন্দৰ্ভত গোলকগঞ্জ আৰক্ষীয়ে ১২১/ ২৬ / ৮৫/ ১০৩/ ১১৫/ (২)/ ১১৮/ ৬১(২)নম্বৰত গোছৰ ৰুজু কৰে। গোছৰৰ ভিত্তিত আজি গোলকগঞ্জ আৰক্ষীয়ে মূল অভিযুক্ত তথা স্বামী আব্দুল মান্নান সেখক গ্ৰেপ্তাৰ কৰি ধুবুৰী আদালতলৈ প্ৰেৰণ কৰে। আনহাতে পাৰভীনৰ পৰিয়ালে বাকী অভিযুক্তকো অতিশীঘ্ৰে আটক কৰাৰ দাবী জনায়।

প্ৰেমীকাৰ ঘৰলৈ ফুৰিবলৈ গৈ ৰহস্যজনক মৃত্যুক সাবতিলে ৰিংকু দাসে

অসম বাৰ্তা, বেবেজীয়া, ১ জুন ঃ নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত বগৰিগুৰি নিৰ্বাসী ভদ্ৰা দাসৰ দ্বিতীয় পুত্ৰ ৰিংকু দাস (৩২)ৰ ৩০ মে'ৰ পুৱা গুৱাহাটী মেডিকেল কলেজ হস্পিটেলত মৃত্যু হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে মৃত ৰিংকু দাসৰ লগত ভূৰাগাঁও আৰক্ষী থানাৰ গেৰুৱাৰ অনিতা পাটৰৰ দুবছৰ ধৰি প্ৰেমৰ সম্পৰ্ক আছিল। যোৱা ২৭ মে' তাৰিখে অনিতাৰ ঘৰলৈ বুলি ৰিংকু ফুৰিবলৈ গৈছিল যদিও মৃত ৰিংকুৰ পৰিয়ালৰ দাবী এই যে প্ৰেমৰ চালনাৰে ৰিংকুক মাতি নি নিশা মাৰ-পিট কৰে আৰু আহাৰৰ লগত বিষাক্ত দ্ৰব্য খুৱাই নিশাই কৌশলেৰে মৰিগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত অচেতন অৱস্থাত ভৰ্ত্তি কৰে। পিছতহে ৰিংকুৰ পৰিয়ালক ফোনযোগে জানিবলৈ দিয়ে। ঘটনাৰ খবৰপাই ৰিংকুৰ পৰিয়ালৰ লোক ততালিকে মৰিগাঁৱৰ চিকিৎসালয়লৈ যায় আৰু তেওঁলোক যোৱাৰ পিছতে ৰিংকুৰ প্ৰেমিকাৰ ঘৰৰ লোকসকল চিকিৎসালয় এৰি গুছি যায়। কিংকতব্য বিমুৰ হৈ মৃত্যুৰ সতে যুঁজি থকা ৰিংকুৰ মাতৃ-ভাতৃ সহ পৰিয়ালৰ লোকে ২ দিন ধৰি চিকিৎসা কৰিও সুফল নাপাই ২৯ মে'ৰ বিয়লি গুৱাহাটী মেডিকেল কলেজ হস্পিটেললৈ উন্নত চিকিৎসাৰ বাবে লৈ যায়। কিন্তু ৩০ মে'ৰ দিনা ৰিংকুৱে পুৱা ৪ মান বজাত শেষ নিশ্বাস ত্যাগ কৰে। ৰিংকুৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে জন্মস্থান বগৰিগুৰিত এক উত্তেজনাৰ সৃষ্টি হয় আৰু পৰিয়াল-স্থানীয় ৰাইজ একত্ৰিত হৈ মৰিগাঁও আৰক্ষী অধিক্ষকৰ ওচৰত এটি গোচৰ ৰুজু কৰে। উল্লেখ্য যে পৰিয়ালৰ লোকে দাবী কৰা অনুসৰি ৰিংকু দাস দীৰ্ঘদিনধৰি বহি: ৰাজ্যত কৰ্ম কৰি যি উপাৰ্জন কৰিছিল সমুদ্ৰাই ধনৰাশি প্ৰেমিকা অনিতা পাটৰৰ একাউণ্টত জমা ৰাখিছিল। প্ৰেমিকাৰ ঘৰলৈ ফুৰিবলৈ গৈ আকস্মিক ভাৱে ৰিংকুৰ লগত হোৱা এনে অস্বাভাৱিক ঘটনা পৰিয়াল সমন্বিতে জাজৰিবাসী ৰাইজে সহজভাৱে লব পৰানাই। গতিকে ইয়াৰ এক সুস্থিৰ তদন্ত দাবী কৰিছে স্থানীয় ৰাইজে।

অলপ সাহস দিবলৈ প্ৰয়াস 'কৰুণাধাৰা' - 'আশাৰ আলোক'ৰ

উহ্ কি যে হৃদয় বিদাৰক কাহিনী ! দেৰ বছৰীয়া শিশু আক্ৰান্ত কৰ্কট ৰোগত

অসম বাৰ্তা, মঙলদৈ, ১ জুন ঃ দৰং আৰু ওদালগুৰি জিলাৰ সীমাত অৱস্থিত কৌপাটী চাহ বাগিচাৰ পাহাৰ লাইনৰ এটি দুৰ্ভগীয়া পৰিয়ালৰ হৃদয় বিদাৰক কাহিনী। এই পৰিয়ালটোৰ এটি দেৰ বছৰীয়া শিশু কৰ্কট ৰোগত আক্ৰান্ত হৈ বিগত প্ৰায় এবছৰে বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত চিকিৎসাধীন হৈ আছে। চিকিৎসকৰ মতে, শিশুটিৰ চিকিৎসা প্ৰক্ৰিয়া দীঘলীয়া হ'ব। সেয়ে ইমান দিনে শিশুটিৰ চিকিৎসা কৰি পিতৃ এতোৱা ওৰাং আৰু মাতৃ ৰুমিতা ওৰাং অসহায় হৈ পৰিছে। আয়ুষ্মান কাৰ্ডৰ জৰিয়তে তেওঁলোকে কিছু সঁকাহ পাই আছে যদিও অন্যান্য আনুসাংগিক খা খৰচ বহন কৰাটো পৰিয়ালটোৰ বাবে কঠিন হৈ পৰিছে। শিশুটিৰ পিতৃ এখন সাধাৰণ দোকানৰ গৰাকী। আনহাতে মাতৃ বাগানত কাম কৰিছিল যদিও এতিয়া ৰোগীয়া সন্তানৰ লগত ব্যস্ত হৈ থকাত কামত যাব পৰা নাই। দুৰ্ভগীয়া পৰিয়ালটোৰে অলপ সহায় বিচাৰি 'কৰুণাধাৰা'- দৰং জিলা সহায়ক সমিতি আৰু 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে-, দৰং, অসমৰ নেতৃবৃন্দৰ লগত যোগাযোগ কৰা আজি দুয়োটা সংগঠনৰ মুখ্য উপদেষ্টা ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, প্ৰধান সচিব গণেশ দত্ত, কোষাধ্যক্ষ গোলোক বৰা, কৰুণাধাৰা দৰং জিলা সহায়ক সমিতিৰ প্ৰচাৰ সচিব জিতুমণি চহৰীয়া, সদস্য ৰিকি দাস কৌপাটীলৈ গৈ পৰিয়ালটোক সাক্ষাৎ কৰি শিশুটিৰ ৰোগৰ স্থিতিৰ বুজ লৈ 'আশাৰ আলোক'ৰ তৰফৰ পৰা সদ্যহতে পাঁচ হাজাৰ টকা প্ৰদান কৰি অচিৰেই ৰাইজৰ সহযোগত আৰু সহায় কৰিবলৈ অঙ্গীকাৰ কৰে। সেই দৰে কৰুণাধাৰা ন্যাসৰ পৰাও অচিৰেই আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব বুলি প্ৰধান সচিব গণেশ দত্তই পৰিয়ালটোক অৱগত কৰে। সেয়ে ইচ্ছুক হৃদয়বান লোকক ৭০০২৭২১৩৭৫ এই ফোন নম্বৰত যোগাযোগ কৰি সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াবলৈ দুয়োটা মানৱতাবাদী সংগঠনৰ পৰা ৰাইজলৈ আহ্বান জনাইছে।

ডুমডুমাৰ ল'টাচ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্ব ধপাত বিৰোধী দিৱস পালন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ জুন ঃ তিনিচুকীয়া জিলাৰ ডুমডুমাস্থিত ল'টাচ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো আজি বিশ্ব ধপাত বিৰোধী দিৱস পালন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলক মাৰাত্মক ধপাত জাতীয় সামগ্ৰীয়ে যাতে ক্ষতি কৰিব নোৱাৰে তাৰ বাবে বিভিন্ন ধৰণৰ সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আৰম্ভণিতে পুৱা বিদ্যালয়ৰ সমূহীয়া গুৰু বন্দনা ও প্ৰাৰ্থনাৰ অন্তত বিদ্যালয়ৰ অধ্যক্ষ মানস কুমাৰ দেই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে, বৰ্তমান সময়ত ধপাত জাতীয় সামগ্ৰী অৰ্থাৎ চাধা, গুটখা আদিৰ দৰে সামগ্ৰীয়ে কলা ডাৱৰৰ দৰে চাৰিও দিশে আবৰি ধৰিছে, মাৰাত্মক কেঞ্চাৰ বেমাৰৰ সৃষ্টি কৰিছে আৰু বহুতক পংগু কৰিছে। গতিকে এনেধৰণৰ মৃত্যুদূত ৰূপী ধপাত জাতীয় সামগ্ৰীৰ পৰা শিক্ষাৰ্থীসকলে নিজকে সম্পূৰ্ণৰূপে আঁতৰাই ৰাখি ভাল কামত নিজকে মনোনিৱেশ কৰিব লাগে। তাৰ পাছতে নৱম শ্ৰেণীৰ ছাত্ৰী সংঘমিত্ৰা গুপ্ত আৰু ছাত্ৰ জোনাকজ্যোতি শ্যামে ইংৰাজী আৰু হিন্দী ভাষাত ধপাত জাতীয় সামগ্ৰীয়ে মানব দেহত কৰিব পৰা বৃহৎ ক্ষতিৰ ওপৰত বিতং ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পাছতে ৰাইজ, লগতে নতুন প্ৰজন্মক সজাগ কৰাৰ উদ্দেশ্যে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দীনশ গোয়েল আৰু সম্পাদক অৰ্জুন বৰুৱা, অধ্যক্ষ মানস কুমাৰ দে, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলোৱে এটি ধপাত বিৰোধীৰ সমদল উলিয়াই ডুমডুমা নগৰ পৰিভ্ৰমণ কৰে। পাছত শিক্ষাৰ্থীসকলৰ মাজত কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

নগাঁৱত জিলা পৰ্যায়ৰ বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতাৰ সামৰণি

অসম বাৰ্তা, ৰঢ়মপুৰ, ১ জুন ঃ ভাৰত চৰকাৰৰ পৰিবেশ বন আৰু বতৰ পৰিৱৰ্তন মন্ত্ৰণালয় সহযোগত, অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ উদ্যোগত আৰু পাঁচ বাৰকৈ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম বিকাশ পৰিষদৰ ব্যৱস্থাপনাত নগাঁও জিলাৰ এলফিনষ্টন কম্প্লেক্সত এখনি বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাত নগাঁও জিলাৰ বহুকেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰত্যেকখন বিদ্যালয়ৰ একোজনকৈ শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে চামগুৰিৰ উদমাৰি হাইস্কুলৰ মামনি দাস আৰু মেঘা হীৰায়ে, দ্বিতীয় স্থান লাভ কৰে পূৱথৰীয়া হাইস্কুলে আৰু তৃতীয় স্থান লাভ কৰে আদৰ্শ হাইস্কুল কলিয়াবৰে। প্ৰদৰ্শনীত বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলে পেলনীয়া সামগ্ৰীৰ পৰা প্ৰস্তুত কৰা বিভিন্ন আৰ্হি প্ৰদৰ্শিত কৰাৰ লগতে অন্যান্য বহু আৰ্হি প্ৰদৰ্শিত কৰে। প্ৰদৰ্শনী অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে বিশিষ্ট সমাজসেৱক তথা গ্ৰাম্য বিকাশ পৰিষদৰ মুখ্য উপদেষ্টা চিৰাজ উদ্দিন আহমেদে। প্ৰদৰ্শনীত উপস্থিত থাকে এফ. জি. আই. চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ মোচাৰফ হুছেইন কবিৰ, শিক্ষয়িত্ৰী দেবাশ্ৰী ভূঞা, সমল ব্যক্তিদ্বয় ক্ৰমে ভৱেন্দ্ৰ বৰুৱা আৰু এহছানুল হাছানকে আদি কৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ উদ্যোগত একবিংশতিতম কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস

সাত জুনত অনুষ্ঠিত হ'ব সদৌ অসম ভিৰ্তিত "চিত্ৰাংকণ" প্ৰতিযোগিতা; সমাহাৰ ঘটিব শিল্পী-সাহিত্যিকৰ

অসম বাৰ্তা, জয়সাগৰ, ১ জুন ঃ শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভা আৰু একবিংশতিতম কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস উদযাপন সমিতিৰ উদ্যোগত শিৱসাগৰ বাসী ৰাইজৰ সহযোগত বিস্তৃত কাৰ্যসূচীৰে বিষ্ণুৰাভা দিৱস অনুষ্ঠিত হ'ব। এই উপলক্ষে ৭জুনত সদৌ অসম ভিৰ্তিত "চিত্ৰাংকণ "প্ৰতিযোগিতা আয়োজন কৰা হৈছে। শিৱসাগৰ চহৰস্থ শিৱসাগৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত পুৱা ১০-০০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা "চিত্ৰাংকণ" প্ৰতিযোগিতা খনিত ৫ জুনৰ ভিতৰত প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী সকলক যোগদান নিশ্চিত কৰিবৰ বাবে উদ্যোক্তা সকলে অনুৰোধ জনাইছে। সেইদৰে পুৱা ৯-৩০ বজাত প্ৰতিযোগীৰ নাম পঞ্জীয়ণ আৰু প্ৰ-পত্ৰ দাখিল। প্ৰতিযোগিতা খনি তিনিটা শাখাত অনুষ্ঠিত হ'ব। "ক" শাখাঃ দ্বিতীয় শ্ৰেণী পৰ্যন্ত। "খ" শাখাঃ তৃতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ আৰু "গ"শাখা সপ্তম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ। ছবি সমূহ নিজৰ পচন্দত আঁকিব পাৰিব। আৰ্ট পেপাৰ সমিতিয়ে যোগান ধৰিব। প্ৰতিযোগী সকলৰ সুবিধাৰ বাবে নাম, ঠিকনা, Whatsapp ম'বাইল নম্বৰ, পিতৃ-মাতৃৰ নাম সহ 8486709555এই নম্বৰৰ Whatsappত পঠাব লাগিব। প্ৰতিটো শাখাৰ দহ গৰাকী শ্ৰেষ্ঠ বিজয়ী প্ৰতিযোগীক মানপত্ৰ সহ বিশেষ পুৰস্কাৰ আদি প্ৰদান কৰাৰ লগতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰা সকলক বিশিষ্ট ব্যক্তিৰ সোঁৱৰণী আকৰ্ষণীয় মানদণ্ড ট্ৰফী, মানপত্ৰ আদি প্ৰদান কৰা হ'ব। সবিশেষ জানিবৰ বাবে -8486709555, 9365911056, 9101173014আৰু9854839952 এই নম্বৰত যোগাযোগ কৰিব পাৰিব। অভিভাৱক সকলক প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীক যোগদান নিশ্চিত কৰিব লাগিব। লগতে প্ৰতিযোগিতা খনি সফল কৰি তুলিবৰ বাবে শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ প্ৰতিযোগিতা সমিতিৰ তৰফৰ পৰা আহ্বান জনাইছেঁ। প্ৰতিযোগীতি খনিৰ ভৰ্তি মাচুল এশ টকা। GPay-9435204936। ইফালে বিশ জুনত শিৱসাগৰ জিলা পুথিভঁৰাল প্ৰাংগনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব কেন্দ্ৰীয় ভাবে কলাগুৰু বিষ্ণুৰাভা দিৱস। সমাহাৰ ঘটিব শিল্পী - সাহিত্যিকৰ। উদযাপন হ'ব- পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি, মুকলি সভা, স্মাৰক বক্তৃতা, সম্বৰ্ধনা, স্মৃতিগ্ৰন্থ "কলাগুৰু" উন্মোচনী, বটাবিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠান। জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ আৰু সাধাৰণ সম্পাদক ত্ৰৈলোক্য দত্তই সমূহ কাৰ্যসূচী সফল কৰি তোলাৰ লগতে শিৱসাগৰ বাসী ৰাইজৰ সহায় সহযোগিতা আগবঢ়াবৰ বাবে আহ্বান জনাইছেঁ।

"চিত্ৰ প্ৰদৰ্শনীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত শিল্পচৰ্চাৰ প্ৰতি অধিক আগ্ৰহী কৰে"

পুৰণিগুদামৰ "ছবিয়েই জীৱন চিত্ৰাংকণ বিদ্যালয়"ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অসম বাৰ্তা, পুৰণিগুদাম, ১ জুন ঃ নগাঁও জিলাৰ পুৰণিগুদামৰ মুঢ়ানি উচ্চ মাধ্যমিক বিদ্যালয়ত "ছবিয়েই জীৱন চিত্ৰাংকণ বিদ্যালয়"ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অতি আনন্দ, উৎসাহ আৰু গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত কালি দিনযোৱাকৈ সফলতাৰে উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী হিচাপে এক মনোমোহা চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। এই প্ৰদৰ্শনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা দৰ্শকৰ সন্মুখত উন্মোচিত কৰাৰ লগতে তেওঁলোকক চিত্ৰ প্ৰদৰ্শনীৰ ধাৰণা, গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে বাস্তৱিক আভাস দিয়াৰ চেষ্টা কৰা হয়। প্ৰদৰ্শনীত স্থান পোৱা বিভিন্ন চিত্ৰই দৰ্শকক মুগ্ধ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক শিল্পচৰ্চাৰ প্ৰতি অধিক উৎসাহিত কৰে। ইয়াৰ পিছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিভিন্ন শাখাৰ প্ৰতিযোগীসকলে নিজৰ কল্পনাশক্তি, সৃজনশীলতা আৰু শিল্পপ্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। প্ৰতিযোগিতাখনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুস্থ প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তোলাৰ লগতে তেওঁলোকৰ শিল্পপ্ৰতিভা বিকাশৰ এক সুন্দৰ মঞ্চ হিচাপে পৰিগণিত হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জীতেন গায়ন, ধীৰেন পাঠক আৰু মুকুন্দ পাঠক। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰি শিল্প, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ উৎসাহ যোগায়। তেওঁলোকৰ মূল্যৱান বক্তব্যই উপস্থিত সকলোকে উৎসাহিত কৰে। উক্ত অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ পৰ্ব আছিল ২০২৫-২৬ শিক্ষাবৰ্ষৰ বৰ্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ লগতে তেওঁলোকৰ হাতত মাৰ্কশ্বীট আৰু চাৰ্টিফিকেট প্ৰদান কৰা হয়। কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভকামনা জ্ঞাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰ অন্তত এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সংগীত, নৃত্য, আবৃত্তি আৰু অন্যান্য সাংস্কৃতিক পৰিৱেশনে অনুষ্ঠানটোক অধিক ৰঙীন আৰু প্ৰাণৱন্ত কৰি তোলে। ছাত্ৰ-ছাত্ৰীসকলৰ মনোমোহা অনুষ্ঠানে উপস্থিত দৰ্শকক মুগ্ধ কৰে আৰু অনুষ্ঠানটোক স্মৰণীয় কৰি তোলে। সামগ্ৰিকভাৱে ছবিয়েই জীৱন চিত্ৰাংকণ বিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, আমন্ত্ৰিত অতিথি আৰু শুভাকাংক্ষী ৰাইজৰ সহযোগিতা আৰু উপস্থিতিৰে সফলতাৰে সম্পন্ন হয়। এই অনুষ্ঠানৰ জৰিয়তে কলা, সংস্কৃতি আৰু শিক্ষাৰ সমন্বয়েৰে নতুন প্ৰজন্মক সৃজনশীল আৰু মানৱীয় মূল্যবোধেৰে গঢ়ি তোলাৰ এক সাৰ্থক প্ৰয়াস পুনৰ প্ৰতিফলিত হয়।

যোৰহাট নিমাতী ঘাটত স্বচ্ছভাৰত অভিযানৰ এক অভিনৱ প্ৰচাৰ আৰু সজাগতা কাৰ্যসূচী

ব্ৰহ্মপুত্ৰ নদীৰ পানী পৰিষ্কাৰ কৰি ৰখাৰ আহ্বান

অসম বাৰ্তা, যোৰহাট, ১ জুন ঃ আজি যোৰহাট জিলা স্বচ্ছভাৰত অভিযান আৰু ৩৫ নং পটীয়া ফকলা গাঁও পঞ্চায়তৰ সহযোগত নিমাতী কমলাবাৰী আৰু অফলামুখ ফেৰী ঘাটত স্বচ্ছভাৰত অভিযানৰ এক প্ৰচাৰ আৰু সজাগতা কাৰ্যসূচী সম্পন্ন কৰা হয়। কাৰ্যসূচীত দুয়োটা ঘাটৰ ব্যৱসায়ী, ফেৰী সেৱাৰ কৰ্মচাৰী, জাহাজ আৰু নাৱৰ যাত্ৰী সকলক সমাজকৰ্মী জগন্নাথ অগ্নি বৰাৰ নেতৃত্বত পটীয়া ফকলা গাঁও পঞ্চায়তৰ সভাপতি জৰ্ণা কাকু গগৈয়ে স্বচ্ছভাৰত অভিযান সম্পৰ্কে বুজায় কয়। একক ব্যৱহাৰ্য প্লাষ্টিক জাতীয় সামগ্ৰী বৰ্জন, পেলনীয়া প্লাষ্টিক জাতীয় সামগ্ৰী ব্ৰহ্মপুত্ৰ নদীত পেলোৱাৰ অপকাৰিতা, ব্ৰহ্মপুত্ৰ নদীৰ পানী প্ৰদূষণ ৰোধ, পেলনীয়া প্লাষ্টিক জাতীয় সামগ্ৰী বৰ্জন আৰু অলাগতিয়াল আৱৰ্জনা সমূহ আডাষ্টবিনত মজুত ৰাখি সেইসমূহ পাছত সম্পূৰ্ণৰূপে নিঃশেষ কৰি দিয়াৰ বাবে ৰাইজৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰ অভিযান চলাই সজাগতাৰ সৃষ্টি কৰে। পঞ্চায়তৰ বাহনে দৈনিক জমা হোৱা প্লাষ্টিক জাতীয় সামগ্ৰী নিৰ্দিষ্ট স্থানৰ পৰা সংগ্ৰহ কৰি সংগ্ৰহ কেন্দ্ৰলৈ কঢ়িওৱা আৰু ডাষ্টবিন ব্যৱহাৰৰ জৰিয়তে জৈৱিক আৰু অজৈৱিক পেলনীয়া সামগ্ৰী পৃথক্কৰণ কৰাৰ বিষয়েও ৰাইজক অৱগত কৰা হয়। "স্বচ্ছভাৰত অভিযান"- সফল কৰা বিষয়ে বুজাই কয়। স্মতব্য- এই প্ৰচাৰ আৰু সজাগতা কাৰ্যসূচীত ৩৫ নং পটীয়া ফকলা গাঁও পঞ্চায়তৰ ৩ নং খণ্ডৰ খণ্ড সদস্য বিজিত দাস, অপুল বৰা, আৰু ৩০ নং গাঁও পঞ্চায়তৰ ভাস্কৰ দত্তই বেটাৰী চালিত বাহনৰ দ্বাৰা ৰাইজে মজুত কৰি থোৱা পেলনীয়া জৈৱিক আৰু অজৈৱিক সামগ্ৰী পৰিৱেশৰ একো ক্ষতি নোহোৱাকৈ জাৱৰ সংগ্ৰহ কেন্দ্ৰলৈ কঢ়িয়াই নিয়াৰ কথা ব্যক্ত কৰে। 'স্বচ্ছ ভাৰত অভিযান'ৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্য নিমাতী ঘাটৰ প্ৰতিখন ফেৰী আৰু জাহাজত একোখনকৈ জাননীফলক লগোৱা হয়। স্বচ্ছভাৰত অভিযান গ্ৰামীণ যোৰহাট জিলাৰ হৈ ৩৫ নং পটীয়া ফকলা গাঁও পঞ্চায়তৰ দ্বাৰা প্ৰকাশিত আৰু জগন্নাথ অগ্নি বৰাৰ দ্বাৰা প্ৰচাৰিত জাননী ফলক প্ৰতিখন যাত্ৰীবাহী জাহাজ আৰু নাঁৱত লগাই দিয়া কাৰ্য্যক যাত্ৰীসকলে শলাগ জনোৱাৰ লগতে আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়া কৰ্মচাৰী আৰু ব্যৱসায়ী সকলেও উক্ত কাৰ্যসূচীত সহযোগিতা আগবঢ়ায়।

বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসক শাখা সত্ৰ সমাজৰ সম্বৰ্ধনা

বৰপেটা সত্ৰত শাখা সত্ৰ সমাজৰ অধিৱেশন

অসম বাৰ্তা, বৰপেটাসদৰ, ১ জুন ঃ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে স্থাপিত বৰপেটা সত্ৰত বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ, অসমৰ সপ্তম দ্বি-বাৰ্ষিক অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হৈছে। আজি পুৱা নিত্য প্ৰসংগৰ পিছত ৯-০০ বজাত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া তথা বৰপেটা সত্ৰৰ শাখা সত্ৰ, সমাজ অসমৰ সভাপতি ড° বাবুল চন্দ্ৰ দাস মহন্তই সত্ৰৰ কৰাপাটৰ সমীপত ধৰ্মধ্বজা উত্তোলন কৰে। ইয়াৰ পিছতে বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজে বৰপেটা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসক সত্ৰৰ কৰাপাটৰ সন্মুখত সমূহ ভকত আইসকলৰ উপস্থিতিত শাখা সত্ৰ সমাজৰ সম্পাদক ড° হৰিৰাম দাসে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ইয়াৰ পিছতে বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজৰ অধিৱেশন উপলক্ষে বিভিন্ন স্থানৰ পৰা অহা ভকত সকলক আদৰণি জনায় বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া তথা বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ, অসমৰ কাৰ্যকৰী সভাপতি গৌতম পাঠকে। অধিৱেশন উপলক্ষে আজি বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস মহন্তৰ দ্বাৰা সমূহীয়া শৰণ দিয়া হয়। কাৰ্যসূচী অনুসৰি বৰপেটা সত্ৰৰ উদাসীন ভকত অজিত ডেকা আতৈয়ে সত্ৰ চৌহদত গছ পুলি ৰোপণ কৰে আৰু ১০-৪৫ বজাত বৰপেটা সত্ৰৰ হেমেন আতৈ বুঢ়া ভকতৰ দ্বাৰা পৰম্পৰাগত ৰীতি-নীতিৰে থানৰ বাতৰি সোধা আৰু কোৱা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰপেটা সত্ৰৰ ঘাই দেউৰী নাৰায়ণ আতৈ বুঢ়া ভকতে চৰিত তোলাৰ পিছত প্ৰতিনিধি শিবিৰ মুকলি কৰে বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ, অসমৰ অন্যতম উপ-সভাপতি অতুল চন্দ্ৰ বড়োৱে। দিনৰ ১২-০০ বজাত বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ, অসমৰ অন্তৰ্গত মাণ্ডলিক সমিতি সমূহ, আই সুমতি মাতৃ সমাজ আৰু যুৱজ্যোতি সমাজ, অসমৰ সৈতে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস মহন্ত, বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠক আৰু বৰপেটা সত্ৰৰ ঘাই দেউৰী নাৰায়ণ আতৈ বুঢ়াভকতে মত বিনিময় কৰে। দিনৰ ১-০০ বজাত বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ, অসমৰ কেন্দ্ৰীয় সমিতিৰ অষ্টম তথা অন্তিম কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সন্ধিয়া ৫-০০ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ, অসমৰ প্ৰধান সম্পাদক ড৹ হৰি ৰাম দাসে। সন্ধিয়া ৬-৩০ বজাত বন্তি প্ৰজ্জ্বলন কৰে।

পশ্চিম ধেমাজি আঞ্চলিক বৈদিক সনাতন সমাজৰ উদ্যোগত কেন্দুগুৰিত ভাগৱত পাঠ-ধৰ্মালোচনা

অসম বাৰ্তা, ধেমাজি, ১ জুন ঃ শান্তিৰ সমাজ গঢ়ি উঠাৰ কামনাৰে পশ্চিম ধেমাজি আঞ্চলিক বৈদিক সনাতন সমাজে অঞ্চলটোত প্ৰতি মাহে বেলেগ বেলেগ ঠাইত ভাগৱত পাঠ কৰি আহিছে। ইতিমধ্যে পুনৰ্গঠন কৰা পশ্চিম ধেমাজি আঞ্চলিক বৈদিক সনাতন সমাজৰ নতুন সমিতিখনৰ উদ্যোগত আজি অঞ্চলটোৰ কেন্দুগুৰি গাঁৱৰ নামঘৰত দিনজোৰা কাৰ্যসূচীৰে ভাগৱত পাঠ কৰা হয়। পুৱা ৯ বজাত ভাগৱত পাঠ উপলক্ষে বৰালিমৰাস্থিত বৰএলেঙী বগীআই সত্ৰৰ সত্ৰাধিকাৰ প্ৰদীপ মহন্তই শৰাই স্থাপন আৰু নাম-প্ৰসংগ কৰে। ইয়াৰ পিচত সৰু আজোহাস্থিত ঢাপলিয়াল সত্ৰৰ ডেকা সত্ৰাধিকাৰ বীৰেন মহন্তই ভাগৱত পাঠ কৰে। ভাগৱত পাঠৰ ব্যাখ্যা আগবঢ়ায় কমলা শইকীয়াই। দুপৰীয়া আৰম্ভ হয় ধৰ্মালোচনা সভা। পশ্চিম ধেমাজি আঞ্চলিক বৈদিক সনাতন সমাজৰ কাৰ্যকৰী সভাপতি অনিল বৰাই সঞ্চালনা কৰা সভাখনৰ আঁত ধৰে ধৰ্মীয় সংগঠনটোৰ নৱনিযুক্ত সম্পাদক দিগন্ত দত্তই। সভাত সত্ৰাধিকাৰ বীৰেন মহন্ত, প্ৰদীপ মহন্ত, ধৰ্মপ্ৰাণ পুৰুষ নবীন বৰা, ভোগেশ্বৰী হাজৰিকা আৰু পৰিণীতা দত্ত শইকীয়াই বক্তব্য আগবঢ়াই সম্প্ৰতি যুৱ উচ্ছৃংখলতাই গা কৰি উঠাৰ সময়ত এক পৰিশীলিত জীৱন যাপনৰ বাবে বৈদিক ৰীতি-নীতিৰ প্ৰভাৱ আৰু ইয়াৰ অনুশীলনৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে। সভাতে মিনু বৰাক সভানেত্ৰী, দীপামণি বৰাক কাৰ্যকৰী সভানেত্ৰী, জোনমণি বৰাক সম্পাদিকা, নীৰদা বৰা, ৰেখাবৰাক সহকাৰী সম্পাদিকা, জোনমণি বৰা দত্তক প্ৰচাৰ সম্পাদিকা, ভোগেশ্বৰী হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকীও জ্যেষ্ঠ মহিলাক উপদেষ্টাৰূপে লৈ পশ্চিম ধেমাজি আঞ্চলিক ত্ৰিবেণী তীৰ্থ সমিতিখন পুনৰ গঠন কৰা হয়।

গোসাঁইগাঁও শাখা সত্ৰত শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাৱ তিথি পালন, নৱনিৰ্বাচিত বিধায়ক শোভাৰাম বসুমতাৰীক সম্বৰ্ধনা

অসম বাৰ্তা, গোসাঁইগাঁও, ১ জুন ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও সদৰস্থিত জগৎগুৰু শ্ৰীশ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰতো আজি ভক্তিভাৱ আৰু ধৰ্মীয় পৰিৱেশৰ মাজেৰে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাৱ তিথি উদযাপন কৰা হয়। ঐতিহ্যমণ্ডিত ৭৫ বছৰ গৰকা গোসাঁইগাঁও শাখা সত্ৰত পুৱাৰে পৰা আইসকলৰ হৰিনাম-কীৰ্তনৰ ধ্বনিৰে সমগ্ৰ পৰিৱেশ মুখৰিত হৈ উঠে। তিথি উদ্‌যাপনৰ অংশ হিচাপে শাখা সত্ৰৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত এক নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক শোভাৰাম বসুমতাৰী আৰু কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত বক্তাসকলে মহাপুৰুষীয়া সংস্কৃতি আৰু সত্ৰীয়া পৰম্পৰাৰ সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত শাখা সত্ৰৰ অৱদানৰ শলাগ লয়। এই উপলক্ষে সংবাদ মাধ্যমৰ আগত উদযাপন সমিতিৰ সাধাৰণ সম্পাদক মাণিক চন্দ্ৰ ডেকাই কয় যে, গোসাঁইগাঁও জগৎগুৰু শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰই সকলো জাতি-জনগোষ্ঠী আৰু ভাষাভাষী লোকৰ মাজত মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ আদৰ্শ আৰু বাণী প্ৰচাৰৰ জৰিয়তে সমাজত শান্তি, সম্প্ৰীতি আৰু একতাৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে কাম কৰি আহিছে। ধৰ্মীয় অনুষ্ঠান, কীৰ্তন-ঘোষা আৰু সম্বৰ্ধনা কাৰ্যসূচীৰে দিনজোৰা উদযাপিত এই অনুষ্ঠানত বহু ভক্ত, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

বৰপেটা জিলা বিজেপিৰ ভাৰপ্ৰাপ্ত জিলা সভাপতি দায়িত্ব সবিতা দেৱনাথক অৰ্পণ

অসম বাৰ্তা, বৰপেটা সদৰ, ১ জুন ঃ বৰপেটা জিলা বি জে পিৰ ভাৰপ্ৰাপ্ত জিলা সভাপতি হিচাপে দায়িত্ব দিছে বিজেপিৰ জিলা উপ সভাপতি সবিতা দেৱনাথক। বৰপেটা জিলা সভাপতি মহেন্দ্ৰ দাসৰ বিৰুদ্ধে মহিলা কাৰ্যকৰ্তাৰ সৈতে হোৱাটচএপ মেছেজ কৰা সন্দৰ্ভত বিগত কিছুদিন ধৰি সংবাদ মাধ্যমত বাতৰি প্ৰকাশৰ পিছতেই কালি বৰপেটা জিলা বি জে পিৰ সভাপতি মহেন্দ্ৰ দাসে বৰপেটা জিলা বিজেপিৰ উপ সভাপতি, দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা বৰপেটা ৰোড পৌৰ সভাৰ প্ৰাক্তন পৌৰনেত্ৰী, বৰপেটাৰোড নিবাসী সবিতা দেৱনাথক জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰে। গোসাঁইগাঁৱৰ বিশিষ্ট নাগৰিক তথা প্ৰাক্তন পৌৰপতি প্ৰয়াত যোগেন্দ্ৰ লাল চৌধুৰীৰ ২১ সংখ্যক মৃত্যু বাৰ্ষিকী পালনৰ লগতে বঁটা প্ৰদান সম্পন্ন অসম বাৰ্তা, গোসাঁইগাঁও, গোসাঁইগাঁও স্বৰ্ণদল শাখা সাহিত্য সভাৰ সহযোগত তথা পৰিয়ালৰ উদ্যোগত আজি গোসাঁইগাঁৱৰ বিশিষ্ট নাগৰিক তথা প্ৰাক্তন পৌৰপতি প্ৰয়াত যোগেন্দ্ৰ লাল চৌধুৰীদেৱৰ ২১ সংখ্যক মৃত্যু বাৰ্ষিকী তথা বঁটা প্ৰদান অনুষ্ঠান বিবিধ কাৰ্য্যসূচীৰে সম্পন্ন কৰা হয়। দিনৰ দহ বজাৰ পৰা স্থানীয় কমলনাথ ক্লাৱ কাম্ লাইব্ৰেৰীত অনুষ্ঠিত হোৱা অনুষ্ঠানটোৰ আদিতে ১নং গোসাঁইগাঁও বিধান সভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক সভাৰাম বসুমতাৰীয়ে প্ৰয়াত চৌধুৰীদেৱৰ প্ৰতিকৃতিত মাল্যাৰ্পণ তথা বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে। তাৰ পিছতেই আৰম্ভ হয় প্ৰয়াত যোগেন্দ্ৰ লাল চৌধুৰী সোঁৱৰণী স্মৃতিচাৰণ তথা বঁটা প্ৰদান সভা। সভাত মুখ্য অতিথিৰ ভাষণত বিধায়ক বসুমতাৰীয়ে প্ৰয়াত চৌধুৰীদেৱৰ সান্নিধ্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে গোসাঁইগাঁৱৰ শৈক্ষিক, সামাজিক, ধৰ্মীয় তথা ৰাজহুৱা আদি দিশসমূহত তেখেতৰ বহুমূলীয়া অৱদান সম্পৰ্কে বক্তব্য ৰাখে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত প্ৰতিবছৰে বৃহত্তৰ গোসাঁইগাঁও মহকুমাৰ চৰকাৰী শিক্ষানুষ্ঠান সমূহৰ ভিতৰত সৰ্বোচ্চ নম্বৰ প্ৰাপক শিক্ষাৰ্থী গৰাকীক প্ৰয়াত যোগেন্দ্ৰ লাল চৌধুৰী সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। এইবেলি এই বঁটা লাভ কৰিবলৈ সক্ষম হয় মহকুমাটোৰ অন্তৰ্গত ভাওৰাগুৰি-বিন্যাখাতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী তথা ভাওৰাগুৰিৰ মান্দাৰপাৰা নিবাসী প্ৰাণেশ সৰকাৰ আৰু গীতাৰাণী সৰকাৰৰ কন্যা ৰিয়া সৰকাৰে (৮৯.২০%)। বঁটাটোত আছে এখন মানপত্ৰ, কিতাপৰ টোপোলা, এখন শৰাই, এখন ফুলাম গামোচা আৰু নগদ পাঁচ হেজাৰ টকা। ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃৰ লগতে বিদ্যালয়খনৰ অধ্যক্ষ দুলাল দাসকো একোখন গামোচাৰে সভাত সম্বৰ্ধনা জনোৱা হয়। সন্মানীয় অতিথিৰ ভাষণত গোসাঁইগাঁৱৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা সহকাৰী জিলা আয়ুক্ত লৌৰেম্বাম নেলচন মাংগাংচাই এনে ধৰণৰ অনুষ্ঠান পাতি উদ্যোক্তা আৰু পৰিয়ালে সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে। আন এগৰাকী আমন্ত্ৰিত অতিথি মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাইও সাৰুৱা ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ অংশ হিচাপে "প্ৰয়াত যোগেন্দ্ৰ লাল চৌধুৰী সোঁৱৰণী বক্তৃতামালা"ত "একৈশ শতিকাৰ সংশয় আৰু মানুহৰ ভৱিষ্যত" শীৰ্ষক বিষয়বস্তুৰ ওপৰত সময়োপযোগী আৰু মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে গোসাঁইগাঁৱৰ সংহত শিশু উন্নয়ন বিষয়া ভাৰ্গৱ লিগিৰাই। শাখা সভাৰ নৱ নিৰ্বাচিত সভাপতি প্ৰদীপ কুমাৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত সম্পাদক নুৰুল হ'ক, প্ৰাক্তন সভাপতি খনীন্দ্ৰ নাথ দাস, মহেশ্বৰ ব্ৰহ্ম, বৈদ্যনাথ সাহা, অধ্যাপিকা ড° লাৱণ্য লহকৰ, অণিমা দাস, জেঠমল মালুয়ে প্ৰয়াত চৌধুৰীদেৱৰ ওপৰত ভাষণ দিয়ে। পৰিয়ালৰ তৰফৰ পৰা জ্যেষ্ঠা বোৱাৰী অধ্যাপিকা বিভৰাণী চৌধুৰীয়ে বক্তব্য ৰখা সভাখনৰ মাজে মাজে স্থানীয় শিল্পী মিলাক্ষী কলিতাৰ গীতে সকলোকে মোহিত কৰে। মাজু পুত্ৰ, সাংবাদিক শংকৰ চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় শাখা সভাৰ পত্ৰিকা সম্পাদক শংকৰ চন্দ্ৰ দাসে।

টুনী নৈক বেদখলমুক্ত কৰা, আধৰুৱা কাম সম্পূৰ্ণ কৰা আদি দাবীৰে মাজুলী সমষ্টিৰ বিধায়কক সাক্ষাৎ আৰু স্মাৰক পত্ৰ প্ৰদান

অসম বাৰ্তা, মাজুলী, ১ জুন ঃ কালি টুনী নদী পুনৰ উজ্জীৱিতকৰণ দাবী সমিতিৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰাৰ নেতৃত্বত যোৱা এটি সজাতি দলে মাজুলীৰ কৰ্মদক্ষ বিধায়ক ভুবন গাম দেৱক আদৰণি জনায়। কমিটিৰ সম্পাদক দ্বয় ক্ৰমে বিষ্ণু দাস আৰু দীপক দাস দাঙৰীয়াই এখন চেলেং চাদৰে বিধায়কক আদৰণি জনায়। বিধায়কৰ লগত হোৱা আলোচনা সভাত প্ৰথমে বক্তব্যআগবঢ়োৱাৰ লগতে সভাপতিয়ে এখন আবেদন পাঠ কৰি টুনী নদীৰ লগত জড়িত সমস্যাৰ কাৰ্য কৰি ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰদান কৰে। আবেদনত উল্লেখ কৰা মূল দাবীৰ ভিতৰত - (ক) প্ৰথম পৰ্যায়ত খোৰাহোলা বামুণ গাৰৰ পৰা কমলাবাৰী ঢাপাক গাৰলৈ আৰু পটীয়া শ্লুইচ গেটৰ পৰা শিলিখাগুৰি পকী দলঙলৈ কৰা কামৰ আধৰুৱা অংশ সম্পূৰ্ণ কৰা (খ) মাজুলীৰ বাটচৰা কমলাবাৰী টুনী দলঙৰ সমীপত যিসকলে অবৈধ ভাৱে গৃহ নিৰ্মাণ কৰি টুনীৰ পানীত লেট্ৰিনৰ টেংকি নিৰ্মাণ আৰু মল-মুত্ৰ ত্যাগ কৰিআছে তেখেত সকলক সেই স্থান ত্যাগ কৰিবৰ বাবে মাজুলী জিলাৰ আয়ুক্তই দিয়া জাননী কাৰ্য কৰি কৰা আৰু (গ) ভকতিবিল শুকান সুতিত চলি থকা প্ৰকল্পকে ধৰি সমগ্ৰ কামৰ অগ্ৰগতিৰ ওপৰত পৰ্য্যালোচনাৰ বাবে সকলো পক্ষক লৈ এখন সভা আহ্বান কৰাৰ বাবে দাবী জনোৱা হয়। আজিৰ আলোচনাত বলো কলিতা, নগেন বৰুৱা, চন্দ্ৰ কান্ত দাস, ব্ৰজেন গোস্বামী, যোগেন শইকীয়া, বিনোদ দাস, জয়ন্ত দত্ত, অৰুণ বৰা, দুলাল ভূঞা, অনন্ত ঙাটে, গহীন দাস, ভাইকন দাস, প্ৰবিন দেউৰী, যদু দেউৰী, দুলাল দেউৰী, আদি কৰি ভালেসংখ্যক কাৰ্য কৰি সদস্যই অংশ গ্ৰহণ কৰি বিধায়কক আদৰণি আৰু পৰামৰ্শ আগবঢ়ায়। বিধায়ক দাঙৰীয়াই তেখেতৰ বক্তব্যত টুনী নদী উজ্জীৱিত কৰণ দাবী সমিতিয়ে জন্ম লগ্নৰে পৰা টুনী আৰু জলাশয় সমূহৰ পুনৰ উদ্ধাৰৰ বাবে কৰি অহা কামৰ বাবে কৃতজ্ঞতা জনোৱাৰ লগতে ভৱিষ্যত দিনত পূৰ্ণ সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে টুনীনৈ উজ্জীৱিত সমিতিৰ তত্ত্বাৱধানত চলি থকা প্ৰকল্পসমূহৰ যথেষ্ট অগ্ৰগতি লাভ কৰি নৈখন মৎস্য উৎপাদন ক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে যদিও টুনী নৈৰ পাৰত ব্যাপক বেদখল হৈ থকাৰ কাৰণে নদীৰ পাৰত প্ৰস্তাৱিত প্ৰকল্পৰ ৰূপায়ণত পলম হৈছে। বিশেষকৈ কমলাবাৰী অঞ্চলৰ বেদখল মুক্ত কৰিব নোৱাৰি যোৱা ৰাসলীলাৰ সময় অনুষ্ঠিত উৎসৱৰ বাবে জিলা প্ৰশাসনে পাৰটো কাপোৰেৰে ঢাকি ৰখা দেখিবলৈ পোৱা গৈছিল। এই অঞ্চলৰ দুয়ো পাৰে নাড়িকল আৰু বিভিন্ন প্ৰজাতিৰ ঔষধি গছ ৰোপণ কৰি পৰ্যটকৰ বাবে আকৰ্ষণীয় কৰা আৰু প্ৰদুষন মুক্ত কৰাৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰি তদানীন্তন জিলা আয়ুক্তৰ ওচৰত আবেদন কৰা হৈছিল আৰু আয়ুক্ত গৰাকীয়ে বেদখল কাৰী আৰু ৰাইজৰ মাজত বিষয়টো আলোচনা কৰি জিলা উপায়ুক্ত গৰাকীয়ে লোক সকলক নৈৰ পাৰটো মুক্ত কৰিবলৈ অনুৰোধ জনাই ছিল। কিন্তু এতিয়ালৈকে সেই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল।

বৰপেটাৰোডৰ পাইকাৰী পাচলি বজাৰত পটলত সানিছে ৰাসায়নিক ৰং

অসম বাৰ্তা, বৰপেটাৰোড, ১ জুন ঃ বৰপেটাৰোডৰ পাইকাৰী পাচলি বজাৰত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। বৰপেটাৰোডৰে পাইকাৰী পাচলি বজাৰত এচাম মধ্যভোগী দালালৰূপী পাইকাৰী বিক্ৰেতাই খেতিয়কৰ পৰা ক্ৰয় কৰা পটল, কুণ্ডুলীকে ধৰি একাংশ কেঁচা পাচলিত শৰীৰৰ বাবে ক্ষতিকাৰক ৰাসায়নিক বং সানি পাচলি সমূহক সতেজ কৰি দীৰ্ঘদিন ধৰি বজাৰত বিক্ৰী কৰি আহিছে। উল্লেখ্য বৰপেটাৰোডৰ পাইকাৰী শাক পাচলি বজাৰত এচাম মধ্যভোগী দালালৰ কেবাটাও গুডাম গৃহ আছে। দেখাত এই গুডাম সমূহ পাচলি ৰখা, পেকেটিং কৰাৰ বাবে ৰখা হৈছে যদিও এই সকল মধ্যভোগী দালালেই এই গুডাম গৃহতে অসাধু কাৰ্য সংঘটিত কৰি আহিছে। বিশেষকৈ পটল, কুণ্ডুলী, ভাত কেৰেলা আদিকে ধৰি সেউজীয়া পাচলি সমূহ এচাম দালালৰূপী পাইকাৰী ব্যৱসায়ীয়ে ক্ৰয় কৰি সেইসমূহ গুডামত নি ৰাখে। ইয়াৰ পিছতে এই সকল অসাধু ব্যৱসায়ীয়ে নিজৰ মুনাফাৰ বাবে আৰম্ভ কৰে এক ভয়ানক কাৰ্য। বিশেষকৈ পটল, কুণ্ডুলী, ভাতকেৰেলা, লেছেৰী আদি সেউজীয়া পাচলি সমূহ অধিক সেউজীয়া আৰু সতেজ কৰি অধিক দাম লাভ কৰাৰ অচিলাৰে সেই সমূহ পাচলিত মাৰাত্মক ৰাসায়নিক ৰং সানি বং সমূহ লগাৰ পিছত সেইবোৰ পেকেটিং কৰি বিক্ৰী কৰা দেখা গৈছে। বৰপেটাৰোডৰ পাইকাৰী শাক পাচলি বজাৰত দীৰ্ঘদিনৰ পৰাই এচাম অসাধু ব্যৱসায়ীয়ে এনে দুস্কাৰ্য চলাই অহাৰ সময়তে আজি এই পাইকাৰী শাক পাচলি বজাৰৰ অন্যতম মধ্যভোগী দালাল হিচাপে পৰিচিত হাইদৰ আলী নামৰ এজন পাইকাৰী ব্যৱসায়ীয়ে তেওঁৰ গুডামতে সংঘটিত কৰি থকা এই ভয়ংকৰ কাণ্ড স্থানীয় সংবাদকৰ্মী সকলে পোহৰলৈ আনে। প্ৰতিদিনৰ লেখীয়া আজিও দিনে পোহৰে হাইদৰ আলীৰ নিৰ্দেশতে এচাম কৰ্মচাৰীয়ে হাইদৰ আলীৰ গুডামতে ৰাসায়নিক বং সানি আহিছিল। ডাঙৰ ডাঙৰ ড্ৰামত ৰাসায়নিক ৰং সানি ১৫/১৬ বস্তা পটল মজুত কৰাৰ লগতে আন ভালেমান পটলতৰাসায়নিক ৰং সানি আছিল। কিন্তু জনস্বাস্থ্যৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই অনা এনে দুস্কাৰ্য সাংবাদিকে কেমেৰাত বন্দী কৰাৰ সময়তে জাঙুৰ খাই উঠে হাইদৰ আলী সহ সেই গুডামত থকা মুন্সী নামৰ এজন ব্যক্তি। উল্লেখ্য ডাঙৰ ডাঙৰ ড্ৰামত হাইদৰ আলীৰ নিৰ্দেশতে ৰাসায়নিক ৰং সানি পটল সমূহ ৰাসায়নিক ৰংত বহু সময় জুবুৰিয়াই ৰখা হয় আৰু সেই পটল সমূহ তাৰ পিছত ডাঙৰ ডাঙৰ টুকুৰীত ভৰোৱা হয়। এই কাৰ্য সমাপন হোৱাৰ কিছু ঘণ্টা পিছত সেই পাচলি সমূহ সতেজ আৰু অধিক সেউজীয়া হৈ পৰাৰ পিছত সেই সমূহ পেকেটিং কৰা হয়। ফলত পেকেটিং হোৱা এই পটল সমূহ অধিক সতেজ আৰু চৌৱিছ ঘণ্টাৰ ভিতৰতে গছৰ পৰা ছিঙি অনা যেন দেখা যায়। যাৰ বাবে সাধাৰণ গ্ৰাহকে অন্য পাচলিতকৈ নজনাকৈয়ে এনে পাচলি অন্য পাচলিৰ বিপৰীতে অতিমাত্ৰা দাম দি ঘৰলৈ ক্ৰয় কৰি নিয়ে। কিন্তু এনে মাৰাত্মক ৰং সনাৰ ফলত যে কেন্সাৰৰ দৰে জটিল ৰোগত সাধাৰণ ৰাইজ আক্ৰান্ত হৈ পৰে সেয়া তেওঁলোকৰ সম্পূৰ্ণ অগচোৰ। অৱশ্যে আজি এই সন্দৰ্ভত সাংবাদিকৰ অনুসন্ধানৰ খবৰ বিয়পি পৰাৰ পিছতহে জিলা প্ৰশাসনৰ গা লৰে আৰু বৰপেটাৰোড আৰক্ষীৰ এটা দলে গৈ সেই স্থানত উপস্থিত হয়। অৱশ্যে সন্ধিয়াৰ ভাগলৈকে বৰপেটা জিলা খাদ্য সুৰক্ষা বিষয়া গৰাকী উপস্থিত নোহোৱাৰ বাবে আৰক্ষী প্ৰশাসনেও বিষয়টো সন্দৰ্ভত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে যদিও গুডামত মজুত থকা ৰাসায়নিক বং সনা পটল সমূহ আৰক্ষীয়ে তদন্তৰ বাবে সেই স্থানতে বখা বুলি জানিব পৰা গৈছে।

১৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত ইউনিফৰ্ম আৰু তিনিটা পৰিয়ালক টিনপাত প্ৰদান

জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ মহানুভৱতা

অসম বাৰ্তা, মিৰ্জা, ১ জুন ঃ দেওবাৰে বিজয়নগৰৰ কমাৰ্চ কলেজৰ সমীপৰ দখলাত বীণাপাণি জ্যোতিষ কাৰ্যালয়ৰ উদ্যোগত আৰু জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ একক প্ৰচেষ্টাত ত্ৰয়োদশ বাৰ্ষিক বিশেষ সম্বৰ্ধনা আৰু সমাজসেৱামূলক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ মুঠ ১৪৭ গৰাকী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱাৰ লগতে বিনামূলীয়াকৈ কলেজীয়া সাজ-পোছাক বিতৰণ কৰা হয়। শিক্ষাৰ্থীসকলৰ শৈক্ষিক সফলতাক স্বীকৃতি জনাই তেওঁলোকক আগন্তুক শিক্ষাজীৱনৰ বাবে শুভেচ্ছা আৰু উৎসাহ প্ৰদান কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয় বুলি উল্লেখ কৰে জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাই। ইয়াৰ উপৰিও, অনুষ্ঠানত পলাশবাৰীৰ কেইবাটাও দৰিদ্ৰ পৰিয়ালক সহায়ৰ হাত আগবঢ়াই টিনপাত বিতৰণ কৰা পৰিলক্ষিত হয়। উক্ত অনুষ্ঠানত জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ আমন্ত্ৰণক্ৰমে ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আদিত্য কলিতা, ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° কবিতা শালৈ দাস আৰু আৰক্ষী বিষয়া টিংকু জ্যোতি চৌধুৰী উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি বিভিন্ন বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আদিত্য কলিতাই হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ বিভিন্ন গুৰুত্বপূৰ্ণ ইতিবাচক দিশৰ বিষয়ে কোৱাৰ লগতে দক্ষিণ কামৰূপৰ কেবাগৰাকীও বিশিষ্ট শিল্পীৰ জীৱন সম্পৰ্কে মন্তব্য কৰি ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰে। ইফালে ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° কবিতা শালৈ দাসে জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ মহানুভৱতাৰ বিষয়ে কোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক সদায় আত্মসন্মান বজায় ৰাখি আগবাঢ়ি যাবলৈ পৰামৰ্শ দিয়ে। একেদৰে সভাত উপস্থিত আৰক্ষী বিষয়া টিংকু জ্যোতি চৌধুৰীয়ে সুস্থ সমাজৰ বাবে শিক্ষাৰ প্ৰয়োজন যদিও প্ৰকৃততে সমাজত শিক্ষিতৰ উপৰিও ভাল মানুহৰ বেছিপ্ৰয়োজন বুলি কয়। সেয়েহে সকলো ছাত্ৰ-ছাত্ৰীয়ে ভাল মানুহ হবলৈ চেষ্টা কৰিব লাগে বুলি পৰামৰ্শ দিয়ে। উল্লেখ্য যে অনুষ্ঠানটোৰ উদ্যোগতা জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাই অনাগত সময়তো আৰ্থিকভাৱে দুৰ্বল লোকসকলৰ কাষত থিয় দিয়াৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে। স্থানীয় ৰাইজে জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ এই পদক্ষেপক আদৰণি জনাই শিক্ষাৰ্থী আৰু দৰিদ্ৰ পৰিয়ালৰ কল্যাণৰ বাবে এনে সমাজহিতৈষী কাৰ্যসূচী অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

প্ৰিয় নাৰী মন্দিৰা বৰুৱা আৰু নৃত্য পটিয়সী ৰূপশিখা শালৈক সম্বৰ্ধনা জ্ঞাপন

মঙলদৈত 'আপকু'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অসম বাৰ্তা, মঙলদৈ, ১ জুন ঃ আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন চমুকৈ আপকুৰ কেন্দ্ৰীয় সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা আজি আপকুৰ দৰং জিলা সমিতিৰ আতিথ্যত মঙলদৈৰ সনাতন ধৰ্মসভা পেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। এই কাৰ্যনিৰ্বাহক সভাৰ পূৰ্বে আপকুৰ মুখ্য উপদেষ্টা আব্দুল খালেকৰ সঞ্চালনাত বিশেষ সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। আপকুৰ দৰং জিলা সমিতিৰ সভাপতি বাবুল মকছেদ আহমেদ আৰু সম্পাদক পংকজ শৰ্মাই আঁত ধৰা সভাখন উদ্বোধন কৰে বিশিষ্ট উদ্যোগপতি মুকুল চন্দ্ৰ ডেকাই। সভাত প্ৰিয় নাৰী খ্যাত গুৱাহাটীৰ মন্দিৰা বৰুৱা আৰু মঙলদৈত বিশিষ্ট নৃত্য পটিয়সী ৰূপশিখা শালৈক আপকুৰ দৰং জিলা সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে দৰঙৰ ছগৰাকী সাংবাদিক ক্ৰমে দুলাল চন্দ্ৰ ডেকা, লক্ষ্মীনন্দন কলিতা, লোকেশ্বৰ বৰুৱা, ধৰ্মকান্ত বৰুৱা, নিকুঞ্জ কাশ্যপ আৰু কণ আলি হাজৰিকাক দৰঙৰ 'সংবাদ শিৰোমণি' বঁটা প্ৰদান কৰা হয়। সভাত উদ্যোগপতি ৰাজীৱ কুমাৰ ডেকা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চহিৰ ভূঞা, জ্যেষ্ঠ সাংবাদিক শংকৰ কাকতি, দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা, অসম বাৰ্তাজীৱী সংঘৰ প্ৰাক্তন সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা, মন্দিৰা বৰুৱা, ৰূপশিখা শালৈ, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বড়া আদিয়ে বক্তব্য প্ৰদান কৰে। এই সভাতেই মঙলদৈৰ বিধায়ক তথা এই সভাখনৰ আদৰণি সমিতিৰ সভাপতি নীলিমা দেৱীৰ লিখিত অভিভাষণ পাঠ কৰা হয়। ইয়াৰ পাছতেই আপকুৰ সভাপতি স্বপন কুমাৰ ৰাভাৰ সভাপতিত্বত হোৱা কাৰ্যনিৰ্বাহক সভাত সম্পাদক প্ৰধান শৰৎ শেনচোৱাই

আসাম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনি
ASSAM PRESS CORRESPONDENTS'
কেন্দ্ৰীয়
APCU
ASSAM PRESS CORRESPONDENTS

তিনিচুকীয়াত অনুষ্ঠিত আপকুৰ মধ্যকালীন অধিবেশনৰ প্ৰস্তাৱসমূহ পাঠ কৰে। সভাত সাংবাদিকৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰি সেইসমূহ সমাধানৰ বাবে চৰকাৰৰ ওচৰত আৰ্জি জনোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে অহা ডিচেম্বৰ মাহৰ ২৬ আৰু ২৭ ডিচেম্বৰত ডিব্ৰুগড় জিলাৰ নাহৰকটিয়াত অনুষ্ঠিত হ'ব লগা দ্বি-বাৰ্ষিক অধিবেশনৰ বিষয়েও আলোচনা কৰা হয়।

খুমটাইৰ বুটলিখোৱাত পথ অৱৰোধ; আৰক্ষী-ৰাইজৰ তীব্ৰ সংঘাত

খুমটাই, ১ জুন ঃ গোলাঘাট জিলাৰ খুমটাইৰ বুটলিখোৱাত দেওবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। শুকুৰবাৰৰ পৰা নিখোজ হৈ থকা নতুনমাটি চাহ বাগিচাৰ ৰাজ কালিন্দী নামৰ এজন যুৱকৰ সন্ধান উলিওৱাৰ দাবীত স্থানীয় ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাৰ বিৱৰণ অনুসৰি, যোৱা শুকুৰবাৰে ৰাজ কালিন্দী তিনিজন বন্ধুৰ সৈতে ধনশিৰী নদীত গা ধুবলৈ গৈছিল। তাৰ পিছৰে পৰা তেওঁ নিখোজ হৈ আছে। এই সন্দৰ্ভত ভুক্তভোগী পৰিয়ালে খুমটাই আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত আৰক্ষী, SDRF আৰু NDRF বাহিনীয়ে যুৱকজনৰ সন্ধান অব্যাহত ৰাখিছে যদিও তিনিদিন পাৰ হোৱাৰ পিছতো তেওঁৰ কোনো সন্ধান উলিয়াব পৰা নাই। ইফালে, আৰক্ষীয়ে ঘটনাৰ তদন্তৰ স্বাৰ্থত ৰাজ কালিন্দীৰ সৈতে থকা তিনিজন বন্ধুক সোধ-পোছৰ বাবে আটক কৰিছিল যদিও পিছত তেওঁলোকক মুকলি কৰি দিয়ে। ইয়াৰ পিছতে স্থানীয় ৰাইজে যুৱকজনক হত্যা কৰা হৈছে বুলি সন্দেহ প্ৰকাশ কৰি আৰক্ষীৰ ভূমিকা লৈ প্ৰশ্ন উত্থাপন কৰে। লগতে সন্দেহৰ আৱৰ্তত থকা তিনিজন যুৱকক আৰক্ষীয়ে ৰক্ষণাবেক্ষণ দিয়াৰো অভিযোগ উত্থাপন কৰে। প্ৰতিবাদৰ সময়ত পথ অৱৰোধক কেন্দ্ৰ কৰি আৰক্ষী আৰু ৰাইজৰ মাজত তীব্ৰ বাক-বিতণ্ডা তথা সংঘাতৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ গোলাঘাট সদৰৰ উপ-আৰক্ষী অধীক্ষক ঘটনাস্থলীত উপস্থিত হৈ তদন্ত সঠিকভাৱে আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে।

ৰাজ্যখনৰ আইনগত ব্যৱস্থা গুৰুত্বপূৰ্ণ সংস্কাৰ আনিব এই আইনখনেঃ বিজেপিৰ অসম প্ৰদেশৰ মুখপাত্ৰ জয়ন্ত গোস্বামী

পুৰণিগুদামৰ বিজেপি জিলা কাৰ্যালয়ত ইউ চি চি সম্পৰ্কীয় সংবাদমেল

সংবাদমেল
বিষয়ঃ সম দেৱানী সংহিতা, অসম-২
ভাৰতীয় জনতা পাৰ্টি জিলা, পুৰণিগুদাম কাৰ্যালয়
২০২৬

অসম বাৰ্তা, পুৰণিগুদাম, ১ জুন ঃ ভাৰতীয় জনতা পাৰ্টি, কলিয়াবৰ জিলা সমিতিৰ পুৰণিগুদামস্থিত জিলা কাৰ্যালয়ত আজি 'সম দেৱানী সংহিতা, অসম-২০২৬' শীৰ্ষক এখন সংবাদমেল অনুষ্ঠিত হয়। উক্ত সংবাদমেল সম্বোধন কৰি ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক মুখপাত্ৰ জয়ন্ত গোস্বামীয়ে আইনখনৰ সূচনা আৰু ইয়াৰ বিভিন্ন ইতিবাচক দিশ সমূহৰ সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা আগবঢ়ায়। তেওঁ Uniform Civil Code চমুকৈ UCC ৰ এই আইনখন অসম বিধানসভাত গৃহীত হোৱা সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসমৰ এনডিএ চৰকাৰখনক ধন্যবাদ জ্ঞাপন কৰি কয় যে, এই আইনখন আমাৰ ৰাজ্যখনৰ অন্যতম গুৰুত্বপূৰ্ণ আইনগত সংস্কাৰ। এইখন অসমৰ জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোৰে বাবে প্ৰৱৰ্তন কৰা একে নাগৰিক আইন, য'ত বিবাহ, বিবাহ বিচ্ছেদ (তালাক), সম্পত্তি, উত্তৰাধিকাৰ, ভৰণ-পোষণ আৰু লিভ-ইন (বিবাহ অবিহনে সহবাস) সম্পৰ্কৰ ক্ষেত্ৰত সম দেৱানী সংহিতা স্থাপন কৰিব। ৰাজ্যিক মুখপাত্ৰগৰাকীয়ে এই আইন অনুসৰি বহু ব্যক্তিগত আইন (Personal Law)ৰ সলনি এক সাধাৰণ নাগৰিক আইন ব্যৱস্থা গঢ়ি তোলাৰ প্ৰচেষ্টা কৰা বুলি নিজৰ বক্তব্যত উল্লেখ কৰে। লগতে আইনখনৰ জৰিয়তে সংবিধানৰ Article 342 অনুসৰি সংবিধানিক সুৰক্ষাত থকা অনুসূচিত জনজাতিৰ (ST) লোকসকল আইনৰ আওতাৰ পৰাৰ কিয় বাহিৰত থাকিব লগা হ'ল, তাৰ কাৰণ সন্দৰ্ভতো তেওঁ বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। আনহাতে, 'সম দেৱানী সংহিতা, অসম-২০২৬' সাম্প্ৰতিক সময়ৰ "সামাজিক সমতা"ৰ প্ৰতিষ্ঠাৰ উচিত পদক্ষেপ বুলি উল্লেখ কৰে। আনহাতে, বহু সংখ্যকে বিশেষকৈ Muslim Personal Lawৰ কিছু প্ৰচলিত ব্যৱস্থাৰ ওপৰত প্ৰভাৱ পেলাব বুলি কংগ্ৰেছে ইয়াক ব্যক্তিগত স্বাধীনতা আৰু ধৰ্মীয় অধিকাৰত হস্তক্ষেপ কৰা বুলি অযথা সমালোচনা কৰা সন্দৰ্ভত সংবাদমেলৰ জৰিয়তে আক্ষেপ প্ৰকাশ কৰে। তেওঁ আইনখনত থকা বিয়াৰ ন্যূনতম বয়স, বহু বিবাহ (Polygamy) নিষিদ্ধ, বিবাহ পঞ্জীয়নৰ বাধ্য বাধকতা, ভুৱা তথ্য দি বিয়া কৰোৱা শাস্তি, বলপূৰ্বক বা প্ৰৱঞ্চনামূলক বিবাহৰ সন্দৰ্ভত, আত্মীয়ৰ মাজত বিবাহ নিষিদ্ধ সন্দৰ্ভত, লিভ-ইন (সামাজিক বিবাহ নকৰোৱাকৈ সহবাস) সম্পৰ্কক আইনগত স্বীকৃতি প্ৰদান, বিবাহ বিচ্ছেদ (তালাকৰ)ৰ নিয়ম, উইল নথকা অৱস্থাত সম্পত্তি বণ্টন আদি বিভিন্ন বিষয়ৰ বিশ্লেষণ আগবঢ়ায়। আজিৰ সংবাদমেলত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, তিৱা কাউঞ্চিলৰ অধ্যক্ষ মদন বৰদলৈ, পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিণ্টু শৰ্মা, ৰঞ্জিত বৰা, ৰীতা কাকতি প্ৰমুখ্যে কেইবাজনো লোক উপস্থিত থাকে।

কুকুৰমাৰা আঞ্চলিক সৰ্বজনীন দুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষৰ অস্থায়ী কাৰ্যালয় মুকলি

অসম বাৰ্তা, ছয়গাঁও, ১ জুন ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত কুকুৰমাৰা আঞ্চলিক সৰ্বজনীন দুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষৰ অস্থায়ী কাৰ্যালয় মুকলি দেওবাৰে কাৰ্যালয় আনুষ্ঠানিক ভাৱে মুকলি কৰে পলাশবাৰী বিধান সভা সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যই। উল্লেখ্য যে দক্ষিণ কামৰূপৰ অন্যতম ধৰ্মীয় অনুষ্ঠান কুকুৰমাৰা সৰ্বজনীন দুৰ্গা পূজা এইবেলি বিস্তৃত কাৰ্যসূচীৰে সোণালী জয়ন্তী হিচাপে পালন কৰাৰ বৃহৎ প্ৰস্তুতি চলাইছে। এই উপলক্ষে দুৰ্গা পূজা উদযাপন সমিতিৰ সভাপতি ৰাতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ আগবঢ়ায় কাৰ্যকৰী সভাপতি জোন কুমাৰ দাসে। বিধায়ক হিমাংশু শেখৰ বৈশ্যই তেওঁৰ ভাষণত কুকুৰমাৰা আঞ্চলিক দুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষত সকলো ধৰণে সহায় সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। আনহাতে বিধায়কগৰাকীয়ে তেওঁৰ ভখযণত দক্ষিণ কামৰূপৰ লগতে বৃহত্তৰ কুকুৰমাৰা অঞ্চলৰ আয়ুস ৰেখা সদৃশ কলহী নদী বন্ধ হৈ পৰাত উদ্বেগ প্ৰকাশ কৰে। সেয়ে কলহী নদী পুনৰ খনন কৰি নদীখন জীয়াই তোলাৰ আঁচনি গ্ৰহণ কৰিব বুলিও ভাষণত উল্লেখ কৰে। উদ্বোধনী সভাত পূজা সমিতিৰ হৈ জ্যেষ্ঠ সদস্য প্ৰবীন মেধি ভাষণ ৰখাৰ উপৰিও কামৰূপ জিলা পৰিষদৰ সদস্য মিহিৰ ৰঞ্জন দাস, মা চণ্ডিকা উন্নয়ন খণ্ডৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী মল্লিকা বৰ্মণ, উপ সভানেত্ৰী ববিতা দাস, শঙ্কৰদেৱ বিদ্যা মন্দিৰৰ পৰিচালন সঞ্চালক লোহিত দাস, ব্যৱসায়ী ধ্ৰুৱ দাসকে আদি কৰি পূজা পৰিচালনা সমিতিৰ কেবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷
✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com
☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২
◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶
◆ Website : www.asombarta.in ◆
◆ Facebook : \asombarta ◆
◆ Instagram : \asom_barta ◆
● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন